● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মোৰ আকাংক্ষাবোৰ পূৰণৰ বাবে দৌৰাতকৈ ইয়াক সীমাবদ্ধ কৰি সুখ বিচাৰিবলৈ মই শিকি লৈছো।

জন ষ্টুৱাৰ্ট মিল
*ইংৰাজ দাৰ্শনিক*



www.dainikagradoot.in

৫ তিনি দশকত অভিলেখ হাৰত সুদ বৃদ্ধি আমেৰিকাত
১৫ কমনৱেলথ গেমছৰ ৰীলে দলত হিমা
৪ গণ উন্মাদনাৰ স্বৰূপ আৰু সন্ত্ৰাসবাদ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪৭তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৭ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 17 June 2022 মূল্য ঃ ৯.০০ টকা

■ বানত ডেৰ শতাধিক পথ-দলং-মথাউৰি ক্ষতিগ্ৰস্ত ■ ২৩ জিলাৰ চাৰে দহ লক্ষাধিক লোক আক্ৰান্ত ঃ এই পৰ্যন্ত কমেও চাৰিজনৰ মৃত্যু ■ গুৱাহাটীসহ অধিকাংশ জিলাতে শিক্ষানুষ্ঠান বন্ধ

# গুৱাহাটী ডুবু ডুবু, অসম ভাহি যায়



বিস্তীৰ্ণ অঞ্চল জলমগ্ন কৰি দৰং জিলাৰ শাকতোলা নৈয়ে খহাই পেলোৱা মথাউৰি, মঙলদৈত বৃহস্পতিবাৰে।

অহা দুদিনতো প্ৰৱল বৰষুণৰ সতৰ্কতা ■ যিকোনো মুহূৰ্তত পৰিস্থিতিৰ অৱনতিৰ আশংকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** মৌচুমীৰ প্ৰভাৱত হোৱা প্ৰথমটো আৰু চলিত বৰ্ষৰ দ্বিতীয়টো বানত ককবকাইছে ৰাজ্যৰ ২৩ খন জিলাৰ জনসাধাৰণে। অসমৰ লগতে চুবুৰীয়া দেশ ভুটান আৰু চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ-মেঘালয়-নগালেণ্ডত হোৱা মুষলধাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা এই পৰিস্থিতিৰ আৰু অধিক অৱনতি ঘটাৰ আশংকা কৰা হৈছে। কিয়নো বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি অহা দুদিনতো ৰাজ্যত



প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। সমান্তৰালভাৱে মেঘালয় আৰু ভুটানতো বৰষুণৰ তীব্ৰতা বৃদ্ধিৰ আশংকা কৰা হৈছে। ভুটান আৰু অৰুণাচলত হোৱা বৰষুণৰ বাবে চলিত বানৰ প্ৰভাৱ ওদালগুৰি, তামুলপুৰ দৰংসহ পশ্চিম অসমত ব্যাপকভাৱে পৰিছে। একেদৰে মেঘালয়ত হোৱা বৰষুণৰ বাবে গোৱালপাৰা, কামৰূপ, ধুবুৰী আদি জিলাত বানৰ প্ৰকোপ বৃদ্ধি হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ তথ্য অনুসৰি, *আঠ পৃষ্ঠাত চাওক*

■ তৃতীয় দিনাও মহানগৰীত অপৰিৱৰ্তিত কৃত্ৰিম বান পৰিস্থিতি ■ বানপানী কম হ'বলৈ ইশ্বৰক প্ৰাৰ্থনা কৰাৰ কথা নিৰ্বাচনৰ সময়ত কিয় নক'লে? ঃ মুখ্যমন্ত্ৰীক প্ৰশ্ন কংগ্ৰেছ সভাপতি বৰাৰ

## বিদেশী গাড়ীৰ পৰিৱৰ্তে পথত কলৰ ভূৰ

■ পানী সোমোৱাত অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা ৰবীন্দ্ৰ ভৱন ■ পানীৰ তলত সাতগাঁও থানা ■ বহু অঞ্চলত কৰ্তন বিদ্যুৎ সেৱা-খোৱাপানীৰ বাবেও হাহাকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** যোৱা চাৰিদিনে ধাৰাবাহিকভাৱে অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত আজি তৃতীয় দিনাও মহানগৰীত অপৰিৱৰ্তিত হৈ থাকে কৃত্ৰিম বান পৰিস্থিতি। উত্তৰ-পূবৰ মুখ্য বাণিজ্যিক চহৰখনত বহু পৰিয়াল জলবন্দী হৈ থকাত তৃতীয় দিনাও প্ৰায় স্তব্ধ হৈ পৰে স্বাভাৱিক জনজীৱন। মহানগৰীৰ বহু অঞ্চল আজিও পানীৰ তলত *দুই পৃষ্ঠাত চাওক*



**বান**

**দেশ-কাল-সমাজ**


ড° দীনেশ বৈশ্য



ৰাজ্যৰ ৰাজধানী মহানগৰী প্ৰায় এসপ্তাহ ধৰি বানপানীত ককবকাই আছে। ক'ৰো মানুহ ক'লৈকো যাব পৰা নাই। স্কুল-কলেজ বন্ধ। গাড়ী-মটৰ চলিব পৰা নাই। প্ৰায় সমগ্ৰ মহানগৰীৰ বাট-পথত এআঁঠু, একঁকাল, এবুকু পৰ্যন্ত পানী। ৰাজধানী মহানগৰীৰ ধনী ধনী মানুহবিলাকৰ কোটি কোটিটকীয়া বিদেশী গাড়ী বানত বুৰ গৈ আছে। বানত বুৰ গৈছে ৰাজধানী মহানগৰীখনৰ অহংকাৰ। বাটৰ দাঁতিত *১০ পৃষ্ঠাত চাওক*

ভি আই পি সংস্কৃতি নাথাকিব এইবাৰ ঃ মন্ত্ৰী

## ২২ৰ পৰা ২৬ জুনলৈ কামাখ্যাত অম্বুবাচী মেলা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** কে'বাখনো ৰাজ্যত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি আৰু প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত আনুষ্ঠানিক প্ৰচাৰ আৰু বিশেষ জাক-জমকতা অবিহনে অহা *১০ পৃষ্ঠাত চাওক*

পথৰ গাৰ্ডৱাল ভাগিল

## গোৱালপাৰাত ভূমিস্খলন হৈ একে পৰিয়ালৰ দুই শিশুৰ কৰুণ মৃত্যু

**অগ্ৰদূত বাৰ্তা**


**মাটিয়া, ১৬ জুন ঃ** ভূমিস্খলনৰ ফলত গোৱালপাৰা চহৰৰ আজাদ নগৰত একে পৰিয়ালৰ দুই শিশুৰ কৰুণ মৃত্যু ঘটে। আজি পুৱা ছয় বজাত হঠাতে পথৰ গাৰ্ডৱাল খহি ভূমিস্খলন হৈ আজাদ নগৰৰ আছিৰ উদ্দিন শিকদাৰৰ *১০ পৃষ্ঠাত চাওক*

■ উত্তৰ প্ৰদেশ চৰকাৰক কৈফিয়ৎ তলব কৰিলে সৰ্বোচ্চ ন্যায়ালয়ে

## বুলড'জাৰেৰে ঘৰ ভাঙি প্ৰতিশোধ ল'ব নোৱাৰি ঃ সকীয়নি ন্যায়ালয়ৰ

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৬ জুন ঃ** উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ চৰকাৰৰ বুলড'জাৰ নীতিক সমালোচনা কৰিলে দেশৰ উচ্চতম ন্যায়ালয়ে। বিগত সপ্তাহত কানপুৰ প্ৰয়াগৰাজ, ছাহাৰানপুৰত সংঘটিত হিংসাত্মক ঘটনাৰ অভিযুক্তসকলৰ ঘৰ-দুৱাৰ বেআইনীভাৱে নিৰ্বিচাৰে ভাঙি



পেলোৱা বুলি যোগী চৰকাৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ কৈফিয়ৎ বিচাৰিছে আদালতে। আগন্তুক তিনিদিনৰ ভিতৰত ইয়াৰ উত্তৰ দিব লাগিব যোগী চৰকাৰে। হজৰত মহম্মদৰ বিৰুদ্ধে বিজেপি নেত্ৰীৰ বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰা সকলক উত্তৰ প্ৰদেশ চৰকাৰে বুলড'জাৰ চলোৱাৰ লক্ষ্য নিৰ্ধাৰণ *১০ পৃষ্ঠাত চাওক*

## ধৰ্ম প্ৰচাৰক-গায়িকাসহ সাত বাংলাদেশী নাগৰিকৰ ভাৰতত প্ৰৱেশ নিষিদ্ধ

ভিছা নীতি ভংগ কৰি ধৰ্ম প্ৰচাৰ-ৰাজনৈতিক কাৰ্যকলাপত জড়িত হোৱা বাবে পদক্ষেপ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** অসমলৈ সঘনাই ভিছাৰ নীতি-নিয়ম ভংগ কৰি আহি থকাই নহয়, বিভিন্ন উচটনিমূলক কাৰ্যকলাপত জড়িত হোৱা বাবে বাংলাদেশৰ সাতগৰাকী নাগৰিকৰ ভিছা নিষিদ্ধ কৰিলে ভাৰত চৰকাৰে। অসমলৈ অহা লোকৰ ভিছা নিষিদ্ধ কৰা ঘটনা এয়ে প্ৰথম। অসমসহ ভাৰতত এই মৰ্মে প্ৰৱেশ নিষিদ্ধ হ'ল গায়িকা মুনিয়া মুনসহ সাতগৰাকী বাংলাদেশী নাগৰিকৰ। তেওঁলোকৰ বিৰুদ্ধে ভাৰত বিৰোধী প্ৰৰোচনামূলক বক্তব্য প্ৰকাশৰ অভিযোগ উঠিছে। অসমত বিভিন্ন অনুষ্ঠানত ভিছা আইন ভংগ কৰি অংশগ্ৰহণৰ পাছত এইসকলে বাংলাদেশলৈ *১০ পৃষ্ঠাত চাওক*


## আৰক্ষী বিষয়াসকলে বিজেপিৰ এজেণ্ট হিচাপে কাম কৰিছে

প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ, ৰাজ্যপালক সাক্ষাৎ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ইডিৰ ধাৰাবাহিক জেৰা আৰু দিল্লী তথা গুৱাহাটীৰ কংগ্ৰেছ কাৰ্যালয়ত প্ৰৱেশ কৰি কালি আৰক্ষীয়ে অত্যাচাৰ চলোৱাৰ অভিযোগত আজি ন্যায় বিচাৰি বৰষুণৰ *১০ পৃষ্ঠাত চাওক*

■ নুনমাটি-কামাখ্যাত পাহাৰ খহি আহত চাৰিজন



## মহানগৰীত পুনৰ ১১ স্থানত ভূমিস্খলনত তীব্ৰ আতংক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** এফালে কৃত্ৰিম বানৰ বিভীষিকা আনফালে ভূমিস্খলনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে গুৱাহাটী মহানগৰীত। নেৰানেপেৰা বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ ঘটনাত ১৪ জুনত চাৰিজনকৈ শ্ৰমিকে প্ৰাণ হেৰুওৱাৰ পাছত কালি ১৮টাকৈ স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। আজিও ইয়াৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি কে'বাটাও স্থানত হোৱা ভূমিস্খলনৰ ঘটনাত একেটা পৰিয়ালৰ *আঠ পৃষ্ঠাত চাওক*

## স্বাস্থ্য বিভাগৰ বাছনি পৰীক্ষাৰ দিন তিনি জুলাইলৈ পিছুৱালে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ অধীনৰ অহা ১৯ জুনত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থবৰ্গৰ বিভিন্ন পদৰ লিখিত পৰীক্ষা অহা তিনি জুলাইলৈ পিছুৱাই দিয়া *১০ পৃষ্ঠাত চাওক*


অসম চুক্তিৰ ছয় নম্বৰ দফা ■ আছুৰে বৈঠক চৰকাৰৰ উপ-সমিতিৰ

## সাংবিধানিক ৰক্ষাকবচ নিশ্চিতকৰণৰ বাবে সময় নিৰ্ধাৰিত কাৰ্যসূচীৰ পোষকতা

শীঘ্ৰে প্ৰতিবেদন দাখিলৰ বাবে তৎপৰ মন্ত্ৰী বৰা


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** অসম চুক্তিৰ ছয় নম্বৰ দফা কাৰ্যকৰী কৰাৰ বাবে গঠিত মন্ত্ৰী গোটে পাৰ্যমানে সোনকালে প্ৰতিবেদন দাখিলৰ তৎপৰতা অব্যাহত ৰাখিছে বুলি আজি দিছপুৰত সদৰী কৰে মন্ত্ৰী অতুল বৰাই। ছয় নম্বৰ দফা কাৰ্যকৰীকৰণৰ *১০ পৃষ্ঠাত চাওক*







| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ২৪° |
| ডিব্ৰুগড় | ২৪° | ২৩° |
| দিল্লী | ৩৮° | ২৯° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ৩০° | ২০° |
| শ্বিলং | ২০° | ১৮° |

১৬ জুন, ২০২২

## এশ বছৰত ভৰি থ'ব মোদীৰ মাতৃয়ে ঃ 'পূজ্য হীৰাবা মাৰ্গ' নামকৰণ পথৰ



■ **নিউজ ব্যুৰ'**


**গান্ধীনগৰ (গুজৰাট), ১৬ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ হীৰাবেন মোদীয়ে অহা ১৮ জুনত এশ বছৰত ভৰি *১০ পৃষ্ঠাত চাওক*

■ সৰৱ সাত বিৰোধী দল ঃ কেলেংকাৰি-ব্যৰ্থতা ঢাকিবলৈ নতুন বিতৰ্কৰ বিষয় সৃষ্টি

## চৰকাৰে একো নকৰাৰ বাবেই কৃত্ৰিম বানত অধিক জীয়াতু গুৱাহাটীবাসীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** অসমৰ বান আৰু খহনীয়া সমস্যাক কেন্দ্ৰ আৰু ৰাজ্যৰ দুয়োখন চৰকাৰে



সম্পূৰ্ণ উপেক্ষা কৰাৰ ফল ৰাজ্যবাসীয়ে ভুগিছে বুলি আজি ইয়াত এক সংবাদমেলত মন্তব্য কৰে সাত বিৰোধী ৰাজনৈতিক দলে। সাম্প্ৰতিক বান পৰিস্থিতিৰ সন্দৰ্ভত উক্ত মন্তব্য কৰি বিৰোধী দলকেইটাৰ অন্যতম চিপিআই (এম)ৰ ৰাজ্যিক সাধাৰণ সম্পাদক সুপ্ৰকাশ *১০ পৃষ্ঠাত চাওক*

## তামাৰহাটত বজ্ৰপাতত মৃত্যু পিতা-পুত্ৰৰ

শিঙিমাৰীতো এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া/তামাৰহাট, ১৬ জুন ঃ** বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ সমান্তৰালকৈ বজ্ৰপাতত আজি অসমত তিনিজন লোকৰ মৃত্যু হয়। অসম-বংগ সীমান্তৰ কোচবিহাৰ জিলাৰ তুফানগঞ্জত আজি বজ্ৰ পৰি এহাল পিতা-পুত্ৰৰ মৃত্যু হয়। বালাভূত নয়াচৰৰ নিবাসী *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*হেৰা, ভঙা-পতাৰ মাজেৰেই আমাৰ মিত্ৰতাও চলি থাকিব— কেতিয়াবা দেখাকৈ কেতিয়াবা নেদেখাকৈ!*

■ নগাঁৱত শোচনীয় ফলাফল প্ৰদৰ্শন কৰা বিদ্যালয়ৰ অধ্যক্ষক ধমক ■ মিক্সড মিডিয়াম প্ৰৱৰ্তন হ'ব মাধ্যমিক বিদ্যালয়ত ■ ৪৭ শিক্ষক-শিক্ষয়িত্ৰীৰ বিপৰীতে উত্তীৰ্ণ আঠ পৰীক্ষাৰ্থী

## শিক্ষামন্ত্ৰী পেগুৰ ধমক ঃ ননচেন্স কথা নক'ব

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৬ জুন ঃ** সুন্দৰ আন্তঃগাঁথনি, পৰ্যাপ্ত সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আৰু চৰকাৰী সা-সুবিধাৰে সমৃদ্ধ হোৱা সত্ত্বেও এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অতি শোচনীয় ফলাফল প্ৰদৰ্শন কৰা নগাঁও চহৰৰ ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষৰ ওপৰত আজি খৰ্গহস্ত হৈ পৰিল শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। শিক্ষামন্ত্ৰীজনে আজি পুৱা বিদ্যালয়খন পৰিদৰ্শন কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এইবাৰ বিদ্যালয়খনৰ ফলাফল অতি শোচনীয় কেনেকৈ হ'বলৈ পালে বুলি প্ৰশ্ন কৰে। বিদ্যালয়ৰ অধ্যক্ষ তপন কুমাৰ বৈদ্যই ইয়াত সৰহ সংখ্যক দুখীয়া মানুহৰ ল'ৰা-ছোৱালী পঢ়ে, সেই কাৰণে ৰিজাল্ট বেয়া হ'ল বুলি কোৱাৰ লগে লগেই শিক্ষামন্ত্ৰীজনে খঙত অগ্নিশৰ্মা হৈ কয়, 'দুখীয়া হ'লে মানুহৰ টেলেণ্ট নাইকিয়া হয় নেকি? ননচেন্স কথা কিছুমান নক'ব। মই জনাত যোৱা এটা বছৰ আপুনি স্কুলখনত একেবাৰেই মন-কাণ দিয়া নাই। আপুনি আপোনাৰ *১০ পৃষ্ঠাত চাওক*

■ জনসংযোগ বিভাগে প্ৰকাশ কৰিলে হিমন্ত বিশ্ব শৰ্মাৰ ৩৫টা বক্তৃতাৰ একত্ৰ সংকলন

## মুখ্যমন্ত্ৰীৰ ভাষণে অসমৰ ৰাজনৈতিক পৰিৱেশ সলনি কৰি দিব পাৰে ঃ পীযুষ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৩৫ টা বক্তৃতা একত্ৰিত কৰি অসম চৰকাৰৰ জনসংযোগ সঞ্চালকালয়ে প্ৰকাশ কৰা 'মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই। ২০২১ৰ জুলাইৰ পৰা ২০২২ৰ মে'লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন অনুষ্ঠানত প্ৰদান কৰা কেইটামান নিৰ্বাচিত বক্তৃতা সম্পাদিত ৰূপত প্ৰকাশ কৰা 'মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন' উন্মোচন কৰি দিয়া ভাষণত মন্ত্ৰী হাজৰিকাই কয় যে মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ যিকোনো পৰিস্থিতিতে সন্মুখৰ শ্ৰোতা দৰ্শকক সন্মোহিত কৰিব পাৰে। মন্ত্ৰীজনে লগতে কয় যে মুখ্যমন্ত্ৰীৰ ২০০৯ আৰু ২০১১ৰ দুটা ভাষণ, যি সময়ত *১০ পৃষ্ঠাত চাওক*

এজন সন্ধানহীন

## শিবিৰলৈ অহা অৱস্থাতে নাও দুৰ্ঘটনাত দুই মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৬ জুন ঃ** হোজাইৰ যোগীজান ব্ৰজপুৰত আজি সন্ধিয়া সংঘটিত এক নাও দুৰ্ঘটনাত দুগৰাকী মহিলাৰ মৃত্যু হয়। আৰক্ষীয়ে সদৰী কৰা মতে, এটা পৰিয়ালৰ নজন লোকে এখন নাৱেৰে আশ্ৰয় শিবিৰলৈ বুলি যোগীজান পাৰ হোৱাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। নাও দুৰ্ঘটনাৰ লগে লগে স্থানীয় লোকে ছজন লোকক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়ে। অৱশ্যে তিনিজন সন্ধানহীন হয়। পৰৱৰ্তী সময়ত উদ্ধাৰ অভিযান অব্যাহত ৰাখি আৰক্ষীয়ে একেটা পৰিয়ালৰ আনোৱাৰা খাতুন আৰু চেলিমা খাতুন নামৰ দুই মহিলাৰ মৃতদেহ উদ্ধাৰ কৰে। অৱশ্যে চিৰাজুল হক সন্ধানহীন হৈ আছে।

# বাগ্‌সাৰ ভূটানখুঁটিত পত্নীক ডিঙি চেপি হত্যাৰ অভিযোগ

**আৰক্ষীয়ে আটক কৰিলে অভিযুক্তক**

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৬ জুন ঃ** বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তত যোৱা নিশা এক হত্যাকাণ্ড সংঘটিত হয়। এজন লোকে তেওঁৰ পত্নীক ডিঙি চেপি হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনা সংঘটিত *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৭ জুন, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

## চি আই ডি এফৰ পুঁজিৰে ৰূপায়ণ হ'ব লগা প্ৰকল্প সন্দৰ্ভত ক্ষুব্ধ আছু

# প্ৰকল্প ৰূপায়ণ সন্দৰ্ভত প্ৰশ্ন চৰকাৰক

■ মুখ্যমন্ত্ৰী-উপায়ুক্তলৈ পৃথকে পত্ৰ প্ৰেৰণ ঃ অখিল গগৈৰ নিলিপ্ততাক ধিক্কাৰ ■

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৬ জুন ঃ** শিৱসাগৰ নগৰৰ উন্নয়নৰ বাবে অহা চি আই ডি এফ শিতানৰ পুঁজিক লৈ দোদুল্যমান স্থিতি বিৰাজমান হৈ থকা সময়তে আজি শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত ছাত্ৰ সন্থাই এখন সংবাদমেলৰ আয়োজন কৰি কয় যে আহোম ৰাজত্বকালৰ ৰাজধানী নগৰ প্ৰাচীন ৰংপুৰ তথা বৰ্তমানৰ শিৱসাগৰ নগৰৰ উন্নয়ন সাধনত স্বাধীনোত্তৰ কালৰ সকলো চৰকাৰ আৰু জনপ্ৰতিনিধি বিফল হৈছে। প্ৰাচীন নগৰখনক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুৰূপে গঢ়ি তুলিবৰ বাবে বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰাত চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষ ব্যৰ্থ হৈছে। আনহে নালাগে শেহতীয়াকৈ শিৱসাগৰ নগৰৰ উন্নয়নৰ বাবে চৰকাৰে আৱণ্টন দিয়া চি আই ডি এফ শিতানৰ ধন ব্যয় কৰি নগৰখনক উন্নয়ন সাধন কৰাটো সকলো পক্ষ ব্যৰ্থ হৈছে। শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মনজিত হাজৰিকাই আঁত ধৰা *ছয় পৃষ্ঠাত চাওক*



*পাগলাদিয়া নদীৰ পানীয়ে যোগাযোগ ব্যাহত কৰিলে তামুলপুৰ-মুছলপুৰ সংযোগী পথৰ, বৃহস্পতিবাৰে।*

## অল ইণ্ডিয়া ৰেলৱে মেনছ ফেডাৰেছনৰ ৱৰ্কিং কমিটীৰ সভাত নতুন পেঞ্চন নীতি বাতিলৰ দাবী

**গুৱাহাটী, ১৬ জুন ঃ** অল ইণ্ডিয়া ৰেলৱে মেনছ ফেডাৰেছনৰ (এ আই আৰ এফ) এখন গুৰুত্বপূৰ্ণ সভা আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মুম্বাইত অনুষ্ঠিত হৈছে। এ আই আৰ এফৰ সভাপতি ড° এন কানহাইয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত সাধাৰণ সম্পাদক শিৱ গোপাল মিশ্ৰই কেন্দ্ৰীয় চৰকাৰৰ শ্ৰমিক বিৰোধী নীতিৰ তীব্ৰ সমালোচনা কৰি কয়, 'এইখন চৰকাৰে নিজৰ খেয়ালখুচি মতে কাম কৰি দেশৰ অৰ্থনীতি ধ্বংস কৰি পেলাইছে। সৰ্বসাধাৰণৰ জীৱন দুৰ্বিষহ কৰি তুলিছে। শ্ৰমিকৰ ভৱিষ্যৎ অন্ধকাৰময় কৰি তুলিছে। তেওঁ নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি প্ৰৱৰ্তন নকৰিলে সকলো কেন্দ্ৰীয় শ্ৰমিক সংগঠনৰ সহযোগত তীব্ৰ আন্দোলন কৰাৰ হুংকাৰ দিয়ে। সাধাৰণ সম্পাদকজনে ৰেল কৰ্মচাৰীৰ প্ৰাপ্য ১৮ মাহৰ মৰগীয়া ভাট্টা আদায় নিদিয়া, মনিটাইজেছনৰ নামত ভাৰতীয় ৰেলক ব্যক্তিগতকৰণ কৰা, ৰেলৰ খালী পদসমূহ বছৰ বছৰ ধৰি পূৰণ নকৰি কৰ্তন কৰাৰ ব্যৱস্থা কৰা, নৈশ ভাট্টা আদায় নিদিয়া, লেভেল ৱানৰ কৰ্মচাৰীক লেভেল টুলৈ উন্নীত কৰি ১৮০০ ৰ *ছয় পৃষ্ঠাত চাওক*

### বাগ্‌সাত মানাহৰ বন্যহস্তীয়ে ভাঙিলে ১২ টা গৃহ

## টংলাত হাতীৰ গচকত কিশোৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**টংলা/শালবাৰী/তামুলপুৰ, ১৬ জুন ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তত হস্তী-মানৱৰ সংঘাত অব্যাহত আছে। যোৱা নিশা জিলাখনৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত তিনি নম্বৰ বৰঙাজুলি ভাটিকুৰাত বন্যহস্তীৰ আক্ৰমণত এজন কিশোৰৰ মৃত্যু হয়। স্থানীয় লোকে জনোৱা মতে, বৰনদী অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বন্যহস্তীৰ জাক এটাই যোৱা নিশা বৰষুণৰ মাজতে অঞ্চলটোৰ টেক বাহাদুৰ মিজাৰ নামৰ লোকজনৰ বাসগৃহটো ভাঙি লণ্ডভণ্ড কৰে। সেই সময়তে বাসগৃহৰ ভিতৰত শুই থকা মিজাৰৰ পুত্ৰ ৰোহিত মিজাৰ (১৫)ৰ হাতীৰ গচকত থিতাতে মৃত্যু হয়। শ শ হাতীৰ জাকটোৰ সন্ত্ৰাসৰ ফলত সম্প্ৰতি গাঁওবাসীয়ে বিনিদ্ৰ ৰজনী কটাইছে। ইফালে, বাগ্‌সা জিলাৰ লাবদাংগুৰি আৰু তামুলপুৰ জিলাতো বন্যহস্তীৰ সন্ত্ৰাস অব্যাহত আছে। যোৱা নিশা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্য হস্তীৰ দল এটাই বাগ্‌সা লাবদাংগুৰি গাঁৱত ১২ টা বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। *ছয় পৃষ্ঠাত চাওক*

**নগাঁও শিক্ষা বিভাগৰ কৰ্মচাৰী নাহিল তদন্তৰ আওতাত**

## নগাঁৱত সংখ্যালঘু ছাত্ৰবৃত্তি কেলেংকাৰিত লিপ্ত বহু ৰৌ-বৰালি নপৰিল চিআইডিৰ জালত

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ১৬ জুন ঃ** ৰাজ্য কঁপোৱা সংখ্যালঘু ছাত্ৰবৃত্তিৰ কেলেংকাৰিৰ তদন্ত আৰম্ভ কৰিছে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখা চমুকৈ চিআইডিয়ে। নগাঁৱত চিআইডিয়ে যোৱা ১১ এপ্ৰিলত অভিযান চলাই সংখ্যালঘু ছাত্ৰবৃত্তি কেলেংকাৰিত লিপ্ত থকা মুস্তাক আহমেদ, ছাইফুল ইছলাম, কামপুৰৰ হুছেইন আহমেদ, ছবিৰ আহমেদ, আলাউদ্দিন, আব্দুল ৰাহিদ, ৰুমী দাস, জাজৰিৰ ইমৰাণ হুছেইন আৰু সোণাইঘাটৰ মৃণাল কোঁৱৰ নামৰ বেংকৰ চিএছপি কেইজনক আটক কৰিছিল। নগাঁও সদৰ থানাত ৰুজু হৈ থকা গোচৰৰ ভিত্তিত আটক কৰা হৈছিল চিএছপি নজনক। উক্ত চিএছপিৰ স্বত্বাধিকাৰী কেইজনক চিআইডিয়ে আটক কৰাৰ লগে লগে কচুৱা, ৰূপহী, জুৰীয়া আৰু আলিটাঙনীৰ বহু চিএছপিৰ উপৰি মধ্যভোগীয়ে চিআইডিৰ জালত পৰাৰ ভয়ত আত্মগোপন কৰিছিল। তদুপৰি ৪০ৰো অধিক চিএছপি, মধ্যভোগী, শিক্ষা বিভাগৰ কৰ্মচাৰী আৰু প্ৰধান শিক্ষকৰ নাম উক্ত কেলেংকাৰিত সাঙোৰ খাই পৰিছিল। চিআইডিয়ে বিয়াগোম কেলেংকাৰিটোত লিপ্ত থকাসকলক আটক কৰিব বুলি সচেতন মহলে ধাৰণা কৰিছিল। যদিও সময় বাগৰাৰ লগে লগে চিআইডিয়ে ভুৱা আৰু অস্তিত্বহীন *ছয় পৃষ্ঠাত চাওক*

**নগাঁৱত পুনৰ ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ**

## এক নম্বৰ বৰপথাৰত ড্ৰাগছসহ এজন যুৱক আটক



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/দুলীয়াজান, ১৬ জুন ঃ নগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। বিগত কিছুদিন ধৰি আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে যদিও সুযোগ বুজি ড্ৰাগছৰ ব্যৱসায়ীয়ে ড্ৰাগছৰ ব্যৱসায় বাহাল ৰাখিছে। নগাঁও জিলাক ড্ৰাগছ মুক্ত জিলাৰূপে গঢ়ি তুলিবলৈ প্ৰয়াস অব্যাহত ৰাখি প্ৰতিনিয়ত ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। এই অভিযানৰ অংশৰূপে আজি নগাঁৱৰ হয়বৰগাঁও আৰক্ষীয়ে নগাঁও *ছয় পৃষ্ঠাত চাওক*

## বকোত ৰেলৰ চেপাত অচিনাক্ত লোকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বকো, ১৬ জুন ঃ** মুষলধাৰ বৰষুণৰ মাজতে আজি বকোৰ বামুণীগাঁৱত এক দুৰ্ঘটনা সংঘটিত হয়। এখন মালবাহী ৰেলৰ খুন্দাত এজন লোক থিতাতে নিহত হয়। গামোচা পৰিহিত লোকজনৰ পৰিচয় এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই। পৰৱৰ্তী সময়ত বকো আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। বামুণীগাঁও ৰেল ষ্টেছনৰ পৰা প্ৰায় ১.৫ কিলোমিটাৰ দূৰত ৰেলখনে লোকজনক খুন্দিয়ায়। আনহাতে, বকো ৰেল ষ্টেছনতে আজি আন এক দুৰ্ঘটনাত সাতজন শ্ৰমিক আহত হয়। কামাখ্যা-যোগীঘোপা ৰেলৰ পৰা ৰেলপথত ব্যৱহৃত চিৰি নমাই থকা অৱস্থাতে লোৰ শিকলি ছিগাৰ ফলত শ্ৰমিককেইজন আহত হয়। ইয়াৰে চাৰিজন শ্ৰমিক *ছয় পৃষ্ঠাত চাওক*

## অভি-নীল হত্যাকাণ্ডৰ শুনানি

বিশেষ সংবাদদাতা

**নগাঁও, ১৬ জুন ঃ** অভি-নীল হত্যাকাণ্ডৰ চাৰিবছৰ উকলি যোৱাৰ পাছতো গোচৰটো লেহেমীয়া আৰু দীঘলীয়া হোৱাৰ বাবে হতাশাত ভুগিছে অভি-নীলৰ পিতৃদ্বয়ে। আজি সাক্ষ্যৎ গ্ৰহণৰ দিনা নগাঁও আদালত চৌহদত সংবাদ মাধ্যমৰ আগত *ছয় পৃষ্ঠাত চাওক*

## বৰষুণৰ পানীত হোৱাহোৰে খহিছে জামুগুৰিহাটত নিৰ্মিত চাৰিলেনযুক্ত পথ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৬ জুন ঃ** কে'বাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণত হোৱাহোৰে খহিছে জামুগুৰিহাটত নিৰ্মিত হৈ থকা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ। জামুগুৰিহাটৰ চৌকীঘাটৰ পৰা ১৫ নম্বৰ ঘাইপথৰ মাধৱ সংযোগী প্ৰায় চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰতি জহি-খহি যোৱাৰ উপক্ৰম ঘটিছে। সাধাৰণ এজাক বৰষুণতে হোৱাহোৰে খহি পৰা পথছোৱা নিৰ্মাণত ব্যাপক



**বালিৰে পথ নিৰ্মাণ কৰা বাবেই অস্তিত্বহীন হৈ পৰাৰ সন্দেহ চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ**

দুৰ্নীতি অনিয়ম হোৱাৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজৰ অভিযোগ বহিঃৰাজ্যৰ চিমপ্লেক্স নামৰ কোম্পানীটোৱে পথছোৱা নিৰ্মাণত ব্যাপক দুৰ্নীতি- অনিয়ম সংঘটিত কৰিছে। নীতি-নিয়ম অনুসৰি পথছোৱা নিৰ্মাণত কাথ মাটি বা পাহাৰীয়া মাটি ব্যৱহাৰ কৰিব লাগে যদিও কোম্পানীটোৱে জীয়াভৰলী নদীৰ পৰা বালি মাটি কঢ়িয়াই পথছোৱা *ছয় পৃষ্ঠাত চাওক*

**২৬ জুনত প্ৰদান কৰিব আপকুৱে**

## জ্যেষ্ঠ সাংবাদিক যোগেশ ওজালৈ কমলা শইকীয়া বঁটা



বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৬ জুন ঃ** অসমৰ মফচলীয় সাংবাদ কৰ্মীৰ অন্যতম সংগ্ৰামী মঞ্চ আসাম প্ৰেছ কৰেছপ'ণ্ডেন্টছ ইউনিয়ন (আপকু) শিৱসাগৰ জিলা সমিতিয়ে বিগত ১৩ বছৰে ৰাজ্যৰ প্ৰথম ছহিদ সাংবাদিক কমলা শইকীয়া আৰু সাংবাদিক-সাহিত্যসেৱী প্ৰসন্ন দত্তৰ স্মৃতিত ৰাজ্যিক পৰ্যায়ত শ্ৰেষ্ঠ সাংবাদিক বঁটা প্ৰদান কৰি আহিছে। অহা ২৬ জুনত ২০২১ আৰু ২০২২ বৰ্ষৰ বঁটাসমূহ সংস্থাটোৱে প্ৰদান কৰিব । ২০২১ৰ ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ কমলা শইকীয়া সোঁৱৰণী বঁটাৰ বাবে বাছনি কৰা হৈছে দৈনিক অগ্ৰদূত কাকতৰ যোৰহাটৰ ষ্টাফ ৰিপৰ্টাৰ যোগেশ ওজাক । ১৯৭১ত জন্ম যোগেশ ওজাৰ পিতৃ প্ৰয়াত মাণিক চন্দ্ৰ ওজামাতৃ প্ৰয়াত ঘুনুচীবালা ওজা ২০০৩ৰ পৰা বৰ্তমানলৈকে 'দৈনিক অগ্ৰদূত'ৰ যোৰহাটস্থ জ্যেষ্ঠ ষ্টাফ ৰিপৰ্টাৰৰূপে *ছয় পৃষ্ঠাত চাওক*

■ নদীৰ বুকুত বিলীন শ শ বিঘা কৃষিভূমি ■ উছন বিদ্যালয়, অৰ্ধ শতাধিকৰ ঘৰ-বাৰী ■ কুম্ভকৰ্ণৰ নিদ্ৰাত প্ৰশাসন ■ নাই কোনো চৰকাৰী প্ৰতিৰোধ ব্যৱস্থা

## গুৰুফেলা-আংটিপাৰা নদীৰ খহনীয়া

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ১৬ জুন ঃ** এফালে গুৰুফেলা আৰু আনফালে আংটিপাৰা নদীৰ কালৰূপত বিলীন হোৱাৰ পথত কুৰ্শাকাটি গাঁও। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ মাজেদি প্ৰবাহিত গুৰুফেলা নদী আৰু আংটিপাৰা নদীৰ ভয়ংকৰ খহনীয়াত কুৰ্শাকাটি গাঁৱত ইতিমধ্যে জাহ গৈছে বহু শতাধিক কৃষিভূমি। প্ৰতিবছৰে বাৰিষা বতৰত কালৰূপ ধাৰণ কৰা নদীখনৰ বুকুত ইতিমধ্যে বিলীন হৈছে নাওখোৱা প্ৰাথমিক বিদ্যালয়ৰ উপৰি অৰ্ধ শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ। গোসাঁইগাঁও মহকুমাৰ ছয় নম্বৰ বিটিচি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত দুই নম্বৰ কুৰ্শাকাটি (নাওখোৱা) গাঁওখনৰ প্ৰায় আধা অংশ ইতিমধ্যে দুয়োখন নদীৰ কৰাল গ্ৰাসত পৰি নিশ্চিহ্ন হোৱাৰ পাছত এইবাৰ ভূতৰ ওপৰত দানহ পৰাদি আকৌ আৰম্ভ হৈছে ভয়ংকৰ খহনীয়াৰ তাণ্ডৱ। অতি সম্প্ৰতি গুৰুফেলা আৰু আংটিপাৰা নদী দুখন একলগ হ'বলৈ মাজতে মাত্ৰ ৫০ মিটাৰ মানহে বাকী আছে। এক প্ৰকাৰ নদীদ্বীপৰ মাজত বসবাস কৰা নাওখোৱা গাঁওবাসীৰ বাবে দুয়োখন নদীয়ে ভয়ংকৰ বিপদৰ আগজাননী কঢ়িয়াই আনিছে। এই দুখন নদীয়ে বিগত বৰ্ষ সমূহত এক নম্বৰ কুৰ্শাকাটি গাঁৱৰ প্ৰায় তিনি শতাধিক কৃষিভূমি আৰু ৩০টা পৰিয়ালৰ ঘৰ-বাৰী নদীৰ বুকুত জাহ যোৱাৰ দৰে দুই নম্বৰ কুৰ্শাকাটি গাঁৱৰ ৫০টা পৰিয়ালৰ ঘৰ-দুৱাৰো নিশ্চিহ্ন কৰিছে। একেদৰে নদীৰ বুকুত বিলীন হৈছে দুই শতাধিকৰ ওপৰত কৃষিভূমি। সম্প্ৰতি এই কেইদিন চলি থকা অহৰহ মুষলধাৰ বৰষুণৰ প্ৰকোপত ওফন্দি উঠা নদীৰ বাঢ়নী পানীয়ে ভয়ংকৰ খহনীয়াৰ সৃষ্টি কৰি গাঁওবাসীৰ কাৰণে আতংক *ছয় পৃষ্ঠাত চাওক*

## মৰিগাঁৱত কলঙৰ মথাউৰি পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰিকাৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৬ জুন ঃ** মৰিগাঁও জিলাৰ বেলগুৰি আৰু পাত্ৰবড়ীত আজি কলঙৰ মথাউৰি পৰিদৰ্শন কৰে অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। বানত কলঙৰ মথাউৰিটো এশ মিটাৰৰ ভিতৰতে দুটাকৈ স্থানত খহি যোৱাত জলসম্পদ বিভাগক তৎকালীনভাৱে জাম্ব' বেগ পেলাই মথাউৰিটো পাৰ্যমানে বচাবলৈ মন্ত্ৰী হাজৰিকাই আহ্বান জনায়। নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰৰ পানী আহি কলঙত পৰি দুই-এদিনৰ ভিতৰত মথাউৰিটোৰ ক্ষতি কৰাৰ সন্দেহ প্ৰকাশ কৰে মন্ত্ৰীজনে এই *ছয় পৃষ্ঠাত চাওক*

## অৰৰাৰ ধৰ্মপ্ৰাণা মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৬ জুন ঃ** নলবাৰী জিলাৰ অৰৰা গাঁৱৰ নিবাসী তথা বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত ধৰ্মপ্ৰাণা মহিলা ফুলেশ্বৰী বৰ্মনৰ আজি পুৱা ৪-৩০ বজাত মৃত্যু হয়। দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত কাৰণত ৯৩ বছৰীয়া সৰবৰহী মহিলাগৰাকীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনতো যোগ দিছিল। মৃত্যুৰ সময়ত তেওঁ চাৰি পুত্ৰ-বোৱাৰী, দুই কন্যা, নাতি-নাতিনী এৰি যায়। আজি ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুৰ খবৰ শুনি মঙলদৈৰ সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই তেওঁৰ বাসগৃহত উপস্থিত হৈ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইয়াৰ উপৰি অসম ভেলী একাডেমী, নলবাৰীৰ অধ্যক্ষা অনুপম বৰ্মা মজুমদাৰৰ লগতে আন স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানেও তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

### বিশ্ববিদ্যালয়খনক যিমান পাৰি সুন্দৰকৈ গঢ়ি তুলিম

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু



বিশেষ সংবাদদাতা

**নগাঁও, ১৬ জুন ঃ** 'বিশ্ববিদ্যালয়খনৰ পৰিৱেশটো বৰ ধুনীয়া। প্ৰয়োজন হ'লে চৰকাৰে বিশ্ববিদ্যালয়খনলৈ আৰু ভূমি প্ৰদান কৰিম। যিমান পাৰি অনুষ্ঠানটি সুন্দৰকৈ কৈ গঢ়ি তুলিম'। আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ৰাইদঙীয়াস্থিত মূল চৌহদৰ নিৰ্মাণ কাৰ্য পৰ্যবেক্ষণ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই মন্তব্য আগবঢ়ায়। শিক্ষামন্ত্ৰীৰূপে বিশ্ববিদ্যালয়ৰ মূল চৌহদলৈ প্ৰথমবাৰৰ বাবে অহা মন্ত্ৰীজনক সংঘ *ছয় পৃষ্ঠাত চাওক*

## ডবকাত বৰষুণৰ সুযোগ লৈ ছটা বাসগৃহত চুৰিকাণ্ড

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১৬ জুন ঃ** নেৰানেপেৰা বৰষুণৰ সুযোগ গ্ৰহণ কৰি যোৱা নিশা ডবকাত চোৰে ছটাকৈ পৰিয়ালত লুটপাট চলায়। ডবকা আৰক্ষী থানাৰ অন্তৰ্গত মিকিৰআটি হাওগাঁৱত সংঘটিত এই চুৰিকাণ্ডত চোৰৰ দলে সোণৰ গহনা, নগদ ধনকে ধৰি বহু সামগ্ৰী লুট কৰি নিয়ে। গাঁওখনৰ অংগনৱাড়ী কৰ্মী শেফালী দেৱ বাসগৃহৰ পৰা চোৰে নগদ ২০ হেজাৰ টকা, সোণৰ গহনা, বিভাগীয় কৰ্মচাৰীক দিয়া ম'বাইল ফোন আৰু আলিমুদ্দিন নামৰ লোকজনৰ ঘৰৰ পৰা ম'বাইল ফোন আৰু নগদ ধন নিয়ে। সেইদৰে নজিৰ আহমেদৰ ঘৰত প্ৰৱেশ কৰি চোৰে ন-কইনাৰ বাবে মজুত কৰি ৰখা সোণৰ গহনা আৰু নগদ ধন *ছয় পৃষ্ঠাত চাওক*

**বানপানীৰ কাৰণে ব্যাহত শিক্ষাদান**

## বানত ডুবিল কলগাছিয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ঃ বন্ধ ঘোষণা টাপাজুলি প্ৰাথমিক বিদ্যালয়



অগ্ৰদূত বাৰ্তা

**কলগাছিয়া, ১৬ জুন ঃ** কৃত্ৰিম বানপানীত ডুব গৈছে বৰপেটা জিলাৰ মন্দিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ২৭৫ নম্বৰ টাপাজুলি প্ৰাথমিক বিদ্যালয়। এইকেইদিন হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বান সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে বিদ্যালয় চৌহদত। বিদ্যালয়খনৰ শ্ৰেণী কোঠাত এক আঁঠু পৰ্যন্ত পানী হৈছে। ঠিক তেনেদৰে মন্দিয়া আৰু ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত বহুকেইখন বিদ্যালয় চৌহদ আৰু শ্ৰেণী কোঠাত পানী সোমোৱাৰ ফলত *ছয় পৃষ্ঠাত চাওক*

## নলবাৰীত পুনৰ দুদিনলৈ শিক্ষানুষ্ঠান বন্ধ ঘোষণা

**দুৰ্যোগৰ সময়ত একত্ৰিত হ'বলৈ আহ্বান মন্ত্ৰী জয়ন্তমল্লৰ**

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৬ জুন ঃ** ভাৰতৰ বতৰ বিজ্ঞান বিভাগৰ সতৰ্কতা অনুসৰি কাইলৈ আৰু ১৮ জুনত পুনৰ বিদ্যালয়সমূহ বন্ধ ৰখাৰ নিৰ্দেশ দিছে জিলা প্ৰশাসনে। উল্লেখ্য যে কেন্দ্ৰীয় বতৰ বিজ্ঞান কেন্দ্ৰৰ তৰফৰ পৰা আগন্তুক দুদিন অৰ্থাৎ ১৭ আৰু ১৮ জুনত নলবাৰী জিলাত প্ৰবল বৃষ্টিপাতৰ ধাৰাবাহিকতা অব্যাহত থাকিব বুলি প্ৰাপ্ত পূৰ্বানুমানৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ কাইলৈ আৰু ১৮ *ছয় পৃষ্ঠাত চাওক*

## মৰিগাঁৱত ২০ কিলোগ্ৰাম গাঞ্জা জব্দ, আটক দুই



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৬ জুন ঃ** মৰিগাঁও আৰক্ষীয়ে আজি জিলাখনৰ আমকতাত অভিযান চলাই ২০ কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে চন্দন দাস আৰু মাকনি দাস নামৰ দুজনক আটক কৰিবলৈ সক্ষম হয়। মৰিগাঁও জিলাৰ জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত আমকতাত দীৰ্ঘদিন ধৰি গাঞ্জাৰ ব্যৱসায় চলাই থকাৰ ৰাজহুৱা অভিযোগৰ ভিত্তিত আজি মৰিগাঁও আৰক্ষীয়ে এই অবৈধ ব্যৱসায়ৰ লগত জড়িত দুজনক হাতে-লোটে আটক কৰে। মৰিগাঁও ডিএছবি বিভাগে আৰক্ষীৰ সহযোগত অভিযান চলাই জব্দ কৰা গাঞ্জাসহ সৰবৰাহকাৰীদ্বয়ক গতাই দিয়ে।

**গৰাখহনীয়া প্ৰতিৰোধৰ নামত চৰকাৰী ধন উদৰস্থ কৰাৰ অভিযোগ ঃ বিধায়ক-ঠিকাদাৰ-অভিযন্তাক দোষাৰোপ মঞ্চৰ**

# পুনৰ ভয়াৱহ হ'ব ৰহমৰীয়াৰ পৰিস্থিতি

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৬ জুন ঃ** ৰহমৰীয়াবাসীৰ গৰাখহনীয়া সমস্যা ৰঙা ফিটাৰ মেৰপাকৰ মাজতেই থাকিব নেকি ? চৰকাৰী ধনৰ অপচয় কিমান দিনলৈ ? এনেবোৰ সহস্ৰ প্ৰশ্নই আজিও যেন প্ৰতিজন ৰহমৰীয়াবাসীক কন্দুৱাই আছে। চাবুৱা ৰাজহ চক্ৰৰ অধীনৰ ৰহমৰীয়াৰ ইতিমধ্যে ৩১খন ৰাজহ গাঁওসহ বহু হেক্টৰ কৃষিভূমি, বহু শিক্ষানুষ্ঠান, আৰক্ষী থানা, চাহবাগিচা, চুমনি-কাঠনি ব্ৰহ্মপুত্ৰত জাহ যোৱাৰ পাছতো আজি পৰ্যন্ত গৰাখহনীয়া প্ৰতিৰোধ নহ'ল ৰহমৰীয়াত। শেহতীয়াকৈ অনুমোদিত কে'বাকোটি টকীয়া গৰাখহনীয়া প্ৰতিৰোধ আঁচনিত ব্যাপক দুৰ্নীতি-অনিয়মৰ অভিযোগ উত্থাপিত হোৱাত ৰহমৰীয়াৰ ৰাইজ ক্ষোভিত হৈ পৰিছে। স্বয়ং ৰাজ্যৰ জলসম্পদ মন্ত্ৰীৰ সকীয়নিক অংগুষ্ঠ প্ৰদৰ্শন কৰি স্থানীয় বিধায়ক বিনোদ হাজৰিকাৰ ছত্ৰছায়াত দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ কৰিছে ৰহমৰীয়া গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বানে বিভীষিকাৰ সৃষ্টি কৰাৰ সময়তে এতিয়া শংকা বৃদ্ধি পাইছে নৈপৰীয়া ৰাইজৰ। ঠায়ে ঠায়ে হৈছে ব্যাপক গৰাখহনীয়া। ডিব্ৰুগড়ৰ ৰহমৰীয়া অঞ্চলতো গৰাখহনীয়াই ভয়াৱহ পৰিস্থিতি সৃষ্টি কৰাৰ পাছতো গৰাখহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে উচিত পদক্ষেপ নোলোৱাৰ অভিযোগ উত্থাপিত কৰে সংগ্ৰামী মঞ্চই। ইতিমধ্যে গৰাখহনীয়া ৰোধ কৰিবলৈ অঞ্চলটোত বহু কোটি টকীয়া আঁচনি ৰূপায়ণ কৰা হৈছে যদিও *ছয় পৃষ্ঠাত চাওক*

■ আমিনগাঁৱত পিতৃ-মাতৃৰ কাজিয়াৰ ভয়ানক পৰিণতি

## পিতৃ-মাতৃয়ে হত্যা কৰিলে নৱজাতক সন্তানক

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১৬ জুন ঃ** আমিনগাঁও কালিপাহাৰৰ খাৰৈত এটি মৃত নৱজাতক উদ্ধাৰৰ ঘটনাত তীব্ৰ ৰহস্যৰ সৃষ্টি হৈছে কালীবাৰী অঞ্চলত। আৰক্ষী আৰু স্থানীয় ৰাইজে ভিন ভিন ভাষ্য প্ৰকাশ কৰাক লৈ পৰিস্থিতি অধিক ৰহস্যৰ গভীৰলৈ গৈছে। স্থানীয় লোকৰ মতে, পিতৃয়ে শিশুটিক হত্যা কৰে। আনহাতে, আৰক্ষীৰ মতে, জন্মতে শিশুটি মৃত আছিল। উল্লেখ্য যে জন্মৰ কিছু মুহূৰ্তৰ পাছতে পিতৃয়ে শিশুটিক হত্যা কৰি পথৰ দাঁতিত পেলাই দিয়াৰ অভিযোগ উঠিছে। ঘটনাৰ বিৱৰণি অনুসৰি ধনৰ লালসাত পিতৃ-মাতৃৰ মাজত কাজিয়াৰ সূত্ৰপাত হয় আৰু পৰিণতিত দুই ম'হৰ যুঁজত কৰুণ মৃত্যুক সাবটিলে সদ্য প্ৰসৱ কৰা শিশুটিয়ে। স্থানীয় লোকৰ ভাষ্য অনুসৰি গোপাল গুৰুং আৰু ৰঙিলা টুমুঙে সন্তানক লৈ দীৰ্ঘদিনৰ পৰা ব্যৱসায় চলাই আহিছিল। গোপাল আৰু ৰঙিলাই ইতিমধ্যে তিনিটি নিজ সন্তানক ধনৰ বিনিময়ত বিক্ৰী কৰিছিল। এইবেলিও *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৭ জুন ২০২২



# সংঘাত নহয় পৰিপূৰক

সমাজৰ অগ্ৰগতিত পৰিৱৰ্তনৰ ভূমিকা যিদৰে অপৰিসীম, তেনেদৰেই মানুহৰ জীৱনতো পৰিৱৰ্তনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ; কিন্তু কিছু সংখ্যকে পৰিৱৰ্তনক স্বীকাৰ কৰি ল'ব নোখোজে। মানুহকে ধৰি সকলো প্ৰাণীৰেই শৈশৱ, কৈশোৰ, যৌৱন, বাৰ্ধক্য আদি অৱধাৰিত। গতিকে কোনোবাই চিৰকালেই যৌৱনত্ব অটুট ৰাখিব পাৰিব বুলি কোৱাটো মূৰ্খামি মাত্ৰ। আনহাতে, যিসকলে সময়ৰ পৰিৱৰ্তনৰ লগে লগে দৈহিক ৰূপান্তৰক হাঁহি মুখে আদৰি লয়, সেইসকলে মানসিক অশান্তি ভোগ কৰিব লগা নহয় আৰু সুখত দিন কটাব পাৰে। দৈহিক ৰূপান্তৰক অৱধাৰিত ভাবি লৈ যিয়ে ইয়াক সহজভাৱে ল'ব জানে, তেওঁলোকেই বুধিয়ক, শান্তিপ্ৰয়াসী আৰু সুখী।

মানুহৰ জীৱনতেই যে এনে পৰিৱৰ্তন ঘটে, সি নহয়; সমাজ জীৱনৰো প্ৰতিটো খোজতেই ৰূপান্তৰ দেখিবলৈ পোৱা যায়। দৰাচলতে চিৰন্তন, চৰম সত্য, শাশ্বত বুলি কোনো কথা নাই। এসময়ৰ সত্যৰ ধাৰণা পৰৱৰ্তী কালত পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে এসময়ৰ স্বামীৰ মৃত্যুৰ পাছত চিতা জুইত জাহ যোৱাটোৱেই পৱিত্ৰ কৰ্ম হিচাপে বিবেচিত হৈছিল। তেনেদৰেই বাল্য বিবাহ অৱধাৰিত আছিল; কিন্তু এতিয়া সেইবোৰ পথেৰে যোৱাজনক কোনোবাই সত্য পথেৰে যোৱা বুলি ক'বনে? অস্পৃশ্যতা, জাতিভেদ আদিয়েই এসময়ত পৰম সত্য আছিল; কিন্তু আজি? সৌ সিদিনালৈকে ভ্ৰূণ হত্যাৰ দৰে কাৰ্য মহাপাপ নাছিল; কিন্তু আজিৰ পৃথিৱীত তেনে ধাৰণা আছেনে? প্ৰকাশ্যে এতিয়া জন্ম নিৰোধক ব্যৱহাৰ কৰিবলৈ প্ৰচাৰ চলোৱা হৈছে। গতিকে সময়ৰ লগে লগে মানুহৰ ধ্যান-ধাৰণা, মূল্যবোধ আদিৰো পৰিৱৰ্তন ঘটিছে।

এই পৰিৱৰ্তনবোৰ সকলো সমাজতেই হোৱা দেখিবলৈ পোৱা যায়; কিন্তু কিছুমানৰ দৃষ্টিত পৰিৱৰ্তন অসহনীয়। তেওঁলোকৰ মতে অতীতৰ জীৱন ধাৰা এতিয়াও অব্যাহত থাকিব লাগে; কিন্তু কোনো সমাজতেই তেনে ধৰণৰ অপৰিৱৰ্তনীয় অৱস্থা দেখিবলৈ পোৱা নাযায়। এতিয়া আমাৰ জীৱনৰ এনে এটা দিশ আছেনে, যিটো অপৰিৱৰ্তিত হৈ আছে! ঢাৰি-পাটি-পিৰা এৰি এতিয়া চকী-মেজ ব্যৱহাৰ কৰিবলৈ লৈছো। খোজকাঢ়ি অথবা গৰু-গাড়ীৰে যোৱাৰ সলনি ৰেলগাড়ী, বিমানত পৰিভ্ৰমণ কৰিছো। এনেদৰেই খোৱা খাদ্যৰো আমূল পৰিৱৰ্তন ঘটিছে। পুৱাই এতিয়া চাহকাপ নহ'লে নচলে যদিও এশ বছৰমানৰ আগলৈকে চাহ খোৱাৰ কথা ভাবিবই পৰা নাছিল। আমাৰ জ্ঞাতে বা অজ্ঞাতে চাৰিওফালৰ সমাজখনত এই ধৰণৰ পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা গৈছে। আমাৰ সমাজখনতেই কেৱল নহয়, সকলো সমাজতেই এই ধৰণৰ পৰিৱৰ্তন ঘটিছে; কিন্তু এই পৰিৱৰ্তনকো সহ্য কৰিব নোৱাৰা এচাম আছে। তেওঁলোকৰ মতে, এই পৰিৱৰ্তনে আমাৰ ঐতিহ্যক শেষ কৰিব; কিন্তু ঐতিহ্যক ৰক্ষা কৰিবলৈ গৈ কোনোৱে গুহাবাসী হ'বলৈ নিবিচাৰে। এসময়ত গুহাৰ সলনি আমি খেৰৰ ঘৰ সাজিছিলো; কিন্তু এতিয়া সুযোগ পালে পকীঘৰো সাজো। পকীঘৰ যে পশ্চিমীয়া সভ্যতাই আমালৈ আনি দিছে, সেই কথা সঁচা নহয়। খ্ৰীষ্টপূৰ্ব কে'বা শতিকাৰো আগতে অজন্তা, ইলোৰাত নগৰীয়া সভ্যতাৰ নিদৰ্শন পোৱা যায়। পুৰ মানেই যিহেতু নগৰ, সেয়েহে প্ৰাগজ্যোতিপুৰতো সভ্যতাৰ চানেকী আছে। দ' পৰ্বতীয়াৰ ভাস্কৰ্যই প্ৰাচীন অসমৰ নগৰীয়া সভ্যতাকেই দাঙি ধৰে। ৰামায়ণৰ কালতেই অযোধ্যা নগৰৰ নিদৰ্শন পোৱা যায়। ব্ৰিটিছৰ আগমনৰ আগতেই কুটুবমিনাৰ, তাজমহল আদি নিৰ্মাণ কৰা হৈছিল। ভাৰতবৰ্ষৰ প্ৰতিখন সমাজৰেই ভিন ভিন খাদ্য সম্ভাৰ আছিল। ব্ৰিটিছৰ আগমনৰ পাছত কেতবোৰ ক্ষেত্ৰত আমাৰ যিদৰে পৰিৱৰ্তন ঘটিছে, ইংৰাজৰ সমাজতো ভালেখিনি পৰিৱৰ্তন ঘটা দেখা গৈছে। অসমৰ চাহ কাপৰ অবিহনে ইংৰাজ সমাজ এতিয়া এদিনৰ বাবেও চলিব নোৱৰা অৱস্থাত পৰিছে। সমাজে যিদৰে নতুনক আদৰি লৈছে, তেনেদৰেই অতীতৰ পৰম্পৰাৰ পম খেদিও মানুহ ধাৱমান হৈছে। মূৰকত দেখা যাব যে ন-পুৰণিৰ মাজত সংঘাত নাই; ইটো-আনটোৰ পৰিপূৰকহে; কিন্তু সময়ৰ পৰিৱৰ্তনক স্বীকাৰ কৰি ল'ব নোখোজাসকলে পদে পদে দুখ-যাতনা ভোগা দেখা যায়।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**বিহু** অসমীয়া জাতিৰ আয়ুস ৰেখা। জাতীয় জীৱনৰ সাহ।

বিহু থাকে মানে বিহুকে বিনাবা
বিহু গ'লে বিনাবা কাক ।

বিহুৱে আমাৰ জাতিক একত্ৰিত কৰি ৰাখিছে। ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বিহুৱে অসমীয়া জাতিৰ মাজত যুগে যুগে ঐক্য আৰু সমন্বয়ৰ বীজ ৰোপণ কৰি আহিছে দৃঢ়ভাৱে। বিহু যেতিয়ালৈকে অসমীয়াৰ মাজত জীয়াই থাকিব তেতিয়ালৈকে কোনো অপসংস্কৃতিয়ে জাতিৰ মাজত বৰবিহ সিঁচিব নোৱাৰিব।

সাত বিহু সামৰি ৰাইজে নাঙলৰ মুঠিত ধৰে। গৰুক গা ধুৱাই সেই গৰুৰ হালেৰে ধৰিত্ৰীৰ বুকু বিদাৰি নাঙলৰ সিৰলুৰে মাটি চহাই শইচৰ বীজ সিঁচে। নতুনৰ প্ৰতিশ্ৰুতি বিহু। ভোগালী বিহু, কাতি বিহু আৰু ৰঙালী বিহু এই তিনিওটা বিহুৱেই আমাৰ জাতীয় জীৱনক সমৃদ্ধ কৰি আহিছে। বিহু বলিয়া অসমীয়াই সকলো এৰিব পাৰে; কিন্তু বিহু এৰিব নোৱাৰে। কাৰণ বিহু আমাৰ জীৱনৰ কোঁহে-কোঁহে, আঁহে আঁহে প্ৰোথিত হৈ আছে।

**জুৰি শইকীয়া,** *লেখিকা*


সাম্প্ৰতিক সময়ত কৃষিজীৱী ৰাইজে পালন কৰা বিহুৰ গৰিমা কিছু পৰিমাণে ম্লান হৈছে। অসমীয়া জাতি অতীতত স্বাভিমানী আছিল। এতিয়া সহজলভ্য সুবিধাৰ বাবে অসমীয়া জাতিৰ এচাম লোকে আত্মসমৰ্পণৰ মানসিকতা লোৱাত বিহু গৈ বাণিজ্যিকীকৰণ হৈছে। ধনিক শ্ৰেণীৰ, পুঁজিপতিৰ পণ্য সামগ্ৰী হোৱাত বিহুৱে স্বকীয়তা হেৰুৱাইছে। শদিয়াৰ কেঁচাইখাতী গোসাঁনীশালত অতীত নমাই অনা বিহু, স্বৰ্গদেউৰ ৰংঘৰৰ বাকৰিত, স্বৰ্গদেউ আৰু ডাঙৰীয়াৰ চোতাল শুৱনি কৰা বিহুৱে এতিয়া গাঁৱৰ বুঢ়া-মেথাৰ চোতালত আশীৰ্বাদ নিদিয়ে। চোৰ, ডকাইত, দগাবাজ কৰি ধনী হোৱা, থানা, পুঁজিপতিৰ চোতালত ধনৰ লোভত বিহু বা হুঁচৰি দলে হুঁচৰি গায়। গাঁৱৰ জ্যেষ্ঠজন সৎ হ'লেও, ধন নাথাকিলে তেওঁলোকৰ চোতালত হুঁচৰি নাগায়। আনহাতে আজি-কালি প্ৰায়বোৰ গাঁৱতে হুঁচৰি নাইকিয়াই হ'ল। হুঁচৰি গাবলৈ মুগা-ক'লা ৰঙৰ কামিজ, মুগা ৰঙী চুৰিয়া নহ'লেও হয়। চহা মানুহে সৃষ্টি কৰা হুঁচৰিত নিৰ্দিষ্ট কোনো সাজ নাছিল। এতিয়া এচাম বিহু বেপাৰীয়ে সাজ-পোছাক, মুদ্ৰা, ভংগী নিৰ্দিষ্ট কৰি বিহুক সাধাৰণ মানুহৰ মাজৰ পৰা লৈ গৈ বেপাৰৰ পণ্য কৰিলে।

আকৌ বিহু বুলিলে গা সাতখন আঁঠখন কৰাৰ দিনবোৰ অতীত হ'ল। ঐ জান ঐ/ নাহৰ ফুল ফুলিবৰ বতৰ/ ফুলপানী ছিগাতে ঢোলৰ মাত শুনিলো/গচকত ভাঙি যাওঁ যঁতৰ। এতিয়া ফুলপানী ছিগাৰ ঢোল শিল্প জয় পৰিল। অনা অসমীয়াই সজা ঢোলৰ দাম হাতীটোৰ সমান হ'ল। বস্তুৰ দামৰ দোহাই দি গাঁৱৰ হুঁচৰি নোহোৱা হ'ল। সুৰাৰ নিচাত হুচ হেৰুৱাই ৰাতিৰ সাংস্কৃতিক সন্ধিয়াত বোকা নাচ দি বিহুক বিজতৰীয়া কৰিছে। নতুন প্ৰজন্মই বিহুৰ পৰম্পৰা শিকাতকৈ বিহু মানে ৰাতিৰ সাংস্কৃতিক সন্ধিয়া, গায়কৰ গীতকহে বুজে। এইবাৰৰ বিহু মঞ্চ বোকা নাচৰ বাবে কুখ্যাত হ'ল। গায়ক-গায়িকাসকলে অনুৰাগীক, আয়োজকসকলে উচ্ছৃংখল যুৱকক বুজাই দিব লাগে— বিহু মানে নাইট ফাংচন নহয়। তাৰ বাবে নাইট ফাংচনৰ উদ্বোধকজনে বিহুৰ বিষয়ে অৱগত কৰিব লাগিব লাগে। ধনৰ টোপোলা দিয়া উদ্বোধকে বিহুৰ পৰম্পৰা কি জানিব। এনেদৰে এদিন বিহু বিজতৰীয়া হৈ— 'আহা বেহেন বিহু মাৰোগৈ একেটি ডোলেৰে। নাহি হে হামাৰা এইচন এইচন দিল বেহেন', হ'বলৈ বেছি দিন নাই। গতিকে সকলো সজাগ আৰু সচেতন হোৱাটো সময়ৰ আহ্বান।

*ফোন : ৯৯৫৪৩৪৯৫৩৫*

# গণ উন্মাদনাৰ স্বৰূপ আৰু সন্ত্ৰাসবাদ

## অসম, ভাৰত তথা সমগ্ৰ বিশ্বত সন্ত্ৰাসবাদী কাৰ্য চলাই থকা সংগঠনবোৰে গণ উন্মাদনা অৱশ্যে ব্যৱহাৰ কৰে নিজৰ সুবিধাৰ বাবে



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

আৱেগ আৰু যুক্তিক সাধাৰণতে পৰস্পৰ-বিৰোধী যেন লাগে; পুৰণি বিশ্বাসমতে আৱেগৰ হৃদয় বা কলিজাত সৃষ্টি আৰু নিয়ন্ত্ৰণ হয়। আনহাতে, যুক্তিৰে বিচাৰ কৰাৰ প্ৰক্ৰিয়া হয় মগজুত। আধুনিক বিজ্ঞানে জনাইছে যে দুয়োটাৰে সৃষ্টি আৰু নিয়ন্ত্ৰণ মস্তিষ্কতে হয়, অৱশ্যে মগজুত থকা স্থান দুটাৰ মাজত কিছু পাৰ্থক্য আছে। আৱেগক যুক্তিয়ে নিয়ন্ত্ৰণ কৰিব পাৰিলে মানুহে ভবা ধৰণে কাম কৰিব পাৰে, ওলোটাকৈ আৱেগ যুক্তিতকৈ প্ৰবল হ'লে নভবা কাম কিছুমানো হৈ যাব পাৰে। এনে কাম ভালৰ বাবেও হ'ব পাৰে, বেয়ালৈও হ'ব পাৰে।

অত্যধিক আৱেগে উন্মাদনাৰ সৃষ্টি কৰে, একে ধৰণৰ আৱেগ বহুতৰ মাজলৈ সংক্ৰমিত হ'লে সেয়াই গণ উন্মাদনা বা গণ হিষ্টিৰিয়াৰ নাম পায়। দেশ আৰু জাতিপ্ৰেম, ধৰ্ম, সম্প্ৰদায়, জাতি-বৰ্ণ, অত্যধিক সুখ বা দুখ, প্ৰাপ্তি বা অপ্ৰাপ্তি, নতুন সৃষ্টিৰ আকুলতা, ধ্বংসকামী মনোভাৱ— এনে ধৰণৰ অজস্ৰ কাৰণে ব্যক্তিগত বা সমূহীয়া উন্মাদনাৰ সৃষ্টি কৰিব পাৰে। শৰাইঘাটৰ যুদ্ধত লাচিতে মোমায়েকক (অন্যমতে মৌমাই বা তত্ত্বাৱধায়কক) হত্যা কৰোতে সৈন্যসকলৰ ত্ৰাস পৰিৱৰ্তিত হৈছিল উন্মাদনালৈ আৰু ৰাতিৰ ভিতৰতে গড় বন্ধা সম্পূৰ্ণ হৈছিল। সেইদৰে উন্মাদনাৰ বাবেই নৰিয়া গাৰে লাচিতে শত্ৰুৰ ওপৰত জঁপিয়াই পৰিছিল, এই উন্মাদনা তেওঁ সৈন্য দললৈও প্ৰৱাহিত কৰিব পৰাৰ বাবেই যুদ্ধজয় সম্ভৱ হৈছিল। 'তৰিলে দেশ মৰিলে স্বৰ্গ', 'দেশৰ বাবে মৰিলে ছহিদ হৈ স্বৰ্গপ্ৰাপ্তি হয়', 'শত্ৰুৰ তলত থকাতকৈ মৃত্যুৱেই শ্ৰেয়'— এনে ধৰণৰ অসংখ্য বাণীৰে উদ্বুদ্ধ হৈ সৈন্যসকলে যুদ্ধত প্ৰাণ বিসৰ্জন দিবলৈ কুণ্ঠিত নহয়। একে উন্মাদনা ধৰ্মীয় আৱেগেৰেও সৃষ্টি কৰিব পাৰি, যিটো বিষয় পূৰ্বতে আলোচিত হৈছিল।

এজন মানুহে জীৱনত কাকো লাহেকৈ ঢকা এটাও মাৰি পোৱা নাই। তেনে এজন মানুহে বাটত কেইজনমানে চোৰ এটাক পিটি থাকোতে আগবাঢ়ি গৈ চোৰটোক মাৰ-পিট কৰিব পাৰে। জীৱনত পৰুৱা এটাও মাৰিব নোৱৰা এজনে ক্ষন্তেকীয়া উন্মাদনাত মানুহ হত্যাও কৰি পেলাব পাৰে। কঠুৱা হৃদয়ৰ মানুহেও পৰৰ দুখত চকুপানী পেলাব পাৰে সাময়িক আৱেগৰ বশৱৰ্তী হৈ। সেইদৰে এজন বিজ্ঞানীয়ে নতুন আৱিষ্কাৰৰ বাবে নোখোৱা-নোবোৱাকৈ কে'বাদিনো পৰীক্ষাগাৰৰ ভিতৰত সোমাই থাকি গৱেষণা কৰাৰ উদাহৰণ আছে। যুদ্ধক্ষেত্ৰতো খোৱা-বোৱাৰ কথাবোৰ গৌণ হৈ পৰে।

সাধাৰণতে গণ উন্মাদনাবোৰ ধ্বংসাত্মক হোৱাৰেই সম্ভাৱনা বেছি। এই ধ্বংস সামগ্ৰী, শাৰীৰিক, মানসিক, মনোমালিন্যৰ সৃষ্টি, ধৰ্ম-ভাষা-জাতিভিত্তিক ভেদাভেদ আদি বহু ধৰণৰ হ'ব পাৰে। গণ উন্মাদনাৰে জ্যেষ্ঠজনক অপমান কৰাৰ ঘটনা এটা স্বচক্ষে দেখাৰ অভিজ্ঞতা আছে। ১৯৭২ৰ আমাৰ স্নাতকোত্তৰৰ প্ৰথম বৰ্ষৰ পৰীক্ষা আৰম্ভ হোৱাৰ কথা আছিল ১৯ মে'ৰ পৰা। পাঁচ নে ছয় মে'ত বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী সংসদৰ সভাত সিদ্ধান্ত হ'ল যে শিক্ষাৰ মাধ্যম ইংৰাজীৰ লগতে অসমীয়া আৰু বাংলা ভাষাও হ'ব। সন্ধিয়ালৈ কথাটো জনাজনি হোৱাৰ লগে লগে সকলোবোৰ ছাত্ৰাৱাস আৰু ছাত্ৰীৱাসৰ ল'ৰা-ছোৱালীয়ে শোভাযাত্ৰা কৰি উপাচাৰ্যৰ বঙলালৈ যাত্ৰা কৰিলে। সকলোৰে আপত্তিটো হ'ল— অসমীয়াৰ সমানে অসমত বাংলাভাষা কিয় শিক্ষাৰ মাধ্যম হ'ব, অথচ সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত কাছাৰ, নাগালেণ্ড, মণিপুৰ, অৰুণাচল, মেঘালয় আদি সকলোৰে কলেজবোৰ আছিল। অৱশ্যে সকলোৰে বাবে ইংৰাজী মাধ্যম বাহাল থকাৰ কাৰণে সমস্যা কাৰো নহ'লহেঁতেন।

শ্লʼগান দি শোভাযাত্ৰাৰে উপাচাৰ্যৰ বাংলা ঘেৰাও কাৰ্যসূচীত আপত্তি কৰিবলগীয়া নাছিল, পিছে এচাম ছাত্ৰ নেতাই উপাচাৰ্যক শাৰীৰিকভাৱে অপদস্থ কৰাৰ লগতে অশ্ৰাব্য গালি-গালাজো দিছিল। আমিবোৰে দূৰৰ পৰাই সেই সময়ত অতি সন্মানীয় বুলি ভবা উপাচাৰ্যগৰাকীৰ অৱমাননা চাই থাকিব লগা হৈছিল। কেৱল উপাচাৰ্যগৰাকীকেই নহয়, কাৰ্যবাহী সদস্য সন্মানীয় কে'বাজনো বিভাগীয় মুৰব্বীক প্ৰায় একেদৰেই অপমানিত কৰা হ'ল। বাংলা ভাষাক অসমীয়াৰ লগতে শিক্ষাৰ মাধ্যম কৰাৰ বাবে অসমীয়া ভাষাৰ মৰ্যাদা হ্ৰাস নহ'লেও ছাত্ৰ-ছাত্ৰীসকলৰ এটা চাম আৱেগিক হৈ পৰিছিল আৰু সেই আৱেগ প্ৰায় সকলোলৈকে প্ৰৱাহিত হৈ গণ উন্মাদনাৰ ৰূপ লৈছিল। স্বাভাৱিক অৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে অৱশ্যেই সকলো শিক্ষাগুৰু তথা উপাচাৰ্যক বাৰুকৈয়ে সন্মান কৰিছিল, কাৰণ আজি-কালিৰ দৰে তেতিয়া অসমত এসোপামান বিশ্ববিদ্যালয় নাছিল, ত্ৰিপুৰাক বাদ দি বাকী উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গুৱাহাটী ডিব্ৰুগড় বিশ্ববিদ্যালয়েই ভৰসা আছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে তেতিয়া গুৱাহাটীখনৰ দৰে বিশালতা লাভ কৰা নাছিল। সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু অধ্যাপক-অধ্যাপিকা সকলক সকলোৱেই যথেষ্ট সন্মান দিছিল, স্বাভাৱিক অৱস্থাত অপমানৰ কথাটো অকল্পনীয়।



কে'বাগৰাকী অধ্যাপকক অপমান কৰাৰ পাছত সমদলটো আগবাঢ়িল ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ বাসভৱনলৈ। বোধহয় সেইদিনা ছাৰৰ প্ৰথম কন্যা সন্তানৰ জন্ম হোৱা পাঁচদিনহে হৈছিল। আনসকল অধ্যাপক আৰু উপাচাৰ্য প্ৰথমে কোঠাৰ বাহিৰলৈও ওলাই নহাৰ বিপৰীতে শইকীয়া ছাৰ নিজেই আহি গেটৰ ওচৰত থিয় হ'ল আৰু উদাত্ত কণ্ঠেৰে ছাত্ৰ-ছাত্ৰীসকলক ধমকি দিয়াৰ সুৰত ক'লে যে তেওঁ অসমীয়া ভাষাৰ বাবে অহৰ্নিশে লাগি আছে, অসমীয়া পাঠ্যপুথি প্ৰস্তুতকৰণৰ ব্যৱস্থা লৈছে (বোধহয় ছাৰ তেতিয়া অসম পাঠ্যপুথি নিগমৰ অধ্যক্ষ আছিল), তেনে এজনক অভিযুক্ত কৰাটো উচিত হোৱা নাই। শামুকৰ মুখত নিমখ পৰাৰ দৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে মন্ত্ৰমুগ্ধভাৱে ছাৰৰ যুক্তি শুনিবলৈ ধৰিলে আৰু এসময়ত ছাৰে ক'লে যে অসমীয়া ভাষাৰ ভালৰ কাৰণে তেওঁকে ধৰি বিশ্ববিদ্যালয়ৰ সকলোৱেই চেষ্টা কৰি যাব। অভিযান তাতে সমাপ্ত কৰি ছাত্ৰ-ছাত্ৰীসকল হোষ্টেললৈ উভতিল। পিছদিনাৰ পৰা অৱশ্যে ভাষা আন্দোলন সমগ্ৰ অসমতে বিয়পি পৰিল। ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াৰ সপক্ষে আৰু বাংলাৰ বিপক্ষে, সেইদৰে বৰাকত বাংলাৰ সপক্ষে আৰু অসমীয়াৰ বিপক্ষে আন্দোলন চলিল। পাহাৰীয়া ৰাজ্য আৰু জিলাবোৰ অৱশ্যেই নিৰপেক্ষ হৈ ৰ'ল। এই আন্দোলনতো গণ উন্মাদনাই বহু ধন-জনৰ ক্ষতি কৰিছিল।

অসম আন্দোলনৰ কালত '৮৩ত হোৱা নেলীৰ হত্যাকাণ্ড অসমৰ বাবে মচিব নোৱৰা ক'লা অধ্যায়। এই হত্যাকাণ্ড ঘটোৱাসকল কোনোকালেই হত্যাকাৰী নাছিল, যিসকলক হত্যা কৰা হ'ল, সেইসকলৰ প্ৰতিও মাৰি পেলাব লগাকৈ কাৰো ক্ষোভ নাছিল। তথাপি ক্ষন্তেকীয়া উন্মাদনাই সকলোকে একোজন অসুৰ কৰি তুলিছিল। এটা ন্যায্য দাবীৰ বাবে অসমৰ ৰাইজে ১৯৭৯ৰ পৰা তেতিয়ালৈকে প্ৰায় চাৰি বছৰ কাল বিভিন্ন ধৰণে প্ৰায় শান্তিপূৰ্ণ আন্দোলন কৰি আছিল। তদানীন্তন কেন্দ্ৰীয় চৰকাৰে আৰু দেশৰ অন্য ঠাইত বহুতেই আন্দোলনটোক ঠাট্টা-মস্কৰাৰে অৱজ্ঞা কৰিছিল। তাৰ পাছত কেন্দ্ৰই অবৈধ বুলি ভবা নিৰ্বাচনৰো আয়োজন কৰিলে। এনে অৱস্থাত যিসকলে অসমৰ পৰা বিদেশী খেদিব পাৰিব বুলি দৃঢ় বিশ্বাসেৰে আন্দোলনত ভাগ লৈছিল, তেওঁলোকৰ ধৈৰ্যৰ ছেফ্‌টি ভাল্‌ভ উৰি গৈছিল আৰু মাৰি-কাটিয়েই বিদেশী বুলি ভবাসকলক আঁতৰাব পাৰিম বুলি বিশ্বাস কৰিবলৈ লৈছিল। উত্তেজিত জনতাৰ ধৈৰ্যৰ বান্ধ ছিগি যোৱাটো সদায়েই বিপজ্জনক হৈ পৰে।

গণ উন্মাদনাই ভয়ংকৰ ৰূপ লোৱাৰ অজস্ৰ উদাহৰণ দিব পাৰি, যিবোৰৰ সামগ্ৰিক ফলাফল অৱশ্যেই ঋণাত্মক। এনে উন্মাদনাই সাধাৰণতে কাকো সহায় নকৰে। অৱশ্যে স্বাৰ্থজড়িত মহলে কৃত্ৰিমভাৱেই হওক বা বাস্তৱিকতেই হওক— গণ উন্মাদনাৰ সৃষ্টি কৰি বিশেষ উদ্দেশ্য সাধন কৰে। অসম আন্দোলনৰ ব্যাপকতাই গোটেই পৃথিৱীকে সচেতন কৰিছিল; কিন্তু ইয়াৰ ফল হ'লগৈ বিৰাট এটা শূন্য, অসম চুক্তি নামৰ অশ্বডিম্বটোৱে অসমক কোনো ধৰণে সহায় নকৰিলে। আন্দোলনৰ নামত এচাম উচ্চাকাংক্ষী নেতাই ৰাজসিক সুখ-স্বাচ্ছন্দ্য লাভ অৱশ্যেই কৰিলে।

আৱেগৰ পৰা সৃষ্ট গণ উন্মাদনাৰ প্ৰসংগ অনা হৈছে সন্ত্ৰাসৰ বিষয়টো প্ৰতিভাত কৰিবলৈ। অসম আন্দোলনত মাজে-সময়ে হোৱা হিংসাত্মক ঘটনাবোৰ অৱশ্যে সন্ত্ৰাসবাদৰ উদাহৰণ নহয়। আনহাতে, আন্দোলনটোৰ গইনা লৈ সন্ত্ৰাসবাদী সংগঠনৰো সৃষ্টি হ'ল। উত্তৰ-পূৰ্বাঞ্চলত এনেয়েও বিচ্ছিন্নতাবাদী সংগঠনৰ অভাৱ নাছিল। নাগালেণ্ডত স্বাধীনতাৰ সময়ৰ পৰাই আছিল, সেইদৰে মণিপুৰ, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা আদিতো স্বাধীনতাৰ পাছৰ পৰাই এনেবোৰ সংগঠনৰ সৃষ্টি হৈছিল। অসমত সংযুক্ত মুক্তি বাহিনীৰ বাদেও বিএলটি, এনডিএফবি ধৰণৰ সংগঠন হ'ল। ৰাষ্ট্ৰসংঘৰ 'সন্ত্ৰাসবাদ'ৰ সংজ্ঞামতে এইবোৰ সন্ত্ৰাসবাদী সংগঠন নহয়, কাৰণ এওঁলোকে স্বঘোষিতভাৱে স্বাধীনতাৰ বাবে যুঁজ কৰিছে প্ৰচলিত চৰকাৰসমূহৰ বিৰুদ্ধে। ইয়াৰ বিপৰীতে সংগঠনবোৰে কৰা কাৰ্যকলাপ অৱশ্যে দেশবাসীৰ বাবে সন্ত্ৰাসবাদী কাৰ্য। নক'লেও হ'ব যে এইবোৰ সংগঠন ক্ষন্তেকীয়া বা দীৰ্ঘম্যাদী গণ উন্মাদনাৰ ফলত সৃষ্টি হোৱা নহয়, সেয়েহে এইবোৰে জাতীয় জীৱনত পেলোৱা প্ৰভাৱো সুদূৰপ্ৰসাৰী।

লাডেন আৰু সহযোগীসকলে সৃষ্টি কৰা সকলোতকৈ ভয়ংকৰ সন্ত্ৰাসবাদী সংগঠন 'অল-কায়দা'ৰ আৱিৰ্ভাৱ হৈছিল আমেৰিকাৰ আগ্ৰাসনৰ বিৰোধিতা কৰিবৰ বাবে। পিছে লাডেনে তাতে মুছলিম মতাদৰ্শ নিজৰ সুবিধা হোৱাকৈ প্ৰৱিষ্ট কৰাৰ বাবে সংগঠনটো নেতা নিৰ্ভৰ নহৈ স্থায়ী হৈ পৰিল। অল-কায়দাৰ সৃষ্টিকৰ্তা লাডেনৰ মৃত্যু হোৱা ১১ বছৰ হ'ল যদিও সেইজনৰ মতাদৰ্শৰ মৃত্যু হোৱা নাই। ইছলাম ধৰ্মৰ মৰ্যাদা লাডেনে ভবাৰ ধৰণে ৰক্ষা কৰিবলৈ অল-কায়দা আজিও দৃঢ়প্ৰতিজ্ঞ। সম্প্ৰতি পয়গম্বৰ হজৰত মহম্মদৰ বিৰুদ্ধে বিজেপিৰ মুখপাত্ৰই কৰা অশালীন মন্তব্যই মুছলিম বিশ্ব জোঁকাৰি যোৱাৰ সময়ত অল-কায়দাইও ব্যৱস্থা লোৱাৰ ধমকি দিছে।

অসম, ভাৰত তথা সমগ্ৰ বিশ্বত সন্ত্ৰাসবাদী কাৰ্য চলাই থকা সংগঠনবোৰে গণ উন্মাদনা অৱশ্যে ব্যৱহাৰ কৰে নিজৰ সুবিধাৰ বাবে; কিন্তু এইবোৰ ক্ষন্তেকীয়া উন্মাদনাৰ বাবে সৃষ্টি হোৱা নাই।

ওপৰত উল্লেখ কৰি অহা বিশ্ববিদ্যালয় আৰু নেলীৰ ঘটনা দুটা আছিল ক্ষন্তেকীয়া গণ উন্মাদনাৰ ফল। ঘটনা দুটা গৰিহণা যোগ্য হ'লেও এইবোৰে স্থায়ী সন্ত্ৰাসবাদৰ জন্ম দিয়া নাছিল। পিছে গণ্ডগোলীয়া কথাটো হ'ল— য'তে-ত'তে চলি থকা গণ উন্মাদনাবোৰৰ পৰা কেতিয়াবা ৰাষ্ট্ৰই, কেতিয়াবা বিৰোধীয়ে, কেতিয়াবা সুবিধাবাদীয়ে আৰু কেতিয়াবা উগ্ৰবাদী সংগঠনে সুবিধা লয়। উত্তেজিত জনতাৰ মাজত 'নিজৰ' মানুহ সুমুৱাই দি ঘটনাৰ ফল নিজৰ সপক্ষে কৰি লয়। ৰাষ্ট্ৰৰ শাসকীয় দলে তেনে সুবিধা ল'লে তাৰ পৰাই সৃষ্টি হয় ৰাষ্ট্ৰীয় সন্ত্ৰাস। ৰাষ্ট্ৰ সন্ত্ৰাসবাদী হ'লে ক্ষমতা বিশেষ দলে লাভ কৰি থাকিব ঠিকেই; কিন্তু ইয়াৰ যোগেদি সাধাৰণ ৰাইজৰ বাৰুকৈয়ে অনিষ্ট হ'ব। *ফোন : ৮১৩৫৮৩৫২১৯*

# গুণোৎসৱৰ আৰু চৰকাৰী বিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল

**অভিমত**

**শিক্ষা** দান আৰু শিক্ষা গ্ৰহণৰ ওপৰত নিৰ্ভৰ কৰিহে শিক্ষাৰ শুভফল লাভ কৰিব যে পাৰি, তাক কোনেও নুবুজা নহয়। চৰকাৰী বিদ্যালয়বোৰৰ মৌলিক অসুবিধাবোৰ কি কি, সিবোৰ চিহ্নিত কৰি, তাৰ নিৰাময় কৰাটোত প্ৰয়োজনীয় পদক্ষেপ লোৱা বিবেচিত। আমি দেখি আহিছো যে চৰকাৰী বিদ্যালয়ৰ বেছি সংখ্যকৰে ঘৰ-দুৱাৰবোৰ ভালে থকাৰ পাছতো, সিবোৰ ভাঙি, তাৰ ঠাইত নতুন নতুন আৰ্হিৰ অট্টালিকা নিৰ্মাণ কৰা হৈছে। পুৰণি অসম আৰ্হিৰ ঘৰবোৰ আমাৰ অপছন্দ হ'ল। ইয়াৰ সৰলাৰ্থ এইটোৱেই যে আমি আমাৰ ঐতিহ্য ৰক্ষাৰ প্ৰতি দায়বদ্ধ নহয়। আমি বহিঃসৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত হৈ, নিজৰ অস্তিত্বক এলাগীকৰণত আগ্ৰহী হৈ নিচিন্তে আমাৰ অভিলাষ পূৰণ কৰাৰ বাবে উদ্যম লৈছো; কিন্তু আমি আমাৰ কৰ্তব্য পৰায়ণতাৰ পিনে লাহে লাহে যে পিঠি দিছো, তাক আমি অস্বীকাৰ কৰিব পাৰোনে? তাৰ জ্বলন্ত উদাহৰণ চৰকাৰী বিদ্যালয়ৰ ১৬৪ খনৰে এই বেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল শূন্য হোৱা। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা বহু থকাৰ পাছতো, পৰীক্ষাৰ ফল হতাশজনক হোৱাটোক শিক্ষকৰ শিক্ষাদান কাৰ্যত অৱহেলা কৰা বুলিয়ে ভাবিব পাৰো। শিক্ষকৰ কৰ্তব্য পৰায়ণতাৰ প্ৰতি হেমাহিকৰণ, জ্ঞান অৰ্জনৰ প্ৰতি অনীহাৰ সৃষ্টি হোৱা সমৰ্থিত। আজিৰ শিক্ষকে সকলো সুবিধা লাভ কৰিছে, যাৰ ফলত আৰামী আৰু বিলাসী জীৱন-যাপন কৰাৰ প্ৰতি আসক্ত হ'ল। আজিৰ শিক্ষকে যান-বাহনৰ পৰা স্কুল ঘৰৰ পিৰালিত খোজ পেলায় আৰু তাৰ পৰাই ঘৰলৈ উভতি, ঘৰৰ পিৰালিত শেষ খোজ থয়। য'ত আগৰ শিক্ষকৰ জীৱন-যাত্ৰা-প্ৰণালী আছিল যোৱা-অহা, শিক্ষাদান সকলো প্ৰক্ৰিয়া অতি কষ্টকৰ। চৰকাৰে স্কুল নামৰ শিক্ষানুষ্ঠানৰ অভাৱ মোচন কৰিছে, এতিয়া চৰকাৰে নিজৰ উদ্যমত বিদ্যালয় স্থাপন কৰিব লৈছে; কিন্তু চৰকাৰে শিক্ষাদান আৰু গ্ৰহণত উদ্ভৱ হোৱা প্ৰতিচ্ছবিখনৰ প্ৰতি দৃষ্টিপাত নকৰা যেন লাগে। স্কুল ঘৰ উন্নত হোৱাই পৰীক্ষাৰ ফলাফলত সহায় নকৰে যে তাৰ প্ৰমাণ গৰিব-নিছলা লোকৰ পঁজা ঘৰত বাস কৰা, কোনো সুবিধা নোপোৱা ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ সাফল্যৰ ছবিখনে প্ৰমাণ নকৰে জানো?



প্ৰায় সকলো চৰকাৰী কামতে হেমাহি বা গাফিলতিয়ে চৰকাৰী কামৰ শুভফল প্ৰাপ্তিৰ অন্তৰায় হোৱা স্বীকাৰ কৰিবলগীয়া। চৰকাৰী স্কুলৰ পৰীক্ষাৰ ফলাফল নিম্নগামী হোৱাৰ মূলতে চৰকাৰী শিক্ষক-শিক্ষয়িত্ৰীৰ কৰ্তব্য নিষ্ঠাৰ অভাৱ হোৱা। আজিৰ শিক্ষক অসাধাৰণ শ্ৰেণীৰ কৃতিত্বৰ শাৰীৰ পৰা অপসাৰিত হৈ সৰ্বসাধাৰণ শ্ৰেণীৰ লগত মিলি গ'ল। ভাল ছাত্ৰ-ছাত্ৰী গঢ়িবলৈ যেন আজি বহুতৰে অনীহা। যোৱা লকডাউনৰ সময়ছোৱাত বিপৰ্যস্ত হোৱা ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগ্ৰহণৰ পৰিৱেশ সৃষ্টিশীলতালৈ পৰ্যবসিত কৰাৰ গুৰু দায়িত্ব, গুৰুসকলৰ। আনহাতে, বহু চৰকাৰী বিদ্যালয়ত দীৰ্ঘদিন ধৰি শিক্ষকৰ অভাৱ হৈ থকাত শিক্ষাদান প্ৰক্ৰিয়াত ব্যাঘাত জন্মাও সত্য। আজিও বহু বিদ্যালয়ত অৱসৰ পোৱা শিক্ষকৰ স্থানত শিক্ষক নিয়োগ কৰা হোৱা নাই। কিছু সংখ্যক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ শিক্ষকৰ সংখ্যা বহু বেছি। এইবোৰ বৈষম্য আঁতৰ কৰাত বিলম্বৰ স্থান থাকিব নালাগে। আজি-কালি চৰকাৰী বিদ্যালয়ত বিদ্যালয় পৰিদৰ্শকৰ পৰিদৰ্শন নোহোৱা হ'ল। অভিভাৱকৰো সজাগতাৰ অভাৱ থকা দেখা যায়। চৰকাৰী সুবিধাবোৰ সকলো বিদ্যালয়ে সমানে লাভ নকৰা আৰু একে সময়তে চৰকাৰে প্ৰদান নকৰাটোও চৰকাৰী কাৰ্যৰ বিফলতাত ইন্ধন যোগাইছে বুলি ভবাৰ স্থল আছে। আমাৰ বোধেৰে চৰকাৰী শিক্ষকৰ হেৰুওৱা গৌৰৱ ওভতাই অনাত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰাটো, গুৰুত্বপূৰ্ণ বিষয়। গুণোৎসৱৰ প্ৰয়োজন ক'ত?

'বিদ্যয়া বিন্দতে অমৃতম্' হোৱাৰ কামনাৰে। ১৬৪খন চৰকাৰী বিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল শূন্য হোৱাত, চৰকাৰে সেইবোৰ বিদ্যালয়ৰ বিৰুদ্ধে, কি ব্যৱস্থা গ্ৰহণ কৰে, আমি তাৰেই অপেক্ষাত থাকিলো।

**কেশৱ শৰ্মা**

*ফোন : ৯৪০১৮৭৯৪০৮*

# জনগোষ্ঠীয় সাহিত্য সভাক লৈ অসম সাহিত্য সভাৰ কৰণীয়

**গোপাল জালান**



**অসম** বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই বৰ অসমত প্ৰায়ভাগ জাতি-জনজাতি, জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। সকলোৱে ভ্ৰাতৃত্ববোধৰ মনোভাবেৰে বসবাস কৰাৰ নজিৰ আছে। বিগত সময়ছোৱাত তাৰেই প্ৰতিফলন ঘটিছে। ৰাজ্যখনত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰেই আছে নিজা নিজা পৰিচয়। ভাষা-সাহিত্য, সংস্কৃতিত আছে স্বকীয় ৰূপ। এইবোৰক লৈ সকলোৱে গৰ্ববোধ কৰাও দেখা যায়। সময়ৰ লগে লগে প্ৰায়ভাগ জনগোষ্ঠীৰ লোকে সাহিত্য তথা সাংস্কৃতিক অধিবেশনৰ আয়োজন কৰি আহিছে। বড়ো, ৰাভা, মিচিং, শৰণীয়া কছাৰী, চাওতালী, কাৰ্বি, সোণোৱাল কছাৰী, দেউৰী, টাই আদি জনগোষ্ঠীয় লোকৰ নিজা নিজা সাহিত্য আছে। সকলোৱে বছৰটোৰ বিভিন্ন সময়ত সাহিত্য সভাৰ আয়োজন কৰিছে। নিজৰ সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিলেও কিছুমান কাৰণত ইয়াৰ প্ৰসাৰ সীমিত হৈ আছে। অৱশ্যে বৰ্তমানলৈকে এইবোৰৰ কাৰণ বিশ্লেষণো কৰা হোৱা নাই। প্ৰতিটো জনগোষ্ঠীয়ে সময়ে সময়ে সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত কৰিছে। পিছে এইবোৰৰ প্ৰচাৰ আৰু প্ৰসাৰ উপযুক্তভাৱে নোহোৱা বাবে বহুতে গমেই নাপায় যে সাহিত্য সভা অনুষ্ঠিত হৈছে। বড়ো সাহিত্য সভা, গোৰ্খা সাহিত্য সভা আদিয়ে কিছু প্ৰসাৰ আৰু গুৰুত্ব লাভ কৰিলেও আন সাহিত্য সভাৰ ক্ষেত্ৰত প্ৰভাৱ দেখা নাযায়। অৱশ্যে জনসংখ্যাৰ দিশৰ পৰা বিষয়টো বিশ্লেষণ কৰিলে দেখা যায় যে সীমিত সংখ্যক লোকেহে এনে অধিবেশনত অংশগ্ৰহণ কৰে। শেহতীয়াভাৱে বড়ো সাহিত্য সভাই সকলোৰে বিশেষ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

অসমত অসম সাহিত্য সভাৰ এক সুকীয়া স্থান আছে। শতবৰ্ষ অতিক্ৰম কৰা অসম সাহিত্য সভাৰ গুৰুত্ব উপলব্ধি কৰিয়েই ইয়াৰ শাখা বিদেশতো আৰম্ভ হৈছে। আমেৰিকা, ইংলেণ্ড আদিতো আছে অসম সাহিত্য সভাৰ শাখা। তদুপৰি অসম সাহিত্য সভাৰ অধিবেশনক লৈ আজিও আছে ৰাজ্যবাসীৰ বাবে এক সুকীয়া আকৰ্ষণ। সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন মানেই দুমাহ-তিনিমাহ আগৰে পৰাই প্ৰস্তুতি। এনে প্ৰস্তুতিয়ে ৰাজ্যবাসীৰ মনত সৃষ্টি কৰে এক নতুন লহৰৰ। অধিবেশন অনুষ্ঠিত কৰাক লৈ অঞ্চলবাসী ৰাইজৰ মাজতো থাকে বিশেষ উৎসাহ-উদ্দীপনা। সকলোৱে এনে অধিবেশনক লৈ ব্যস্ততাৰ অন্ত নাই। অসম সাহিত্য সভাৰ পৰিসৰ বিশ্বৰ যিকোনো সাহিত্যৰ অনুষ্ঠানৰ স'তে ফেৰ মাৰিব পৰা বিধৰ। তদুপৰি বিশ্বৰ সাহিত্য অনুষ্ঠানৰ অধিবেশনত অসম সাহিত্য সভাৰ অধিবেশনৰ দৰে লাখ লাখ লোকৰ সমাৱেশ হোৱাৰ নজিৰ নাই। গতিকে অসম সাহিত্য সভাৰ পতাকাৰ তলত যদি সকলো জাতি-জনগোষ্ঠীৰ সাহিত্য সভাই থিয় হৈ এক উমৈহতীয়া কাৰ্যসূচী গ্ৰহণ কৰে তেতিয়াহ'লে প্ৰতিখন সাহিত্য সভাৰ প্ৰসাৰ নিশ্চয় বৃদ্ধি পাব। তদুপৰি এখন উমেহতীয়া মঞ্চত অধিবেশন অনুষ্ঠিত কৰিলে সকলোৱে লাভান্বিত হ'ব। তদুপৰি এখন বৃহৎ পৰিসৰৰ মঞ্চত ৰাজ্যখনৰ সৰ্বাংগীণ উন্নতিৰ বাবে কিছুমান পদক্ষেপো গ্ৰহণ কৰিব লাগিব। প্ৰতিটো জাতি-জনগোষ্ঠীৰ সাহিত্যৰ উন্নতি তথা ব্যাপক প্ৰসাৰৰ বাবে কিছুমান পৰিকল্পনা গ্ৰহণ কৰাটো সম্ভৱ হ'ব। যিহেতু অসম সাহিত্য সভা এখন শক্তিশালী সাহিত্য অনুষ্ঠান সেয়েহে ইয়াৰ বেনাৰত আন জাতি-জনগোষ্ঠীয় সাহিত্য সভাই কাম কৰাত বিশেষ সমস্যাৰ সৃষ্টি নহ'ব। অসমত এতিয়া এখন শক্তিশালী উমৈহতীয়া সাহিত্য সাংস্কৃতিক মঞ্চৰ প্ৰয়োজন হৈছে। কাৰণ ভাঙোনমুখী সমাজখনক একত্ৰিত আৰু শক্তিশালী কৰিবলৈ হ'লে এখন অতি শক্তিশালী মঞ্চৰ অতিকৈ প্ৰয়োজন। বিভিন্ন কাৰণত সমাজখন ভাঙোনমুখী হ'বলৈ ধৰিছে। বৰ অসমৰ সমাজখন বিভিন্ন কাৰণত ক্ষুদ্ৰ হৈ পৰিল। বিভিন্ন ঠাইত আৰম্ভ হ'ল স্বায়ত্ত শাসন। ফলত কিছু কিছু অঞ্চল তেনেই সীমিত হ'ল। এনে কাৰণতে মানুহৰ মনবোৰো ভাঙোনমুখী হ'বলৈ ধৰিছে। হয়তো এনে পৰিস্থিতি কোনোৱেই আশা কৰা নাছিল। সংকীৰ্ণতাৰ পৰিধি ভাঙি আমি সকলোৱে এখন মঞ্চত থিয় হৈ সকলো সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিব লাগিব ভৱিষ্যত প্ৰজন্মৰ সুৰক্ষাৰ বাবে।

অতি সম্প্ৰতি অসম সাহিত্য সভাই হ'ব এনে উমৈহতীয়া মঞ্চৰ সৰ্বোত্তম ক্ষেত্ৰ। সকলোৱে হাতে হাত ধৰি আগুৱাই গ'লে অসমৰ উন্নতি হ'ব। প্ৰতিটো জাতি-জনগোষ্ঠীৰ মংগলৰ বাবে এখন উমৈহতীয়া মঞ্চৰ জৰিয়তে অধিবেশন অনুষ্ঠিত কৰিব লাগিব। সকলোৱে মুকলি মনেৰে নিজৰ নিজৰ বিষয়সমূহ আলোচনা কৰিব পাৰিব। সকলো সমস্যা সমাধানৰ পথো নিশ্চয় ওলাব। তদুপৰি সকলোৱে মাজত ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় হ'ব। সকলোৱে সংকীৰ্ণতা পৰিহাৰ কৰি বিশাল ক্ষেত্ৰ এখনত আগবাঢ়ি যোৱাৰ পথ প্ৰশস্ত হ'ব।


*ফোন : ৯৪৩৫১-০৩৯৭৭*

## পুনৰ বিমান ইন্ধনৰ মূল্যবৃদ্ধি, ১৫ শতাংশলৈকে বৃদ্ধি পাব বিমান ভাড়া



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ জুন ঃ** আজিৰে পৰা বিমানৰ ইন্ধনৰ মূল্য ১৬.৩ শতাংশ বৃদ্ধি পালে। মূল্যবৃদ্ধিৰ ফলত দিল্লীত প্ৰতি কিলোলিটাৰ বিমান ইন্ধনৰ মূল্য ১,৪১,২৩২.৮৭ টকা হ'ল। বিমান ইন্ধনৰ এই মূল্যবৃদ্ধিৰ ফলত ভাৰতত পুনৰ বিমানৰ টিকটৰ মূল্য বৃদ্ধিৰ সম্ভাৱনা প্ৰকট হৈছে। স্পাইচজেটৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি বিমানৰ ইন্ধনৰ মূল্যবৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিমানৰ টিকটৰ মূল্য সৰ্বনিম্ন ১০ শতাংশৰ পৰা সৰ্বাধিক ১৫ শতাংশলৈকে বৃদ্ধি কৰা হ'ব পাৰে।

## ২৪ ঘণ্টাত দেশত ৩৮ শতাংশ বৃদ্ধি দৈনিক সংক্ৰমণ, মৃত্যু ১১ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ জুন ঃ** দেশত পুনৰ ক'ভিডৰ সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিলে। ১০৯ দিনৰ পাছত ভাৰতত বিগত ২৪ ঘণ্টাত দৈনিক ক'ভিড সংক্ৰমণে ১০ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশত ১২,২১৩ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। সংক্ৰমণৰ হাৰ বুধবাৰৰ তুলনাত ৩৮.৪ শতাংশ বৃদ্ধি পালে। ইফালে, যোৱা ২৪ ঘণ্টাত ক'ভিডত দেশৰ বিভিন্ন ৰাজ্যত প্ৰাণ হেৰুৱালে ১১ জন লোকে। দেশৰ ভিতৰত মহাৰাষ্ট্ৰ, দিল্লী, তামিলনাডু, তেলেংগানা, পশ্চিমবংগ আৰু গুজৰাটত ক'ভিডৰ সংক্ৰমণৰ হাৰ বৃদ্ধি পাইছে। মহাৰাষ্ট্ৰত ৪,০২৪, দিল্লীত ১৩৭৫, পশ্চিমবংগত ২৩০, তেলেংগানাত ২০৫ আৰু গুজৰাটত ১৮৪ জন লোক বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল।

## আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগত গুৰুত্বপূৰ্ণ পদত নিযুক্ত ভাৰতীয় বংশোদ্ভূত ৰাধা




**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৬ জুন ঃ** পেণ্টাগনৰ গুৰুত্বপূৰ্ণ পদত ভাৰতীয় বংশোদ্ভূত ৰাধা আয়েংগাৰ প্লাম্বক মনোনীত কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। যোৱা বুধবাৰে প্ৰতিৰক্ষা বিভাগৰ ডেপুটি আণ্ডাৰ ছেক্ৰেটেৰী পদত নিযুক্তি লাভ কৰিলে ৰাধাই। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী ৰাধাই পূৰ্বে লণ্ডন স্কুল অব্ ইকনমিক্সত শিক্ষকতা কৰিছিল। আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগত যোগদানৰ পূৰ্বে তেওঁ গুগলত কৰ্মৰত হৈছিল। অৰ্থনীতিৰ ছাত্ৰী ৰাধা আন্তৰ্জাতিক নিৰাপত্তা সংক্ৰান্ত সমস্যা, অস্ত্ৰ আৰু সামৰিক সৰঞ্জাম বিষয়ক আন্তৰ্জাতিক ব্যৱসায় আৰু প্ৰতিৰক্ষা বিভাগৰ পৰিসংখ্যা বিশ্লেষণৰ ক্ষেত্ৰত বিশেষজ্ঞ হিচাপে পৰিচিত।

## দেশবাসীক চাহ কমকৈ পান কৰিবলৈ আহ্বান পাকিস্তানী মন্ত্ৰীৰ, কিন্তু কিয় ?

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৬ জুন ঃ** পাকিস্তানৰ পৰিকল্পনা বিষয়ক মন্ত্ৰী এহছান ইকবালে সংবাদমেলৰ জৰিয়তে দেশবাসীক কমকৈ চাহ পান কৰিবলৈ আহ্বান জনালে। সংবাদমেলত মন্ত্ৰীজনে কয় যে পাকিস্তানীসকলে এক-দুই কাপ চাহ প্ৰতিদিনে কমাই পান কৰা উচিত। কিন্তু কিয় এই আহ্বান জনালে প্ৰধানমন্ত্ৰীজনে? ইকবালে কয় যে যিহেতু পাকিস্তানে চাহ আমদানি কৰি আহিছে, সেয়েহে দেশবাসীয়ে প্ৰতিদিনে কম পৰিমাণে চাহ পানৰ অভ্যাস গঢ়ে, তেন্তে চাহৰ আমদানি ব্যয় হ্ৰাস পাব আৰু দেশৰ বৈদেশিক মুদ্ৰা ৰাহি হ'ব। পাকিস্তানৰ আৰ্থিক দুৰ্গতিক লৈ একাধিক বাতৰি সময়ে সময়ে প্ৰচাৰিত হৈ আহিছে। ইমৰান খান ক্ষমতাত থকাৰ সময়ত দেশৰ চৰকাৰী সম্পত্তি বিক্ৰী কৰাক লৈও বিতৰ্কৰ সৃষ্টি হৈছিল। এইবাৰ চাহ পানক লৈ নতুন বিতৰ্কৰ সৃষ্টি হ'ল। প্ৰতিবেদনৰ তথ্য অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষত পাকিস্তানে ৮৩.৩৩ বিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ চাহ ক্ৰয় কৰিছিল। সংবাদমেলত মন্ত্ৰী ইকবালে কয়, 'আমি দেশবাসীক আহ্বান জনাইছো যাতে তেওঁলোকে দৈনিক এক-দুকাপ চাহ কমকৈ পান কৰে। কাৰণ আমি চাহ আমদানি কৰাৰ বাবে ঋণ গ্ৰহণ কৰিছো।' মন্ত্ৰীজনে লগতে কয় যে যেতিয়ালৈকে পাকিস্তানে নিজ দেশত প্ৰয়োজনীয় চাহৰ উৎপাদনত আত্মনিৰ্ভৰ হ'ব নোৱাৰে। তেতিয়ালৈকে দেশবাসীয়ে চাহ কমাই পান কৰিলে ইতিবাচক ঘটনা হ'ব।



## ১০ দিনত দ্বিতীয়বাৰলৈ পৰমাণু ক্ষেপণাস্ত্ৰৰ সফল উৎপেক্ষণ ভাৰতৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ জুন ঃ** ১০ দিন পূৰ্বে পৰমাণু অস্ত্ৰ বহনত সক্ষম অগ্নি-৪ বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ সফল উৎপেক্ষণ কৰিছিল ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। বুধবাৰে পৰমাণু অস্ত্ৰ বহনত সক্ষম পৃথ্বী-২ ক্ষেপণাস্ত্ৰৰ সফল উৎপেক্ষণ কৰিলে প্ৰতিৰক্ষা বিভাগে। কালি ওড়িছাৰ চন্দ্ৰপুৰত আধুনিক ক্ষেপণাস্ত্ৰটিৰ সফল উৎপেক্ষণ কৰা হৈছিল। ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধ আৰু চীনৰ স'তে সীমান্তত অশান্তি অব্যাহত থকাৰ মাজতে ভাৰতৰ এই ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি বুধবাৰে সন্ধিয়া ৭-৩০ বজাত পৃথ্বী-২ ক্ষেপণাস্ত্ৰৰ উৎপেক্ষণ কৰা হৈছিল আৰু এই ক্ষেপণাস্ত্ৰই নিৰ্ভুল লক্ষ্যত আঘাত হানিছিল। ভাৰতীয় প্ৰযুক্তিৰে তৈয়াৰী ভূমিৰ পৰা ভূমিত আঘাত হানিবলৈ সক্ষম এই ক্ষেপণাস্ত্ৰই সৰ্বাধিক ২৫০ কিলোমিটাৰ দূৰত্বভেদি লক্ষ্য স্থানত আক্ৰমণ কৰিব পাৰিব।

### বিশ্বত এক বিলিয়নৰো অধিক লোক খৰাংৰস্থাৰ দ্বাৰা প্ৰভাৱিত হৈছে

## খৰাংৰস্থাৰ কাৰণত ২০৫০ বৰ্ষলৈকে ২১.৬ কোটি লোকে ত্যাগ কৰিব লাগিব পাৰে বাসগৃহ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ জুন ঃ** ৰাষ্ট্ৰসংঘই এক প্ৰতিবেদনত আগন্তুক সময়ত জলবায়ু পৰিৱৰ্তনৰ ফলত বিশ্বত খৰাংৰস্থাৰ পৰিস্থিতিয়ে অধিক ভয়াবহ ৰূপ ধাৰণ কৰিব বুলি শংকা ব্যক্ত কৰিছে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি, ২০০০ বৰ্ষৰ পৰা ২০১৯ বৰ্ষলৈকে সময়ছোৱাত বিশ্বত এক বিলিয়নৰো অধিক লোক খৰাংৰস্থাৰ দ্বাৰা প্ৰভাৱিত হৈছে। খৰাংৰস্থাৰ দ্বাৰা প্ৰভাৱিত দেশসমূহৰ ভিতৰত সৰহ সংখ্যক দেশেই হৈছে স্বল্প বিকশিত আৰু উন্নয়নশীল দেশ। তদুপৰি খৰাংৰস্থাৰ ফলত প্ৰভাৱিত হোৱা লোকসকলৰ সৰহ সংখ্যকেই হৈছে মহিলা আৰু যুৱতী। খৰাংৰস্থাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত দেশৰ মাজত ভাৰতো আছে। ভাৰতীয় কৃষিক্ষেত্ৰ মূলতঃ মৌচুমী বায়ুৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ আহিছে। ভাৰতৰ জলশক্তি মন্ত্ৰণালয়ৰ তথ্য অনুসৰি দেশৰ প্ৰায় ৬৮ শতাংশ অঞ্চল পৃথক পৰ্যায়ত খৰাংৰস্থাৰ সন্মুখীন হৈ আহিছে। ভাৰতৰ ৩৫ শতাংশ অঞ্চলত ৭৫০-১১২৫ মিলিমিটাৰ বৃষ্টিপাত হয় আৰু ৩৩ শতাংশ অঞ্চলত ৭৫০ মিলিমিটাৰতকৈ কম বৰষুণ হৈ আহিছে। এই ৩৩ শতাংশ অঞ্চল খৰাংৰস্থাৰ দ্বাৰা সৰ্বাধিক পীড়িত। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি কোনো অঞ্চলত স্বাভাৱিকতকৈ ২৬ শতাংশ কম বৃষ্টিপাত হ'লে উক্ত অঞ্চলত খৰাংৰস্থা হোৱা বুলি ধৰা হয়। বিশ্ববেংকৰ অনুমান অনুসৰি খৰাংৰস্থাৰ ফলত ২০৫০ বৰ্ষৰ ভিতৰত বিশ্বত ২১.৬ কোটি লোকে নিজৰ ঘৰ-বাৰী ত্যাগ কৰিবলৈ বাধ্য হ'ব পাৰে।



## অপ্ৰতিৰোধ্য মুদ্ৰাস্ফীতিঃ তিনি দশকত অভিলেখ হাৰত সুদ বৃদ্ধি আমেৰিকাত




**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৬ জুন ঃ** বিশ্বৰ অৰ্থনীতিত মাধমাৰ শোধালে কৰ'না মহামাৰীয়ে। ইয়াৰ পাছতে পৰিস্থিতি অধিক জটিল কৰি তুলিছে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই। সাম্প্ৰতিক বিশ্বত ইন্ধনৰ পৰা খাদ্যলৈকে সকলো সামগ্ৰীৰে অত্যধিক মূল্যবৃদ্ধি হৈছে। এনে পৰিস্থিতিত নজিৰবিহীন মুদ্ৰাস্ফীতিৰ সাক্ষী হ'ল আমেৰিকা। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ যোৱা বুধবাৰে সুদৰ হাৰ ৭৫ বেছিছ পইণ্ট বৃদ্ধি কৰিলে আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভে। বিগত ৩০ বছৰৰ পাছত ফেডাৰেল ৰিজাৰ্ভে এনে বিৰল পদক্ষেপ গ্ৰহণ কৰিলে। কেন্দ্ৰীয় বেংকৰ এই সিদ্ধান্তৰ ফলত আমেৰিকাত মুদ্ৰাস্ফীতিৰ হাৰ দুই শতাংশৰ ভিতৰত থাকিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ১৯৯৪ বৰ্ষৰ নৱেম্বৰত প্ৰথমবাৰ আমেৰিকাত কেন্দ্ৰীয় বেংকে সুদৰ হাৰ ৭৫ বেছিছ পইণ্টত বৃদ্ধি কৰিছিল। চলিত বৰ্ষৰ অন্তিম ভাগত মাৰ্কিন কেন্দ্ৰীয় বেংকৰ মুদ্ৰাস্ফীতিৰ সূচক ৫.২ শতাংশ বৃদ্ধি পাব পাৰে বুলি অনুমান কৰা হৈছে। যোৱা মে'ত আমেৰিকাত উপভোক্তা মুদ্ৰাস্ফীতি ১২ মাহৰ সৰ্বাধিক ৮.৬ শতাংশ হৈছিল। একে সময়তে পাইকাৰী মূল্য সূচকো দেশখনত বৃদ্ধি পাইছে। মূলতঃ ইন্ধনৰ মূল্যবৃদ্ধিৰ ফলতে আমেৰিকাত মুদ্ৰাস্ফীতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে।

## মধ্য প্ৰদেশৰ চৰকাৰী হাস্পতালৰ অধীক্ষকৰ বিৰুদ্ধে যৌন আতিশয্যৰ অভিযোগ ৫০ নাৰ্ছৰ



**নিউজ ব্যুৰ', ভূপাল, ১৬ জুন ঃ** মধ্য প্ৰদেশৰ ভূপালৰ হামিদিয়া হাস্পতালৰ অধীক্ষকৰ বিৰুদ্ধে একেলগে যৌন আতিশয্যৰ অভিযোগ উত্থাপিত কৰিলে ৫০ গৰাকী নাৰ্ছে। এইসকল নাৰ্ছৰ অভিযোগ অনুসৰি নিশা চিকিৎসালয়ত কৰ্মৰত হোৱাৰ সময়ত অধীক্ষক দীপক মাৰাভিয়ে তেওঁলোকক ধৰ্ষণ কৰিছিল। মাৰাভিৰ বিৰুদ্ধে ৫০ গৰাকী নাৰ্ছে এইদৰে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে হামিদিয়া হাস্পতাল হৈছে মধ্য প্ৰদেশৰ এখন বৃহৎ চৰকাৰী হাস্পতাল। মাৰাভিৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ সন্দৰ্ভত ১০ দিনৰ ভিতৰত অনুসন্ধান চলাই প্ৰতিবেদন দাখিল কৰিবলৈ মধ্য প্ৰদেশৰ স্বাস্থ্য আয়ুক্তক নিৰ্দেশ দিলে মধ্য প্ৰদেশ মানৱাধিকাৰ আয়োগে। ৰাজ্যখনৰ চিকিৎসা শিক্ষামন্ত্ৰী বিশ্বাস সাৰঙে প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিয়া হৈছে।

## ব্ৰিটেইনত ধৰ্ষণৰ গোচৰত ভাৰতীয় মূলৰ চিকিৎসকক চাৰি বছৰৰ কাৰাদণ্ড



**নিউজ ব্যুৰ' লণ্ডন, ১৬ জুন ঃ** ব্ৰিটেইনৰ এডিনবৰাত ভাৰতীয় মূলৰ এজন চিকিৎসকক এগৰাকী মহিলাক ধৰ্ষণ কৰাৰ গোচৰত আদালতে চাৰি বছৰত কাৰাদণ্ডৰ ৰায় দিলে। তিনি বছৰ পূৰ্বে সংঘটিত কৰা যৌন আতিশৰ্যৰ ঘটনাত জড়িত থকা ডাঃ মনেশ গিল নামৰ ৩৯ বছৰীয়া ভাৰতীয় মূলৰ চিকিৎসকজনক এখন স্কটিছ আদালতে দোষী সাব্যস্ত কৰি চাৰি বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। গিলৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অনুসৰি ২০১৮ৰ ডিচেম্বৰত অনলাইন ডেটিং এপৰ জৰিয়তে চিনাকি হোৱা এগৰাকী মহিলাক হোটেললৈ মাতি আনি ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

## ইউক্ৰেইনক পুনৰ এক বিলিয়ন ডলাৰৰ সাহায্য দিব বাইডেনে

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৬ জুন ঃ** ইউক্ৰেইনত পূব অঞ্চলত ৰুছ সেনাই আগ্ৰাসন অব্যাহত ৰখাৰ সময়তে দেশখনক পুনৰ এক বিলিয়ন ডলাৰৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিলে আমেৰিকাই। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে এই কথা ঘোষণা কৰি কয় যে হোৱাইট হাউছে ৰাছিয়াৰ আগ্ৰাসনৰ পৰা কীভক সুৰক্ষা প্ৰদান কৰিবলৈ পুনৰ এক বিলিয়ন ডলাৰৰ সাহায্য আগবঢ়াব। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে লগতে কয় যে আমেৰিকাই অস্ত্ৰ আৰু অন্যান্য সামৰিক সা-সঁজুলিৰ জৰিয়তে ইউক্ৰেইনক এক বিলিয়ন ডলাৰ মূল্যৰ সাহায্য প্ৰদান কৰিব। উল্লেখ্য যে এদিন পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে আমেৰিকা আৰু পশ্চিম বিশ্বৰ পৰা পুনৰ অস্ত্ৰ সাহায্য বিচাৰিছিল। ৰাছিয়াক প্ৰতিৰোধৰ ক্ষেত্ৰত ইউক্ৰেইনত যুদ্ধাস্ত্ৰৰ অভাৱ ঘটা বুলি জানিবলৈ দি জেলেনস্কিয়ে পশ্চিম বিশ্বৰ এই দিশত সাহায্য বিচাৰিছিল। জেলেনস্কিৰ এই আহ্বানৰ পাছত হোৱাইট হাউছে আকৌ এবাৰ কীভক সহযোগিতা আগবঢ়োৱাৰ সিদ্ধান্ত ল'লে।



## পাকিস্তানৰ গভীৰ ইন্ধন সংকট, পেট্ৰ'ল-ডিজেলৰ মূল্য হ'ল আকাশলংঘী



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৬ জুন ঃ চৰম বিদ্যুৎ সংকটৰ সন্মুখীন হোৱা পাকিস্তানত ইন্ধনৰ নাটনিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। শেহতীয়াভাৱে দেশখনত প্ৰতি লিটাৰ ডিজেলৰ মূল্য ৫৯.৬১ তথা আৰু পেট্ৰ'লৰ মূল্য ২৪.০৩ টকা বৃদ্ধি পালে। বৰ্তমানে পাকিস্তানত এক লিটাৰ পেট্ৰ'লৰ মূল্য ২৩৩.৮৯ টকা হৈছে। একেদৰে প্ৰতিলিটাৰ ডিজেলৰ মূল্য ২৬৩.৩১ টকালৈ বৃদ্ধি পালে। এই মূল্যবৃদ্ধিৰ ফলত দেশখনত পেট্ৰ'ল-ডিজেলৰ মূল্যই নতুন অভিলেখ ৰচিলে।**

## ছিংগাপুৰত এবছৰত ১৪ হেজাৰ পুৰুষে ত্যাগ কৰিলে চাকৰি ঃ পত্নী কৰ্মক্ষেত্ৰত ব্যস্ত, স্বামীয়ে চম্ভালিছে ঘৰ

**নিউজ ব্যুৰ', ছিংগাপুৰ, ১৬ জুন ঃ** ছিংগাপুৰত পৰিয়াল পৰিচালনাৰ ক্ষেত্ৰত এক নতুন ধাৰাৰ সৃষ্টি হৈছে। ছিংগাপুৰবাসী এক বৃহৎ সংখ্যক পুৰুষে এতিয়া চাকৰি ত্যাগ কৰি ঘৰ তথা পৰিয়াল পৰিচালনাত নিজকে নিয়োগ কৰিছে। ইয়াৰ বিপৰীতে ধন উপাৰ্জন তথা চাকৰি কৰাৰ দায়িত্ব পালন কৰিছে মহিলাই। ছিংগাপুৰৰ মানৱ সম্পদ বিভাগৰ তথ্য অনুসৰি বিগত এবছৰত ১৪,১০০ জন পুৰুষে চাকৰি ত্যাগ কৰিলে। এইসকল পুৰুষে প্ৰকাশ কৰা অনুসৰি ঘৰুৱা কাম-কাজৰ দায়িত্ব পালনৰ বাবে তেওঁলোকে চাকৰি ত্যাগ কৰিবলৈ বাধ্য হ'ল। সম্প্ৰতি এইসকল পুৰুষে সন্তানৰ চোৱা-চিতাৰ পৰা ৰন্ধা-বঢ়া, ঘৰ পৰিষ্কাৰ কৰা আদিবোৰ কামত ব্যস্ত আছে। ইয়াৰ বিপৰীতে এইসকল পুৰুষৰ পত্নীয়ে চাকৰি কৰি পৰিয়াল পৰিচালনাৰ বাবে প্ৰয়োজনীয় ধন উপাৰ্জন কৰিছে। বিগত ১০ বছৰত ছিংগাপুৰত এইদৰে পৰিয়ালৰ কাম-কাজত ব্যস্ত হোৱা পুৰুষৰ সংখ্যা প্ৰায় দুগুণ বৃদ্ধি পালে। ২০১১ বৰ্ষত ছিংগাপুৰত পাৰিবাৰিক কাম-কাজৰ বাবে চাকৰি ত্যাগ কৰা পুৰুষৰ সংখ্যা আছিল ৬৭০০ জন। ইয়াৰ বিপৰীতে দেশখনত বিগত এক দশকত পাৰিবাৰিক কাৰণত চাকৰি ত্যাগ কৰা মহিলাৰ সংখ্যা ২৭ শতাংশ হ্ৰাস পালে। ২০১১ বৰ্ষত ছিংগাপুৰত পাৰিবাৰিক কাৰণত ৩,২৮,৪০০ মহিলাই চাকৰি ত্যাগ কৰিছিল। ২০২১ত পাৰিবাৰিক কাৰণত চাকৰিৰ পৰা অব্যাহতি লোৱা মহিলাৰ সংখ্যা ২,৩৯,১০০ গৰাকীলৈ হ্ৰাস পালে।




## কৰ'নাৰ মাজতে উত্তৰ কোৰিয়াত নতুন ৰোগৰ ব্যাপক সংক্ৰমণ



**নিউজ ব্যুৰ', পিয়ংইয়ং, ১৬ জুন ঃ** কৰ'না মহামাৰীৰ আতংকৰ মাজতে উত্তৰ কোৰিয়াত এক নতুন সংক্ৰামক ৰোগে উদ্বেগ বৃদ্ধি কৰিছে। উত্তৰ কোৰিয়াৰ শাসক কীম জং উনে নতুন ভাইৰেল ৰোগত আক্ৰান্ত হোৱা লোকৰ চিকিৎসাৰ বাবে দৰৱ প্ৰেৰণ কৰি সক্ৰিয়তা প্ৰদৰ্শন কৰিছিল। উত্তৰ কোৰিয়াত ব্যাপকভাৱে সংক্ৰমিত হোৱা এই ৰোগ কিমান মাৰাত্মক সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই। উত্তৰ কোৰিয়াৰ হেজু চহৰত পেট আৰু অন্ত্ৰৰ ৰোগত আক্ৰান্ত হোৱা লোকৰ চিকিৎসাৰ বাবে কীমে নিজে ৰোগীসকললৈ দৰৱ প্ৰেৰণ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি এইবিধ ভাইৰাছে মানুহৰ ক্ষুদ্ৰান্ত্ৰ আৰু বৃহদান্ত্ৰক সংক্ৰমিত কৰে। কালি দেশখনৰ পশ্চিমৰ বন্দৰ চহৰ হেজুত কীমৰ উপস্থিতিত চিকিৎসকে এই ভাইৰাছত আক্ৰান্ত ৰোগীৰ বাবে বিনামূলীয়া দৰৱ বিতৰণ কৰিছিল। এই ভাইৰাছত আক্ৰান্ত হোৱা লোকৰ শৰীৰত পাতল জ্বৰৰ উপসৰ্গই দেখা দিয়ে। এনে উপসৰ্গই দেখা দিয়া ২৬,০১০ জন ৰোগীক যোৱা ২৪ ঘণ্টাত চিনাক্ত কৰা হৈছে। যোৱা এপ্ৰিলত দেশখনৰ ৪.৫৬ নিযুত লোকৰ শৰীৰত এনে উপসৰ্গই দেখা দিছিল। প্ৰথমে এইসকল লোক ক'ভিডত সংক্ৰমিত হোৱা বুলি ধাৰণা কৰা হৈছিল যদিও পাছত ইয়াক পৃথক ভাইৰাছ হিচাপে চিনাক্ত কৰা হয়।

## কেৰালাৰ স্বৰ্ণৰ চোৰাং সৰবৰাহ কাণ্ডত মুখ্যমন্ত্ৰী বিজয়নৰ বিৰুদ্ধে নতুন অভিযোগ স্বপ্নাৰ


**নিউজ ব্যুৰ', কোচি, ১৬ জুন ঃ** কেৰালাৰ চাঞ্চল্যকৰ স্বৰ্ণৰ চোৰাং সৰবৰাহৰ গোচৰত অভিযুক্ত স্বপ্না সুৰেশে আকৌ এবাৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে। এইবাৰ স্বপ্নাই অভিযোগ কৰি কয় যে ২০১৭ৰ ছেপ্টেম্বৰত শ্বাৰজাহৰ শাসকৰ পৰা বিজয়নে ইউ এ ইত তেওঁৰ কন্যাৰ তথ্যপ্ৰযুক্তিৰ ব্যৱসায় আৰম্ভ কৰাৰ বাবে সহায় বিচাৰিছিল। স্বপ্নাই এৰ্নাকুলাম জিলা সত্ৰ আদালতত শপতনামা দাখিল কৰি এইদৰে মুখ্যমন্ত্ৰী বিজয়নৰ বিৰুদ্ধে নতুন অভিযোগ উত্থাপন কৰিলে। মুখ্যমন্ত্ৰী বিজয়নে অলপতে দাবী কৰি কৈছিল যে তেওঁ স্বপ্নাক চিনি নাপায়। এই সন্দৰ্ভত মন্তব্য কৰি স্বপ্নাই কয় যে অচিৰে তেওঁ সংবাদ মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসগৃহত তেওঁৰ উপস্থিতিৰ প্ৰমাণ দাঙি ধৰিব। শপতনামাত স্বপ্নাই অভিযোগ কৰা অনুসৰি শ্বাৰজাহৰ শাসকৰ স'তে কেৰালাৰ মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালে এক বৈঠকত মিলিত হৈছিল। স্বপ্নাই লগতে দাবী কৰি কয় যে মুখ্যমন্ত্ৰী বিজয়নৰ কন্যা বিনা বিজয়নে শ্বাৰজাহত তথ্যপ্ৰযুক্তিৰ প্ৰতিষ্ঠান মুকলি কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল আৰু এই ক্ষেত্ৰত শ্বাৰজাহৰ শাসকৰ পৰা সহায় বিচাৰিছিল। উল্লেখ্য যে পূৰ্বে স্বপ্নাই অভিযোগ কৰি কৈছিল যে সোণৰ চোৰাং সৰবৰাহৰ ঘটনাৰ স'তে কেৰালাৰ মুখ্যমন্ত্ৰী আৰু পৰিয়াল জড়িত আছিল। বিৰিয়ানীৰ বাকচত সোণ ভৰাই গোপনে মুখ্যমন্ত্ৰীৰ বাসগৃহলৈ সৰবৰাহ কৰা হৈছিল বুলিও স্বপ্নাই চাঞ্চল্যকৰ দাবী কৰিছিল।



### দুই লাখটকীয়া ছাগলীৰ পালক ইমৰানৰ নাই গাড়ী, শ্বাহবাজতকৈ অধিক ধনী পত্নী

## পাকিস্তানৰ নেতাতকৈ অধিক সম্পত্তিৰ গৰাকী পত্নী

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৬ জুন ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু বৰ্তমানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ পত্নীৰ সম্পত্তিৰ পৰিমাণ স্বামীতকৈ কেবাগুণ অধিক। পাকিস্তানৰ নিৰ্বাচন আয়োগৰ হাতত থকা তথ্য অনুসৰি ২০২০ বিত্তীয় বৰ্ষত তদানীন্তন প্ৰধানমন্ত্ৰী ইমৰানৰ হাতত চাৰিটা দুই লাখটকীয়া মূল্যৰ ছাগলী আছে। 'ডন' সংবাদপত্ৰৰ শেহতীয়া বাতৰি অনুসৰি ইমৰানৰ ছটা বৃহৎ সম্পত্তি আছে। তদুপৰি পৈতৃক সম্পত্তি হিচাপেও ইমৰানৰ যথেষ্ট সা-সম্পত্তি আছে। একেখন সংবাদপত্ৰই উল্লেখ কৰা মতে, পাকিস্তান তেহৰিক এ ইনছাফৰ মুৰব্বী ইমৰানৰ নিজাববীয়াকৈ কোনো যানবাহন নাই। দেশৰ বাহিৰতো ইমৰানৰ কোনো সা-সম্পত্তি নাই বুলি পাকিস্তানৰ সংবাদপত্ৰখনে বাতৰিত উল্লেখ কৰিছে। ইয়াৰ বিপৰীতে ইমৰানৰ পত্নী বুশ্বৰা বিবিৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১৪২.১১ নিযুত পাকিস্তানী টকা। বুশ্বৰাৰ চাৰিটা বৃহৎ সম্পত্তি আছে। 'ডন'ৰ প্ৰতিবেদনত দাবী কৰা অনুসৰি ইমৰানতকৈ অধিক সা-সম্পত্তিৰ মালিক হৈছে তেওঁৰ পত্নী। একেদৰে পাকিস্তানৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ তুলনাত অধিক ধনী হৈছে তেওঁৰ পত্নী নুছৰত। নুছৰতৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ২৩০.২৯ নিযুত পাকিস্তানী টকা। নুছৰতৰ লাহোৰ আৰু হজাৰাত নটাকৈ কৃষিকেন্দ্ৰিক সম্পত্তি আছে। 'ডন'ৰ বাতৰি অনুসৰি, শ্বাহবাজ পত্নীয়ে একাধিক খণ্ডত বৃহৎ পৰিমাণৰ ধন বিনিয়োগ কৰি আহিছে। প্ৰধানমন্ত্ৰী শ্বাহবাজৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১০৪.২১ নিযুত পাকিস্তানী টকা। ইফালে, শ্বাহবাজৰ আদায় দিবলগীয়া ঋণৰ পৰিমাণ হৈছে ১৪১.৭৮ নিযুত পাকিস্তানী টকা।



## ব্ৰিটেইনত ৫২৪ লোক আক্ৰান্ত হ'ল 'মংকীপক্স'ত



**নিউজ ব্যুৰ', লণ্ডন, ১৬ জুন ঃ** ব্ৰিটেইনত 'মংকীপক্স'ত আক্ৰান্ত হোৱা লোকৰ সংখ্যাই কালি ৫০০ৰ সীমা অতিক্ৰম কৰিলে। ব্ৰিটিছ স্বাস্থ্য সুৰক্ষা এজেঞ্চিয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি যোৱা মঙলবাৰে নতুনকৈ ব্ৰিটেইনত ৫২ জন 'মংকীপক্স' আক্ৰান্ত লোকক চিনাক্ত কৰা হৈছিল। ইফালে, স্কটলেণ্ডত এজন আৰু ৱেলছত আন এজন 'মংকীপক্স' আক্ৰান্তক ধৰা পেলোৱা হৈছে। বুধবাৰলৈকে ব্ৰিটেইনত মুঠ ৫২৪ জন লোক 'মংকীপক্স'ত সংক্ৰমিত হ'ল। এইসকল ৰোগীৰ ৫০৪ জন ইংলেণ্ডৰ, ১৩ জন স্কটলেণ্ডৰ, দুজন নৰ্থ আয়াৰলেণ্ডৰ আৰু পাঁচজন ৱেলছৰ বাসিন্দা।

# ধৰ্ম
# প্ৰাচীন আৰু আধুনিক

।। পূৰ্বানুৱৰ্তী।।

**ধৰ্ম** বুলিলে সাধাৰণতে আমি যি বুজোঁ তেনেকুৱা ধৰ্ম বিশ্বত সৰ্বমুঠ এঘাৰটা আছে। এই এঘাৰটা ধৰ্ম হ'ল ঃ ১) হিন্দু ধৰ্ম, ২) ইছলাম ধৰ্ম, ৩) খ্ৰীষ্টান ধৰ্ম, ৪)বৌদ্ধ ধৰ্ম, ৫)জৈন ধৰ্ম, ৬) ইহুদি ধৰ্ম, ৭) শিখ ধৰ্ম, ৮) টাও ধৰ্ম, ৯) ছিণ্টো ধৰ্ম, ১০) জোৰোষ্টাৰ ধৰ্ম আৰু ১১)বাহাই ধৰ্ম। ইয়াৰ উপৰি পৃথিৱীত আৰু বহুতো জনগোষ্ঠীয় বিশ্বাস ধৰ্ম ৰূপেৰে আছে।

হিন্দু ধৰ্ম প্ৰধানকৈ ভাৰত আৰু নেপালত আছে। এই ধৰ্মৰ গুৰি বেদ চাৰিখন। পিছলৈ ই শৈৱ, শাক্ত আৰু বৈষ্ণৱ- এই তিনিটা শাখাত বিভক্ত হয়। শৈৱ ধৰ্মৰ দেৱতা শিৱ; শাক্ত ধৰ্মৰ দেৱী দুৰ্গা, আৰু বৈষ্ণৱ ধৰ্মৰ বিষ্ণু বা কৃষ্ণ। এই তিনিটা শাখাৰ নিজস্ব ক্ৰিয়া কৰ্ম আছে। ইয়াত যজ্ঞ, পূজা, তীৰ্থ যাত্ৰা আদি প্ৰথা প্ৰচলিত। এই ধৰ্মত শ দাহ কৰা হয়। এই ধৰ্মই আত্মাৰ জন্মান্তৰ আৰু মুক্তিক বিশ্বাস কৰে। এই ধৰ্মৰ কোনো নিৰ্দিষ্ট প্ৰৱৰ্তক নাই। পৃথিৱীৰ হিন্দু ধৰ্মাৱলম্বী লোকৰ সংখ্যা ১.১ বিলিয়ন, বিশ্ব জনসংখ্যাৰ শতকৰা ১৪ ভাগ।

ইচলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদ। মক্কা এই ধৰ্মৰ প্ৰধান তীৰ্থস্থান। মদিনাও আন এখন তীৰ্থ স্থান। পাছলৈ এই ধৰ্ম ছিয়া আৰু ছুন্নী নামৰ দুটা শাখাত বিভক্ত হয়। এই ধৰ্ম প্ৰধানকৈ মধ্য আৰু দক্ষিণ-পূব এচিয়া, আফ্ৰিকা আদি দেশত বিস্তাৰিত হৈ আছে। ইছলাম ধৰ্মীয় লোক পৃথিৱীত ১.৯ বিলিয়ন। শতকৰা হিচাপত ২৮ শতাংশ। এই ধৰ্মৰ ঘাই পুথি কোৰাণ।

খ্ৰীষ্টান ধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্ট। যীশুক ঈশ্বৰ পুত্ৰ বুলি ভবা হয়। এই ধৰ্মৰ ঘাই পুথি নতুন বাইবেল। ই প্ৰধানকৈ ইউৰোপ আৰু আমেৰিকাত পৰিব্যাপ্ত হৈ আছে। ইয়াৰ প্ৰাৰ্থনা স্থলীৰ নাম গীৰ্জা। ইয়াত যীশুৰ ক্ৰুছবিদ্ধ মূৰ্তি থাকে। খ্ৰীষ্টান ধৰ্মৰ মানুহে দেওবাৰে গীৰ্জালৈ গৈ সামূহিক প্ৰাৰ্থনা কৰে। এই প্ৰাৰ্থনা বাইবেলৰ পাঠৰ পৰা কৰা হয়। পৃথিৱীত খ্ৰীষ্টান ধৰ্মৰ লোকৰ সংখ্যা ২.৩ বিলিয়ন। শতকৰা হিচাপত ২৯ শতাংশ। এই ধৰ্ম কেথলিক আৰু প্ৰটেষ্টাণ্ট দুভাগত ভাগ হয়।

বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক শাক্যমুনি বুদ্ধদেৱ। এওঁ খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ লোক। পিছলৈ এই ধৰ্ম হীনযান আৰু মহাযান এই দুটা ভাগত ভাগ হয়। মহাযানৰ আবিৰ্ভাৱ হীনযানতকৈ পিছত।

বৌদ্ধ ধৰ্মই ঈশ্বৰ, আত্মা আদিক বিশ্বাস নকৰে, ই আত্মাক বিশ্বাস নকৰিলেও বন্ধন আৰু মুক্তিক বিশ্বাস কৰে। মুক্তিক এই ধৰ্মত নিৰ্বাণ বুলি শুনা যায়। এই ধৰ্ম শ্ৰীলংকা, তিব্বত, চীন, জাপান আদি দেশৰ উপৰিও দক্ষিণ-পূব এচিয়াত বিস্তাৰিত। এই ধৰ্মত প্ৰধানকৈ নৈতিক আচাৰৰ ওপৰত বেছি জোৰ দিয়া হয়। এই নৈতিক আচাৰ ইয়াৰ অষ্টমাৰ্গ পথত নিহিত আছে। ইয়াৰ চাৰি সত্য হ'ল: দুখ আছে, দুখৰ কাৰণ আছে, দুখৰ নিবৃত্তি আছে, আৰু দুখ নিবৃত্তিৰ উপায় আছে। পৃথিৱীত বৌদ্ধ ধৰ্মালম্বী লোকৰ সংখ্যা ৫০ কোটি। পৃথিৱীৰ লোকসংখ্যাৰ শতকৰা ৮ ভাগ।

জৈন ধৰ্মৰ প্ৰৱৰ্তক মহাবীৰ। এওঁক চৌবিশতম তীৰ্থংকৰ বুলি জনা যায়। এই ধৰ্মই অহিংসাক বিশ্বাস কৰে। পোক-পৰুৱা মৰাৰ ভয়ত এওঁলোকে ৰাতি চাকি আৰু জুই নজ্বলায়। অতি কম বস্তুৰে চলাৰ ওপৰত এই ধৰ্মই জোৰ দিয়ে। সম্পদ আহৰণ এই ধৰ্মত বাধা। আনকি এই ধৰ্মই নগ্ন হৈ থকাৰ সপক্ষেও মাত মাতে। সেয়ে মহাবীৰৰ মূৰ্তি প্ৰায় নগ্ন অৱস্থাতেই দেখা যায়। এই ধৰ্মত ঈশ্বৰ নাই। মহাবীৰেই পিছত ঈশ্বৰ হৈ পৰে। এই ধৰ্মত আত্মাক বিশ্বাস কৰা হয়। এই ধৰ্মই গছৰো আত্মা আছে বুলি ভাবে।

এই ধৰ্মৰ প্ৰচলন প্ৰধানত: ভাৰততহে আছে। ৰাজস্থানত জৈন ধৰ্মাৱলম্বী লোক সৰহকৈ আছে। পৃথিৱীত সৰ্বমুঠ সাত নিযুত জৈন ধৰ্মাৱলম্বী লোক আছে।


ইহুদি ধৰ্মৰ মূল পুথি পুৰণা বাইবেল। ইয়াক হিব্ৰু বাইবেল নামেৰেও জনা যায়। এই ধৰ্মৰ দহ আদেশ বিখ্যাত। এই ধৰ্মৰ ইংৰাজী নাম Judaism।

পুৰণা বাইবেলত পাঁচটা খণ্ড আছে। যেনে, ১) জেনেছিছ, ২) এক্স'দাছ, ৩) লেভিটিকাছ, ৪)নাম্বাৰ্ছ, আৰু ৫) ডিডটেৰনাম। ইয়াৰ দহ আদেশ হ'ল ১) মই তোমালোকৰ ঈশ্বৰ, ২)মোৰ বাদে অন্য ঈশ্বৰ নাই, ৩) মোৰ কোনো প্ৰস্তৰ মূৰ্তি নাই, ৪) অবাবত মোৰ নাম নল'বাঁ, ৫) জিৰণিৰ দিনটো মনত ৰাখিবাঁ, ৬) তোমাৰ পিতৃ-মাতৃক সন্মান কৰিবাঁ, ৭) কাকো হত্যা নকৰিবাঁ, ৮) ব্যভিচাৰী নহ'বাঁ, ৯) চুৰ নকৰিবাঁ, ১০) তোমাৰ ওচৰ-চুবুৰীয়াৰ বিৰুদ্ধে মিছা সাক্ষী নিদিবাঁ।

শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰু নানক। এওঁৰ জন্ম হৈছিল ১৪৬৯ খ্ৰীঃত। এওঁৰ জন্ম স্থান বৰ্তমান পাকিস্তানত পৰিছে, টালোৱান্দ। নানকে কৈছিল বেদ আৰু কোৰাণ উভয়ে জগতৰ ৰহস্য ভেদ কৰিব পৰা নাই। এওঁ সৎসঙ্গৰ ওপৰত গুৰুত্ব দিছে।

গুৰুগ্ৰন্থ চাহিব শিখ ধৰ্মৰ মূল পুথি। এই পুথি গুৰুমুখী ভাষাত ৰচিত।

নানকৰ বাহিৰেও এই ধৰ্মত আৰু নজন



**ড° গিৰীশ বৰুৱা**

গুৰুৰ নাম লোৱা হয়। যেনে, অঙ্গদদেৱ, অমৰদাস, ৰামদাস, অৰ্জুনদেৱ, হৰগোৱিন্দ, হৰৰাই, হৰিকিষণ, টেগবাহাদুৰ আৰু গোবিন্দ সিং।

টাও ধৰ্ম চীনদেশৰ ধৰ্ম। টাইৱান, ভিয়েটনাম, জাপান আৰু কোৰিয়াতো এই ধৰ্মৰ মানুহ আছে। এই ধৰ্মৰ মূল পুথি টাও-তে-চিং। এই পুথি লাও জুৱে লিখিছিল বুলি কথিত। খ্ৰীঃপূঃ ৩য় শতিকাত এই পুথি লিখা শেষ হয়। ই একাশীটা খণ্ডত বিভক্ত। এই ধৰ্মই বিশ্বাস কৰে যে টাওৱেই সৰ্বেসৰ্বা, আমাৰ ব্ৰহ্মৰ দৰেই। টাও ধৰ্মৰ প্ৰৱৰ্তনে কনফিউচিয়াছৰ ধৰ্মক প্ৰত্যাখ্যান কৰে।

ছিণ্টো ধৰ্ম জাপানৰ ধৰ্ম। ছিণ্টো শব্দৰ অৰ্থ হ'ল দেৱতাৰ পথ। ছিণ্টো শব্দটো অৱশ্যে চীনা শব্দ। তাৰ জাপানী প্ৰতিৰূপ কানি। আচলতে চীনৰ কনফিউচিয়াছৰ ধৰ্মই জাপানত ছিণ্টো হৈ পৰে। পিছত জাপানত যদিও বৌদ্ধ ধৰ্ম প্ৰচলন হ'ল তথাপি মানুহৰ আচাৰ-ব্যৱহাৰত বহুতো ছিণ্টোৰ অৱদান ৰৈ গ'ল। ইয়াৰ মূল শিকনি দহটা। যেনে, ১) ঈশ্বৰৰ ইচ্ছাক অতিক্ৰম নকৰিবাঁ, ২)পূৰ্বপুৰুষৰ প্ৰতি তোমাৰ কৰ্তব্য নাপাহৰিবাঁ ৩) ৰাষ্ট্ৰৰ আইন ভংগ নকৰিবাঁ ৪)দেৱতাৰ মঙ্গলময়তাক নাপাহৰিবাঁ ৫) জগতখনক এক ডাঙৰ পৰিয়াল বুলি ভাবিবাঁ ৬) তোমাৰ সীমাবদ্ধতাখিনিক চিনিবাঁ ৭) খং নুঠাবাঁ ৮) সোৰোপা নহ'বাঁ ৯) শিক্ষাক অৱমাননা নকৰিবাঁ ১০) অংসগত শিক্ষাৰ শৰণাগত নহ'বাঁ

জোৰোষ্টাৰ ধৰ্ম তিনিহেজাৰ বছৰ পুৰণি। বৰ্তমানে এই ধৰ্মৰ অনুগামী কমিছে। ই বৌদ্ধধৰ্মৰ দৰেই নৈতিকতাক গুৰুত্ব দিয়ে। এই ধৰ্ম প্ৰথমতে ওলাইছিল পাৰস্যত।

জোৰোষ্টাৰ ধৰ্মৰ প্ৰৱৰ্তক জৰথুস্ত্ৰ। ইয়াৰ মূল পুথি জেন্দ্ এভেষ্টা। এওঁলোকৰ ঈশ্বৰক অহুৰা মজদা বুলি জনা যায়। এই ধৰ্ম একেশ্বৰবাদী। দেৱদূতৰ মাধ্যমেৰে ঈশ্বৰে মানুহৰ আগত দেখা দিয়ে।

জগতত দুটা শক্তিৰ যুঁজ চলি থাকে। এটা ভাল শক্তি আনটো বেয়া শক্তি। বেয়া শক্তিটো খ্ৰীষ্টানৰ চয়তানৰ দৰে। মানুহৰ কাম হ'ল এই বেয়া শক্তিৰ বিৰুদ্ধে যুঁজা। সাধুতাৰ অস্ত্ৰেৰে মানুহে এই শক্তিৰ বিৰুদ্ধে যুঁজিব লাগে। এই ধৰ্মই মৃত্যুৰ পাছৰ জীৱনক বিশ্বাস কৰে। স্বৰ্গ-নৰকৰ ধাৰণাও ইয়াত আছে। নৰকত ভাল কাম কৰিলে সেই লোক আকৌ স্বৰ্গলৈ যাব পাৰে। এই ধৰ্মই ভূত-প্ৰেতকো বিশ্বাস কৰে। জুইক এই ধৰ্মই পবিত্ৰ বুলি ভাবে। বেছিভাগ জোৰোষ্টাৰ ধৰ্মীলোক অগ্নিপূজক। আমাৰ গীতাৰ দৰেই অহংকাৰ শূন্যতাৰ অনুশীলনৰ ওপৰত ই গুৰুত্ব দিয়ে। মই এই কামটো কৰিছোঁ- এনেকৈ কেতিয়াও ক'ব নাপায় বুলি ই কয়। কৰ্তৃত্ব ভাব বৰ্জন এই ধৰ্মৰ ঘাই কথা অৰ্থাৎ নিজকে কৰ্মকৰ্তা বুলি জাহিৰ নকৰাটো।

বাহাই ধৰ্মৰ উদ্ভৱ হৈছিল উনবিংশ শতিকাৰ মাজ ভাগত। এই ধৰ্মৰ উৎপত্তি ঘটাইছিল মিৰ্জা হোছেইনে। এওঁক আলি পুৰি বা বাহা-উল্লা নামেৰেও জনা যায়। বাগ-উল্লাৰ অৰ্থ হ'ল ঈশ্বৰৰ খ্যাতি। এওঁক ঈশ্বৰৰ অৱতাৰ বুলি ভবা হয়। আব্দোল বাহাও এই ধৰ্মৰ অন্য এজন প্ৰধান লোক। আব্দোল বাহাওৰ অৰ্থ যশস্যাৰ দাস। এওঁ বাহা-উল্লাৰ জ্যেষ্ঠ জন। এওঁ বাগ-উল্লাৰ শিকনিখিনি ব্যাখ্যা কৰি মানুহক শুনাইছিল। এই ধৰ্মৰ বহুতো কিতাপ আছে। এই ধৰ্মত জাতি-ভেদ নাই, পুৰোহিত শ্ৰেণীও নাই। বাহা-উল্লাহৰ শিকনি মনাজনেই এই ধৰ্মত দীক্ষিত লোক। ই এক অহিংসাবাদী ধৰ্ম। ই প্ৰতিবাদ হিচাপে সত্যাগ্ৰহ আৰু অসহযোগত বিশ্বাস কৰে। পৃথিৱীত এই ধৰ্মৰ মানুহ বৰ্তমানে প্ৰায় ছয় হেজাৰহে ৰৈছেগৈ। পৃথিৱীৰ মুঠ জনসংখ্যাৰ মাত্ৰ ই ০.১ শতাংশহে।

বহুত জনগোষ্ঠীয় ধৰ্মও এতিয়া বৰ্তি আছে। যেনে অসমৰ বাথৌ ধৰ্ম। এই ধৰ্মৰ ঈশ্বৰৰ নাম আফা বোৰৰাই বাথৌ। অন্যান্য দেৱতাও এই ধৰ্মত আছে। ই জন্মান্তৰবাদত বিশ্বাসী। ই অনিষ্টকাৰী আত্মাকো বিশ্বাসো কৰে। তেওঁলোকৰ ধৰ্ম বিশ্বাস হিন্দু ধৰ্মৰ লগত বহুত মিলে। তেওঁলোকে দুৰ্গা পুজাত বলিও উছৰ্গা কৰে। এই ধৰ্মত টোটেমবাদৰে বহুত উপাদান আছে। প্ৰাণবাদৰো আছে। এওঁলোকে শিজু গছক পৱিত্ৰ ভাবি পূজা-অৰ্চনা কৰে। বাথৌ শব্দৰ অৰ্থ হ'ল চিৰন্তনীয়তা, অসমীতা আৰু অচিন্তনীয়তাৰ শক্তি। শিৱ শক্তিৰ নিচিনা ধাৰণাও ইয়াত আছে। বাথৌ শব্দটো দুটা শব্দৰ পৰা আহিছে বুলি কোৱা হয়: বা থৌ। বা শব্দৰ অৰ্থ হ'ল পাঁচ আৰু থৌ শব্দৰ অৰ্থ তত্ত্ব। অৰ্থাৎ পঞ্চ ভূত। যেনে, ক্ষিতি, অপ, তেজ,



মৰুৎ আৰু ব্যোম (আকাশ)। এই পঞ্চভূতত গুৰুত্ব দিয়া বাবে এই ধৰ্মক এক প্ৰকৃতিবাদী ধৰ্ম বুলিও ক'ব পৰা যায়।

(এই কথাখিনি যুগুতাওতে 'মিজৌ জীংমা' ত প্ৰকাশিত প্ৰবন্ধ কেইটাৰ সহায় লোৱা হৈছে)

**বিশ্বজনীন ধৰ্মঃ-**

আচলতে বৰ্তমানে কোনো বিশ্বজনীন ধৰ্ম নাই। যেতিয়া পৃথিৱীত এটা মাত্ৰ ধৰ্ম থাকিব, আৰু যেতিয়া পৃথিৱীৰ সকলো মানুহ (নাস্তিকসকলৰ বাহিৰে) এই ধৰ্ম গ্ৰহণ কৰিব তেতিয়াই ধৰ্ম বিশ্বজনীন হ'ব। তেতিয়া এই বিশ্বজনীন ধৰ্ম (world religion) সাৰ্বজনিক ধৰ্মলৈ (universal religion) ৰূপান্তৰিত হ'ব।

দেখা যায় বৰ্তমানে খ্ৰীষ্টান ধৰ্মৰ পৃথিৱীৰ বেছিভাগ মানুহৰ ধৰ্ম। তথাপি ই বিশ্বজনীন বা সাৰ্বজনীন ধৰ্ম নহয়। ইয়াক অধিক মানুহৰ ধৰ্ম (majority religion) বুলিহে ক'ব পৰা যায়। স্বামী বিবেকানন্দই বেদান্ত দৰ্শনৰ ভিত্তিত এক বিশ্বজনীন ধৰ্ম প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁ সফল নহ'ল।

বৰ্তমানে দেখা গৈছে ধৰ্মবোৰ ভাগিহে গৈছে। এটা

**ধৰ্ম এতিয়া আমাৰ ভাবৰ বস্তু হৈ আছে। আদৰ্শক কিন্তু সম্পূৰ্ণৰূপে বাস্তবায়িত কৰাটো বৰ টান কাম, বা ইয়াক সম্পূৰ্ণৰূপে বাস্তবায়িত কৰিব নোৱাৰিও। পূৰ্ণতা আদৰ্শতহে থাকে, বাস্তৱত নাথাকে। বাস্তৱত থকা বস্তু এটাত কিবা এটা ক্ষতি-ক্ষুণ থাকিবই। পৃথিৱীত এতিয়ালৈকে আদৰ্শ টেবুলখন সজা হোৱাই নাই। যিবোৰ সজা হৈছে সেই সকলোবোৰতেই ক্ষতিক্ষুণ আছে**

ধৰ্মৰ ভিতৰতে বিভিন্ন শাখা-প্ৰশাখা ওলাই মানুহক বিভাজিত কৰিছে। আমাৰ শংকৰদেৱৰ ধৰ্মতে সত্ৰ সংঘ, শংকৰ সংঘ আদি ওলাই অসমীয়া বৈষ্ণৱ ধৰ্মাৱলম্বী মানুহখিনিক বিভ্ৰান্ত কৰিছে। এনেবোৰ ঘটনাই বৰ্তমানৰ পৃথিৱী বিশ্বজনীন ধৰ্মৰ ফালে আগুৱাই নিয়াৰ বিপৰীতে পিছুৱাইহে নিছে। আমি যদি ধৰ্মৰ সৰু সৰু খুটি-নাটিবোৰ পাহৰি বা সেইবোৰৰ ওপৰত গুৰুত্ব আৰোপ নকৰি আধ্যাত্মিকতাৰ দিশত আগবাঢ়োঁ, তেন্তে হয়তো এক বিশ্বজনীন ধৰ্ম প্ৰৱৰ্তনৰ ফালে আমি আগবাঢ়ি যাব পাৰিম, কাৰণ সকলো ধৰ্মতে আধ্যাত্মিকতাৰ বীজ আছে। অদ্বৈত বেদান্ত দৰ্শনত সকলোতে একেটা আত্মা আছে বুলি কোৱাৰ দৰে আমি যদি ধৰ্মবোৰৰ মাজত এনেকুৱা এটা আত্মা বিচাৰি পাওঁ তেন্তে সেই আত্মাই আমাক এক বিশ্বজনীন ধৰ্ম প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগুৱাই নিব পাৰে। এই আত্মাই এক সমন্বয়কৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে। আমি আশা কৰোঁ ভৱিষ্যতে এনেকুৱা এক ধৰ্ম ওলাওক যি হিন্দুও নহয়, খ্ৰীষ্টানো নহয়, ইছলামো নহয়, জৈনও মনহয়- সি মাত্ৰ ধৰ্ম হয়, এক একাত্মক ধৰ্ম, এক অদ্বৈত ধৰ্ম।

সত্য সদায় এক, দুই হ'ব নোৱাৰে। দুইক সত্য বুলি কোৱাটো হ'ল অজ্ঞতা বা নিৰ্বোধতাৰ লক্ষণ। যদি ধৰ্মবোৰে দাবী কৰে যে তাৰ কথাটোহে সত্য তেন্তে বাকীবোৰ ধৰ্ম ওলাল কেনেকৈ। গতিকে প্ৰতিটো ধৰ্মতে কিবা এটা অসত্য লুকাই আছে। আমি যদি এই অসত্যটোক উলিয়াই তাক নিৰ্মূল কৰিব পাৰোঁ তেন্তে ধৰ্ম এটা সত্য হ'বলৈ বাধ্য হ'ব, কাৰণ সত্য এটাই। বৰ্তমানে থকা ধৰ্মবোৰ একোটি সৰু সৰু সঁজা। এই সৰু সঁজাতেপৃথিৱীৰ সকলো মানুহক সুমাব খোজা হয়। কিন্তু ই সম্ভৱ নহয়। সেয়ে আমাক এটা ডাঙৰ সঁজা লাগিব, য'ত পৃথিৱীৰ সকলো মানুহ সোমাব। এই ডাঙৰ সঁজাটোৱেই সাৰ্বজনীন ধৰ্ম।

অংশই কেতিয়াও সমগ্ৰ বুলি দাবী কৰিব নোৱাৰে, কাৰণ সমগ্ৰৰ ভিতৰতহে অংশ থাকে। সেয়ে বৰ্তমানে প্ৰচলিত কোনো ধৰ্মই এক সামগ্ৰিক ধৰ্ম হ'ব নোৱাৰে, কাৰণ প্ৰতিটো ধৰ্মই এক সমগ্ৰতাৰ অংশহে।

পূৰ্ণতা এক বিকশমান পদ্ধতি। কোনোটো ধৰ্মই পূৰ্ণ নহয়। সকলো ধৰ্ম পূৰ্ণতা হোৱাৰ পথত। যদি সকলো ধৰ্মৰ পূৰ্ণতা সম্ভৱ হয় তেন্তে হয়তো বেলেগ বেলেগ ধৰ্ম নাথাকিব। এই পূৰ্ণ ধৰ্ম মাত্ৰ এটা হ'বলৈ বাধ্য। তেতিয়া হয়তো আমি এক সাৰ্বজনীন ধৰ্ম পাব পাৰিম।

বাহিৰৰ প্ৰলেপ আঁতৰাই যদি আমি সকলো ধৰ্মৰ সাৰ ভাগ উদঘাটন কৰিব পাৰোঁ, তেন্তে দেখা যাব যে ধৰ্মবোৰৰ মাজত দেখোন পাৰ্থক্যই নাই। পাৰ্থক্য নথকা ধৰ্মবোৰ বেলেগ বেলেগ কেনেকৈ হ'ব পাৰে?

বিশ্বজনীন ধৰ্ম এক আদৰ্শ। আদৰ্শ বাস্তৱ নহয়, ই ভাবগত। ইয়াৰ অৰ্থহ'ল বিশ্বজনীন ধৰ্ম এতিয়া আমাৰ ভাবৰ বস্তু হৈ আছে। আদৰ্শক কিন্তু সম্পূৰ্ণৰূপে বাস্তবায়িত কৰাটো বৰ টান কাম, বা ইয়াক সম্পূৰ্ণৰূপে বাস্তবায়িত কৰিব নোৱাৰিও। পূৰ্ণতা আদৰ্শতহে থাকে, বাস্তৱত নাথাকে। বাস্তৱত থকা বস্তু এটাত কিবা এটা ক্ষতি-ক্ষুণ থাকিবই। পৃথিৱীত এতিয়ালৈকে আদৰ্শ টেবুলখন সজা হোৱাই নাই। যিবোৰ সজা হৈছে সেই সকলোবোৰতেই ক্ষতিক্ষুণ আছে। আনকি কুইন এলিজাবেথৰ টেবুলখনো যদি ভালকৈ চোৱা যায় তাতো ক্ষতি ক্ষুণ থাকিব। গতিকে বৰ্তমানে ধৰ্মবোৰ এনেকুৱা ক্ষতি ক্ষুণ থকা ধৰ্মই।

*ফোন ঃ ৭০০২৩৭৬৫০৫*

# বিজ্ঞানে 'ইউটাৰ্ণ' লয়
# বিজ্ঞান বনাম ইছলামৰ দাবী

**বিজ্ঞান** গতিশীল। বিজ্ঞানৰ কোনো তত্ত্ব বা প্ৰকল্প চূড়ান্ত নহয়। সময়ৰ সোঁতত ই দিশ সলনি কৰে। ডাঃ জাকিৰ নায়কৰ মতে অপ্ৰতিষ্ঠিত বৈজ্ঞানিক প্ৰকল্প সময়ৰ লগে লগে সম্পূৰ্ণ 'ইউটাৰ্ণ' অৰ্থাৎ ১৮০ ডিগ্ৰী কোণত ঘূৰি বিপৰীত মেৰুত অৱস্থান লয়।

ডাঃ জাকিৰ নায়কে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰি এনে এটা ভাবমূৰ্তি সৃষ্টি কৰিবলৈ সক্ষম হৈছে যেন তেওঁ ইছলাম ধৰ্মৰ উপৰি পৃথিৱীৰ যিকোনো ধৰ্মৰ বিষয়ে যথেষ্ট জ্ঞান অৰ্জন কৰিছে, যাৰ দ্বাৰা যিকোনো ধৰ্মীয় সমস্যাৰ বৈজ্ঞানিক ব্যাখ্যা দিব পাৰে। সেয়ে গোটেই বিশ্বজুৰি তেওঁৰ সমৰ্থকৰ অভাৱ নাই। ডাঃ জাকিৰ নায়কৰ বাংলা অনুবাদ 'বিজ্ঞানেৰ দৃষ্টিতে কোৰান ও বাইবেল' নামৰ কিতাপখন পঢ়িলে অনুমান হয় যেন তেওঁৰ আল্লাহ আৰু তেওঁৰ বাণী কোৰানৰ প্ৰতি বিশ্বাস আৰু আস্থা একেবাৰে কম। তেওঁ কৈছে যে আদম আৰু হাওঁৱা, দুজন পুৰুষ-নাৰীৰ পৰা মানৱ গোষ্ঠী হৈছে, এয়া হেনো মানুহৰ কাল্পনিক ধাৰণা। ই বিজ্ঞানৰ দ্বাৰা প্ৰতিষ্ঠিত তত্ত্ব নহয়, সেয়ে তেওঁ এই ধাৰণা পোষণ নকৰে বা ইয়াৰ উদাহৰণ কোনো সভা-সমিতিত উপস্থাপন নকৰে। তেওঁ এফালে কয় যে কোৰানৰ বাণী কেতিয়াও প্ৰতিষ্ঠিত বিজ্ঞানৰ বিপৰীত দিশত অৱস্থান নকৰে, আনহাতে যি বাণীয়ে বিজ্ঞানৰ প্ৰতিষ্ঠিত তত্ত্বক সমৰ্থন নকৰে, সেয়া তেওঁ গ্ৰহণ নকৰে; অথচ তেওঁ কয় যে বিজ্ঞানৰ যিকোনো তত্ত্বতকৈ কোৰানৰ বাণী সদায় শ্ৰেষ্ঠ। তেওঁ আৰু কয় যে মুছলমানৰ বাবে কোৰান চূড়ান্ত ফয়ছালা। আল্লাই কয়, 'হে মানৱ, আমিয়েই তোমালোকক এজন পুৰুষ (আদম) আৰু এজনী নাৰী (হাওৱা)ৰ পৰা সৃষ্টি কৰিছো। তাৰ পাছত

**ইকবাল হুছেইন**

তোমালোকক বিভিন্ন জাতি, উপ-জাতিত বিভক্ত কৰিছো.... (চুৰা- হজুৰাত আয়াত নম্বৰ-১৩)'। কোৰান চূড়ান্ত ফয়ছলা, নিজে ঘোষণা কৰাৰ পাছতো উপৰোক্ত আল্লাহৰ বাণী সহজে আদৰি ল'বলৈ অনীহা প্ৰকাশ কৰে। বিজ্ঞানে সহজে মানি লৈছে যে বিজ্ঞানৰ তত্ত্ববিলাক চূড়ান্ত নহয় আৰু সময় সাপেক্ষে পৰিৱৰ্তনশীল আৰু কেতিয়াবা সম্পূৰ্ণ ১৮০ ডিগ্ৰী ইউটাৰ্ণ লোৱা সম্ভৱ। আল্লাই কয়, যিয়ে আল্লাহ আৰু ৰচুলৰ বিৰোধিতা কৰে তেওঁতকৈ অধিক জালিম আৰু কোন হ'ব পাৰে? ডাঃ নায়কে উক্ত আয়াতক সমৰ্থন নকৰি অৱমাননা কৰা নাইনে? তেওঁ নিজেই দেখোন বিপৰীত দিশত গতি কৰি ইউটাৰ্ণ লৈ প্ৰমাণ কৰি দেখুৱালে যে কোৰানৰ বাণীসমূহ বিজ্ঞানৰ প্ৰমাণৰ ওপৰত নিৰ্ভৰশীল। ডাঃ নায়কৰ সমৰ্থকসকল এই লেখকক গালি পাৰিবলৈ উদ্যত হ'ব পাৰে; কিন্তু তেওঁলোকলৈ অনুৰোধ, নায়কৰ বক্তৃতাসমূহ যেন গৱেষণাৰ বিষয় কৰি লয়।

আল্লাই ছুৰা নিচাৰ ৮২ নম্বৰ আয়াতত কয়, 'সিহঁতে কোৰানৰ বিষয়ে চিন্তা-চৰ্চা নকৰেনে? যদি এই গ্ৰন্থখন আল্লাহৰ বাহিৰে অইন কাৰোবাৰ পৰা অহাহেঁতেন তেন্তে সিহঁতে ইয়াত অনেক বিপৰীত ভাষ্য পালেহেঁতেন।' ডাঃ নায়কে এই আয়াতৰ উদ্ধৃতি দি কৈছে যে কোৰান যিহেতু আল্লাহৰেই বাণী, ইয়াত কোনো ধৰণৰ বৈপৰীত্য প্ৰৱেশ কৰিব নোৱাৰে। তেওঁ অন্যান্য ধৰ্মগ্ৰন্থৰ লগতে বাইবেলৰ পৰা অনেক উদ্ধৃতি প্ৰদানৰ দ্বাৰা প্ৰমাণ কৰিছে যে



বাইবেলত অনেক বিসংগতি আছে। এতিয়া কোৱানৰ পৰা দুই/চাৰিটা আয়াতৰ উল্লেখ কৰা হ'ব য'ত বৈপৰীত্য বিচাৰি পোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। (১) 'যিসকলে আখেৰাত বিশ্বাস নকৰে আমি সিহঁতৰ দুষ্কাৰ্যবোৰ সিহঁতৰ দৃষ্টিত শোভনীয় কৰি দিছো যাতে সিহঁতে বিভ্ৰান্তিত ঘূৰি ফুৰে' (চুৰা নমল— আয়াত নং-৪)। (২) 'অবিশ্বাসকাৰী (কাফেৰ)সকলে ভাবিব নালাগে, আমি সিহঁতক যি অৱকাশ দিও তাত সিহঁতৰ বাবে মংগল আছে। সিহঁতক এই কাৰণে অৱকাশ দিও যাতে সিহঁতৰ অপকৰ্ম (গুণাহ) বৃদ্ধি পাই থাকে। সিহঁতৰ বাবে আছে লাঞ্ছনাদায়ক শাস্তি' (চুৰা ইমৰান আয়াত নম্বৰ-১৭৮)। (৩) আপুনি যেতিয়া কোৰান পাঠ কৰে, তেতিয়া আপোনাক আৰু পৰকালৰ ওপৰত বিশ্বাস স্থাপন নকৰে তেওঁলোকৰ মাজত এক অদৃশ্য পৰ্দা আঁৰি দিওঁ। আৰু সিহঁতৰ অন্তৰৰ ওপৰত এক আৱৰণেৰে ঢাকি দিও যাতে সিহঁতে একো বুজিব নোৱাৰে...' (চুৰা ইছৰাইল আয়াত ৪৫/৪৬)। (৪) তেওঁতকৈ আৰু অধিক অন্যায়কাৰী কোন হ'ব পাৰে যাক আল্লাহৰ বাণীৰে উপদেশ দিয়াৰ পাছতো ফালৰি কাটি আহে আৰু নিজৰ কৰ্মৰ অশুভ পৰিণতিৰ কথা পাহৰি যায়। আমি সিহঁতৰ অন্তৰৰ ওপৰত পৰ্দা ৰাখি দিও যাতে বুজিব নোৱাৰে আৰু কাণত বধিৰতা সৃষ্টি কৰি দিছো। আপুনি সিহঁতক সৎ পথত আহ্বান কৰিলেও সিহঁতে কেতিয়াও সৎপথলৈ ঘূৰি নাহে' (চুৰা কাহফ-আয়াত-৫৭)। (৫) 'তোমালোকে নিজ ইচ্ছাৰে একো কৰিব নোৱাৰা, যেতিয়ালৈকে বিশ্ব জগতৰ মালিক আল্লাই ইচ্ছা নকৰে' (চুৰা তাক্‌বীৰ আয়াত-২৯)। (৬) আল্লাহৰ ইচ্ছা অবিহনে তোমালোকে ইচ্ছা কৰিলেও একো কৰিব নোৱাৰা' (দাহৰ আয়াত-৩০)। (৭) আমি যদি ইচ্ছা কৰিলোহেঁতেন প্ৰত্যেক ব্যক্তিক সৎ পথ প্ৰদৰ্শন কৰিলোহেঁতেন; কিন্তু মোৰ বাণী পূৰ্বে স্থিৰ হৈ আছে যে আমি সকলো জ্বিন আৰু মানুহৰ দ্বাৰা জহান্নাম পূৰ্ণ কৰিম' (চুৰা ছাজদা আয়াত-১৩)। (৮) 'নিশ্চয় ই এটা উপদেশ এতিয়া যাৰ ইচ্ছা হয়, সি নিজ প্ৰভুৰ পথ অৱলম্বন কৰক' (দাহৰ আয়াত-২৯)। (৯) 'নহয়, ই কেতিয়াও হ'ব নোৱাৰে, ই কোৰানৰ উপদেশ বাণী, এতিয়া যাৰ ইচ্ছা হয়, ইয়াৰ পৰা উপদেশ গ্ৰহণ কৰক।' (চুৰা মুদ্দাচ্ছিৰ, আয়াত ৫৪/৫৫)। (১০) 'আল্লাই যাক ইচ্ছা কৰে তাক সুপথত পৰিচালিত কৰে আৰু তাৰ অন্তৰ ইছলামৰ বাবে প্ৰশস্ত কৰি দিয়ে, আৰু যাক বিপথে পৰিচালিত কৰে তাৰ অন্তৰ সংকুচিত কৰি দিয়ে' (চুৰা-আন আম, আয়াত-১২৫)। *আগলৈ*

# উপনিষদ্, গীতা, ব্ৰহ্মসূত্ৰ আৰু শ্ৰীমদ্ভাগৱত

**উপনিষদ ঃ** উপনিষদ্ৰ অৰ্থ উপ-নি-সদ্+ক্বিপ্=উপনিষদ । সদ ধাতুৰ অৰ্থ জীৰ্ণ কৰা, প্ৰৱেশ কৰা আৰু বিনাশ কৰা। 'উপ' উপসৰ্গই নিকট বা সান্নিধ্য বুজায় আৰু 'নি' উপসৰ্গই নিশ্চিতৰূপে বা নিঃশেষ বুজাইছে। যি বিদ্যাই অবিদ্যা বা অজ্ঞান অন্ধকাৰ নাশ কৰি মুমূৰ্ষু জীৱক পৰম ব্ৰহ্মপ্ৰাপ্তিৰ সন্ধান দিয়ে, সেয়ে উপনিষদ। ব্ৰহ্ম জিজ্ঞাসা অৰ্থাৎ পৰমাত্মাৰ স্বৰূপ বিচাৰেই উপনিষদৰ প্ৰতিপাদ্য বিষয়। বেদৰ মন্ত্ৰ বা সংহিতা ভাগত বিভিন্ন মন্ত্ৰৰাজিৰ দ্বাৰা উপাসিত, বৰ্ণিত বহু দেৱতাৰ মাজত বিৰাজিত এক আৰু অদ্বিতীয় 'পৰমসত্তাকে' 'সৎ' বা 'ব্ৰহ্ম' ৰূপে অভিহিত কৰা হৈছে। তাকে কোৱা হৈছে (একং সন্তং বহুধা কল্পয়তে।) যাস্কাচাৰ্যৰ ভাষাতে— 'মহাভাগ্যাৎ দেৱতায়াঃ একস্যৈৰ বহুধা স্তয়তে।' আকৌ 'সৎ' বা 'ব্ৰহ্ম'কে বিপ্ৰগণে ভিন্নভাবে আহ্বান কৰে আৰু কয় 'একং সৎ বিপ্ৰাঃ বহুধা বদন্তি।' ছান্দোগ্য উপনিষদৰ মতে 'ব্ৰহ্ম এক আৰু অদ্বিতীয়' 'একং এৱাদ্বিতীয়ম'। কঠো উপনিষদ মতে সৎ বা ব্ৰহ্মকে অজৰ অমৰ কৰি প্ৰকাশ কৰিছে। 'ন জয়তে ন ম্ৰিয়তে ন বিপশ্চিত কদাচন।' (বিপশ্চিত বিদ্যান আৰু জ্ঞান) বৃহদাৰণ্যক উপনিষদৰ মতে 'ব্ৰহ্মক তেজময়, আনন্দময় বুলি ব্যাখ্যা কৰা হৈছে। 'ব্ৰহ্ম বৈ তেজ এক। আৰু 'সত্যং জ্ঞানামানন্দং ব্ৰহ্ম ইতি ব্যজনাৎ।' মৈত্ৰী উপনিষদৰ মতে 'ব্ৰহ্ম সৎ, চিৎ আৰু আনন্দময়।' 'সৰ্বপূৰ্ণস্বৰূপোহস্মি সচ্ছিদানন্দ বিগ্ৰহঃ' ঈশো উপনিষদৰ মতে 'সৰ্বব্যাপ্ত, অক্ষয় পৰম ব্ৰহ্মই সমস্ত জগতকে আচ্ছাদান কৰি আছে। এই অবিদ্যা বা মায়াক বিনাশ কৰা জনে সকলো ভূততে নিজক আৰু নিজৰ মাজত সৰ্বজগত দৰ্শন কৰে। তেনে ব্ৰহ্মজ্ঞানীজনে কেতিয়াও আনক ঘৃণা বা হিংসা কৰিব নোৱাৰে। একাত্মবোধৰ উপলব্ধি হোৱা তেনেজনৰ মোহেই বা ক'ত, শোকেইবা ক'ত? অৰ্থাৎ মায়াজনিত মোহ, শোক আদি আত্ম উপলব্ধিৰ দ্বাৰা দূৰ হয়।

'যস্তু সৰ্বাণি ভূতানি আত্মন্যোবানু পশ্চতি।
সৰ্বভূতেষু চাত্মনং ততো ন বিজু গুপসতে।
যাস্মিন সৰ্বাণি ভূতান্যাত্মৈব ভুবিজানতঃ।
তত্ৰ কো মোহঃ কো শোকঃ একত্বমনু পশ্যতঃ।।

মন্ত্ৰ সংকলনসমূহৰ পৰা উপনিষদলৈকে সমগ্ৰ সাহিত্যিকে সাধাৰণতে বেদ বুলি কোৱা হয়। উপনিষদক 'বেদান্ত' বা বেদৰ অন্ত বা শেষ ভাগ বুলি কোৱা হয়। ইয়াৰ উপৰি আন কিছুমান সহায়ক গ্ৰন্থকো বৈদিক সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হয়। সেইবোৰ বৈদিক যুগৰ শেষ পৰ্যায়ত ৰচিত। সেই গ্ৰন্থৰাজিকে বেদাংগ বুলি কোৱা হয়। বেদাংগ ছয় ভাগত বিভক্ত (১) শিক্ষা (২) কল্প (৩) ব্যাকৰণ (৪) যাস্কৰচিত নিৰুক্ত (৫) ছন্দ আৰু (৬) জ্যোতিষ । এই সমগ্ৰ সাহিত্যই বৈদিক সাহিত্য।

**ব্ৰহ্মসূত্ৰ ঃ** সকলোৰে নিমিত্ত কাৰণ আৰু উপাদান


**জ্যোতিষ চন্দ্ৰ দত্ত**

কাৰণ ব্ৰহ্মসূত্ৰৰ মতে একমাত্ৰ ব্ৰহ্মহে। (অভিধ্যা উপাদেশাৎচ) । ব্ৰহ্মসূত্ৰৰ মতে সৃষ্টি আৰু প্ৰলয় উভয়েই ব্ৰহ্মৰহে কাৰ্য। এইবোৰৰ কাৰণে ব্ৰহ্মাই প্ৰকৃতিক নিয়োগ কৰা নাই। প্ৰকৃতিৰ সহায়ো বিচৰা নাই। সৃষ্টি আৰু প্ৰলয়ৰ কাৰ্য আৰু তাৰ কাৰণ এই সকলোটি একমাত্ৰ ব্ৰহ্মহে। 'আত্মকৃতেঃ পৰিণামাৎ' বুলি ব্ৰহ্মসূত্ৰই ইয়াকে কৈছে। ব্ৰহ্মসূত্ৰৰ মতে প্ৰকৃতি জ্ঞেয় নহয়, কেৱল পুৰুষ (অবিভক্ত চৈতন্য) বা ব্ৰহ্মহে জ্ঞেয়। ব্ৰহ্মসূত্ৰৰ শ্লোক এটা তলত উল্লেখ কৰা হ'ল।

**ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ**
**সচ্চিদানন্দ বিগ্ৰহ ঃ**
**অনাদিৰাদিগোবিন্দ ঃ**
সৰ্বকাৰণকাৰণম্ ।। (ব্ৰহ্মসংহিতা ৫১)

**গীতা ঃ** উপনিষদেই বেদান্তসূত্ৰ বা ব্ৰহ্মসূত্ৰ আৰু গীতা উভয়ৰে আধাৰ স্বৰূপ। সেইবাবে গীতা আৰু বেদান্ত দুয়োৰে সুৰ একে হোৱাটো স্বাভাৱিক। গীতাই প্ৰকৃতিক ব্ৰহ্মৰ দুটা ভাব বুলিও কৈছে। তাৰে এটা ভাবক অপৰভাব, জড় প্ৰকৃতি বা অপৰা প্ৰকৃতি বুলিছে। প্ৰকৃতিৰ আনটো ভাবক পৰভাব বা চেতন পৰাপ্ৰকৃতি বোলা হৈছে। এই পৰাপ্ৰকৃতি বা পৰভাৱ আৰু অপৰা প্ৰকৃতি বা অপৰাভাবৰ মূল চৈতন্য সত্তাটোকে গীতাত পুৰুষোত্তমতত্ত্ব বোলা হৈছে। পুৰুষোত্তম স্বয়ং জড় আৰু চেতন উভয় জগতৰে অতীত অথচ দুয়োটা অৱস্থাতে তেওঁ নিজকে প্ৰকাশ কৰিছে। পুৰুষ আৰু প্ৰকৃতি বা পৰভাব আৰু অপৰাভাব দুয়োটাই তেওঁৰ বিভূতি মাত্ৰ। ভৌতিক অস্তিত্বৰ অজ্ঞতাৰ পৰা মানৱ সমাজক উদ্ধাৰ কৰাটোৱেই শ্ৰীমদ্ভগৱদ্ গীতাৰ উদ্দেশ্য। প্ৰতিজন ব্যক্তিয়ে বিভিন্ন প্ৰকাৰে সমস্যাৰ লগত জড়িত হৈ আছে। যিদৰে কুৰুক্ষেত্ৰৰ ৰণাংগনত যুঁজ দিবলগীয়া হোৱা বাবেই অৰ্জুন সমস্যাত পৰিছিল। অৰ্জুনে শ্ৰীকৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰিছিল আৰু তেওঁক গীতাৰ বাণীৰে অজ্ঞনতা দূৰ কৰি জ্ঞানৰ পোহৰ বিলাই কৰ্তব্যত আত্মনিয়োগ কৰাইছিল। গীতাত সন্নিবিষ্ট পৱিত্ৰবাণীৰে প্ৰতিজন ব্যক্তিয়ে নিজৰ সমস্যা সমাধান কৰি পৱিত্ৰ জীৱন যাপন কৰিব পাৰে।

গীতাৰ ১৮টা অধ্যায় একেই যোগসূত্ৰৰে গঠা। প্ৰথম ছটা অধ্যায় জীৱাত্মাৰ ওপৰত আৰু কৰ্মযোগৰ আধাৰ। প্ৰথম অধ্যায়টিকে 'বিষাদ যোগ' বোলা হৈছে। কাৰণ এই বিষাদৰ মাজেৰেও ভগৱান শ্ৰীকৃষ্ণৰ লগত যোগ স্থাপন হৈছে। মাজৰ ছয়টা অধ্যায় ব্ৰহ্মাণ্ডীয় বাস্তৱতাৰ বিষয়, যাক কোৱা হয় 'জ্ঞান যোগ'। শেষৰ




ছয়টা অধ্যায় হ'ল 'ভক্তিযোগ'। এই তিনিভাগত দেখা যায় প্ৰথমে আত্মা, তাৰ পাছত পৰমাত্মা আৰু শেষত আত্মা আৰু পৰমাত্মাৰ সম্পৰ্ক।

গীতাৰ শিক্ষা মাথোন এক ধৰ্মৰ শুৱলা বাণী নহয়। ই এক সুস্থ আৰু শান্তিৰ জীৱন যাপনৰ আহিলা বা কৌশল।

মহা ভাগৱত শাস্ত্ৰ সমস্ত বেদৰ সাৰ। ই লগে লগে ভক্তি প্ৰদান কৰে আৰু ভাগৱতৰ মহত্ত্ব তুলনাবিহীন। গতিকে ই সমস্ত বেদতকৈ শ্ৰেষ্ঠতৰ আৰু ই সমস্ত শাস্ত্ৰৰ পৰম গোপনীয়।

মহাভাগৱতত গীতাৰ প্ৰভাৱ পৰিলক্ষিত হয়। ভাগৱতৰ একাদশ স্কন্ধত 'কৃষ্ণ উদ্ধৱ সংবাদ' সপ্তম অধ্যায়ৰ পৰা ঊনত্ৰিশ অধ্যায়লৈ একেই গীতাৰ তত্ত্ব পোৱা যায়। মহাভাগৱত এনে এখন শাস্ত্ৰ য'ত মানুহৰ মনত উৎপত্তি হোৱা প্ৰতিটো প্ৰশ্নৰ উত্তৰ বা সমাধান পোৱা যায়। গভীৰভাৱে অধ্যয়ন কৰিলে ভাগৱতৰ মাজত নিজকে দৰ্শন কৰিব পাৰিব।

বেদ, উপনিষদ, বেদান্ত সূত্ৰ বা ব্ৰহ্মসূত্ৰ, গীতা আদি ধৰ্মীয় গ্ৰন্থসমূহ অধ্যয়ন কৰি এনে ভাব হয় যে সময়ৰ লগত সংগতি ৰাখি তাহানিৰ জনসাধাৰণৰ বুদ্ধিমত্তা আৰু চিন্তাধাৰাৰ আধাৰত ঋষি, মহৰ্ষি আৰু মুনিসকলে সমাজ ব্যৱস্থাৰ লগত ৰজিতা খুৱাই কিছু নীতি-নিয়ম উদ্ভাৱন কৰি সমাজখন শৃংখলাবদ্ধ কৰি, ধৰি ৰাখিবৰ বাবে যত্ন কৰি আধ্যাত্মিক ভাৱনাৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিল। আচৰণ ভিন্ন হ'লেও ধৰ্মৰ মূল দৰ্শনৰ মাজত বেছি পাৰ্থক্য নাছিল। তাহানিৰ চলিত নিয়ম-কানুন, আচাৰ-ব্যৱহাৰ, খাদ্য অভ্যাস, উৎসৱ-পাৰ্বণ, জীৱন ধাৰণ প্ৰণালী, ধৰ্ম আদি মানুহৰ মুখে মুখে শুনি আৰু কাৰ্যবোৰ দেখি তাৰ পৰা জ্ঞান আহৰণ কৰি নিজৰ কৰ্ম আৰু ধৰ্মৰ আচৰণ কৰিছিল। তাহানিৰ সেই সময়ত বেদৰ লিখিত ৰূপ নাছিল বাবে বেদক শ্ৰুতি বোলা হৈছিল। কৃষ্ণ দ্বৈপায়ন ব্যাসে লিখিত ৰূপ দি বেদক চাৰি ভাগত বিভক্ত কৰে। বিষ্ণুপুৰাণৰ মতে বেদক ২৮ বাৰ বিভাজন কৰা হৈছিল। ইয়াৰ পৰা এই কথা উপলব্ধি কৰিব পাৰি যে প্ৰয়োজনীয়তাৰ ভাঁজে ভাঁজে সময়ৰ ফাঁকে ফাঁকে দহৰ মংগলৰ বাবে ঋষি, মহৰ্ষি আৰু মুনিসকলে বেদ বিভাজন কৰিছিল। বেদ বিভাজন কৰোঁতে ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদত মন্ত্ৰসমূহ তিনি ভাগত বিভক্ত কৰি কাৰ্য পৰিচালনা কৰিছিল। বেদৰ তত্ত্বদৰ্শনসমূহ উপনিষদত সন্নিবিষ্ট কৰিছিল। উপনিষদৰ সাৰ ব্ৰহ্মসূত্ৰ বা বেদান্ত সূত্ৰ আৰু গীতা। সৰ্বসাধাৰণে উপনিষদৰ তত্ত্বদৰ্শন, গীতাৰ পৱিত্ৰ বাণী আৰু ব্ৰহ্মসূত্ৰৰ পৰমাৰ্থ তত্ত্ব বুজিব পৰাকৈ নাৰদৰ উপদেশ মতে 'শ্ৰীমদ্ভাগৱত' পুৰাণ ৰচনা কৰি আধ্যাত্মিক চিন্তা আৰু শুদ্ধ ভাৱনা গঢ়ি মানুহক ভক্তি মাৰ্গত প্ৰৱেশ কৰাই ভক্তি অমৃত পান কৰাবলৈ পুৰাণৰ আখ্যান আৰু কৃষ্ণৰ চৰিত্ৰ সুন্দৰভাৱে ভাগৱতত উপস্থাপন কৰা হৈছিল।

শ্ৰীমন্ত শংকৰদেৱে বেদ উপনিষদ, গীতা, ব্ৰহ্মসূত্ৰ, পুৰাণ, ৰামায়ণ মহাভাৰত আদি শাস্ত্ৰ অধ্যয়ন কৰি মনত উদয় হোৱা 'একশৰণ হৰিনাম ধৰ্ম'ৰ বহিঃ প্ৰকাশ ঘটায়। মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ 'একশৰণ হৰি নাম ধৰ্ম'ৰ বহিঃ প্ৰকাশ ঘটায়। মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ 'একশৰণ হৰি নাম ধৰ্ম'ৰ মতাদৰ্শ ভক্তি প্ৰকাশক। ভাগৱত মহাপুৰাণ আৰু শ্ৰীমদ্ভগৱদ গীতাৰ একশৰণৰ ভেটিত প্ৰতিষ্ঠিত। এই ধৰ্ম বিষ্ণু ভক্তি বিশেষকৈ কৃষ্ণ ভক্তি প্ৰধান। বিষ্ণুৰ সহস্ৰনামৰ সমাহাৰ বিষ্ণুভক্তি বা কৃষ্ণ ভক্তি । সেয়ে মাধৱদেৱ গুৰুজনাৰ নামঘোষাত প্ৰকাশ পাইছে।

কৃষ্ণ এক দেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী

কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টিস্থিতি অন্তকাৰী দেৱ তান্তবিনে আন নাহি কেৰ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।

মহাপুৰুষজনাৰ এই এক দেৱ, এক সেৱ মহামন্ত্ৰ বিশিষ্ট একেশ্বৰবাদী ধৰ্ম সাধনাৰ পথ। এই পথ অতি সুগম, আচৰণ অতি সৰল, কোনো অৰ্থৰ প্ৰয়োজন নাই, নাই কোনো শ্ৰম। ভগৱানক ভক্তি কৰিবলৈ, তুষ্ট কৰিবলৈ গভীৰ শাস্ত্ৰজ্ঞানৰ অসাধাৰণ পাণ্ডিত্যৰ আৱশ্যক নাই। তপ, জপ, তীথ, ব্ৰত আদি জটিল পথৰ কোনো প্ৰয়োজন নাই। পৱিত্ৰ ভকতি ভাৱত ভগৱান সন্তুষ্ট হয়। মহাপুৰুষ গুৰুজনাই কীৰ্তন পুথিত নিজেই লিখিছে—

নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইৰে।
নালাগে সম্ভৃত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ, জপ, যজ্ঞদান, সবে বিৰস্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।

কায়, মনো, বাক্যে, একান্ত চিত্তে আৰু সুদৃঢ় বিশ্বাসেৰে ভগৱানৰ শ্ৰীচৰণত শৰণাপন্ন হ'লেই মন স্থিৰ হয় আৰু ষড় ৰিপুৰ বিনাশ কৰি মায়া মোহৰ পৰা মুক্ত হৈ ত্যাগৰ মনোবৃত্তিৰে সেৱাৰ ভাব জাগৃত হয় আৰু শান্তি লাভ হয়। এনে সহজ-সৰল মনোমোহা 'একশৰণ হৰি নাম ধৰ্ম' থাকোতে, জটিল, ব্যয়বহুল যাগ্ যজ্ঞ, পূজা-পাতাল, বলি বিধান আদিৰ প্ৰয়োজনেই বা কি?

*ফোন ঃ ৯৮৫৪০৪১৮১৫*

# নগাঁৱত ব্যংগ সাহিত্যত সংযোজন হ'ল মনোজ কুমাৰ শৰ্মাৰ 'ভিন্ন ৰসৰ সুবাস'

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৬ জুন ঃ** 'সাহিত্যৰ জগতখনত ব্যংগ সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ স্থান আছে। অসমীয়া সাহিত্যত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাকে মুখ্য কৰি কে'বাজনো স্বনামধন্য সাহিত্যিক আছে, যি ব্যংগ সাহিত্যৰ জোৱাৰ সৃষ্টি কৰি গৈছে। আজি নগাঁৱত উন্মোচন হ'ল ভিন্ন ৰসৰ কবি মনোজ কুমাৰ শৰ্মাৰ ব্যংগ কবিতাৰ সংকলন 'ভিন্ন ৰসৰ সুবাস'। লগে লগে অসমীয়া ব্যংগ সাহিত্যত এখন নতুন গ্ৰন্থ সংযোজিত হ'ল। ই ভাষা সাহিত্যৰ জগতখনৰ কাৰণে এটা আনন্দৰ খবৰ।' এই মন্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাৰ। নগাঁও জিলা সাহিত্য সভাৰ অনুষ্ঠানত ভিন্ন ৰসৰ সুবাস উন্মোচন কৰি ৰাজখোৱাই লগতে কয় যে বৰ্তমান অসমীয়া ভাষা-সংস্কৃতিত বিপৰ্যয় আৰম্ভ হৈছে। মানুহৰ দৈনন্দিন বাক্য ব্যৱহাৰত অগণন ভুল প্ৰয়োগে অসমীয়া ভাষাৰ যথেষ্ট ক্ষতিসাধন কৰিছে। হাৰম'নিয়াম বজাই বৰগীত গোৱা, শংকৰদেৱ গুৰুজনাৰ অনবদ্য সৃষ্টি ভাওনাত, কেলিগোপাল নাটত বিয়া-সবাহত বজোৱা বেণ্ড পাৰ্টি ব্যৱহাৰ কৰা আদি কামবোৰে অসমীয়া সংস্কৃতিক বিকৃত কৰিছে। এই কামবোৰ বন্ধ কৰাৰ দায়িত্ব প্ৰতিজন অসমীয়াৰ বুলি উল্লেখ কৰি ৰাজখোৱাই কয় যে মনোজ কুমাৰ শৰ্মা সমাজ সচেতন ব্যক্তি। সেয়েহে সমাজৰ বিভিন্ন কেৰোণবোৰ তেওঁ কবিতাৰ মাজেদি তুলি ধৰাৰ চেষ্টা কৰিছে। গ্ৰন্থখনে পাঠক সমাজৰ স্নেহ লাভ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি কবি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক উপেন চন্দ্ৰ বৰা, শৰৎ চন্দ্ৰ শইকীয়া, জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ কুমুদ বৰা, সহকাৰী সম্পাদক দীপিকা নাথ প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলা সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই আঁতধৰা সভাখনত অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকা, জিলাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰা আদিয়েও ভাষণ প্ৰদান কৰে।

# অংগনৱাড়ী কৰ্মী-সহায়িকাক এককালীন সাহায্য প্ৰদানৰ দাবীত স্মাৰকপত্ৰ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১৬ জুন ঃ** অংগনৱাড়ী কৰ্মী-সহায়িকাৰ এককালীন সাহায্য প্ৰদানৰ দাবী তুলি যোৱা ১৫ জুনত বিহুপুৰীয়া প্ৰকল্প অংগনৱাড়ী কৰ্মী সহায়িকা সন্থাই সমাজ কল্যাণ বিভাগৰ সঞ্চালকলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। বিশেষকৈ অংগনৱাড়ী কৰ্মী-সহায়িকাক অৱসৰী এককালীন সাহায্য দিয়াৰ ব্যৱস্থা নকৰা পৰ্যন্ত কৰ্মৰ পৰা অব্যাহতিৰ লগতে পাৰিশ্ৰমিক বন্ধ নকৰা, উচ্চতম ন্যায়ালয়ৰ ৰায় কাৰ্যকৰী কৰি গ্ৰেচুইটি কৰি গ্ৰেচুইটি প্ৰদানৰ ব্যৱস্থা কৰা, অৱসৰৰ সীমা ৬৫ বছৰলৈ বৃদ্ধি কৰা, অৱসৰী কৰ্মীক চাৰিলাখ, মিনি কৰ্মীক তিনিলাখ আৰু সহায়িকাসকলক দুইলাখ টকাকৈ নিৰ্ধাৰিত কৰি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবৰ দাবী তুলি আজি বিহপুৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ জৰিয়তে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ সঞ্চালকলৈ সন্থাৰ সভানেত্ৰী দিব্যাভাৰতী দেউৰী, সম্পাদিকা নৱনীতা হাজৰিকা স্বাক্ষৰিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে। এই দাবীসমূহ কাৰ্যকৰী নকৰিলে সন্থাই পৰৱৰ্তী সময়ত জংগী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সমাজ কল্যাণ বিভাগক সকীয়াই দিছে।

# মৰিয়নিৰ গিবনত বনৰীয়া হাতীৰ আক্ৰমণত আহত পথচাৰী

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৬ জুন ঃ** মৰিয়নিৰ হোলোঙাপাৰ গিবন অভয়াৰণ্যত বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মটৰ চাইকেল আৰোহী গুৰুতৰভাৱে আহত হৈছে। আজি সন্ধিয়া ছমান বজাত এই ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে আজি বিয়লিৰে পৰা অভয়াৰণ্যখনৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ জাকে ধোদৰআলিৰ ওপৰত অৱস্থান কৰি যান-বাহনৰ চলাচল ব্যাহত কৰি ৰাখিছিল। বন বিভাগৰ লোকে অভয়াৰণ্যখনৰ দুয়োমুৰে থাকি হাতীজাক আঁতৰাই পথোৱাৰ ব্যৱস্থা কৰিছিল যদিও একাধিক স্থানত হাতীজাকে পথ অৱৰোধ কৰি ৰাখে। ধোদৰআলি বন শিবিৰৰ লগতে কঁঠালগুৰি চাহ বাগিচাৰ কাষত অৱস্থিত বন শিবিৰৰ কাষতো হাতীয়ে ধোদৰআলিৰ ওপৰত অৱস্থান লয়। ফলত যথেষ্ট সময় ধৰি অভয়াৰণ্যখনৰ দুয়োদিশে যান-বাহন আৱদ্ধ হৈ পৰে। পাছত ধোদৰআলি বন শিবিৰৰ কাষত থকা হাতীৰ জাকতো ৰাস্তা পাৰ হৈ কঠালগুৰি চাহ বাগিচাত প্ৰৱেশ কৰে। পথটো কিছু মুকলি হৈ পৰাৰ ফলত আৱদ্ধ হৈ পৰা যান-বাহন সমূহ পাৰ হ'ব খোজে। সেই সময়তে ইতিমধ্যে পাৰ হৈ যোৱা জাকটোৰ মাজতে এটা হাতী আক্ৰমণাত্মক ভংগীৰে উভতি আহি পথৰ ওপৰতে এজন মটৰ চাইকেল আৰোহীক আক্ৰমণ কৰে। প্ৰত্যক্ষদৰ্শীৰ মতে, মহিলাসহ মটৰ চাইকেল আৰোহীজনে যাওতেই বাইকৰ ষ্টাৰ্ট বন্ধ হৈ পৰে। ইতিমধ্যে খেদি অহা হাতীটোৱে মটৰ চাইকেলত থকা আৰোহী খগীৰাম ফুকনক আক্ৰমণ কৰে। হাতীটোৰ আক্ৰমণৰ পৰা মহিলাগৰাকী কোনোমতে ৰক্ষা পৰে যদিও খগীৰাম ফুকন প্ৰায় (৫৮) নামৰ লোকজনক আক্ৰমণ কৰি আহত কৰে। হাতীটোৱে লোকজনৰ মুখত গছকি দিয়াৰ উপৰি ভৰিত আঘাত কৰে। ফলত এটা ভৰি ভঙাৰ উপৰি মুখমণ্ডলত গুৰুতৰভাৱে আঘাত পায়। তাত উপস্থিত থকা ৰাইজৰ চিঞৰ-বাখৰত হাতীটো আঁতৰি যায়। তাৰ পাছতেই একাংশ সচেতন লোকৰ তৎপৰতাত আহত লোকজনক গাড়ীত উঠাই মৰিয়নি আৰক্ষী থানালৈ অনা হয়। তাৰ পাছতেই ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ লৈ যোৱা হয়। আহত লোকজনৰ ঘৰ মৰিয়নিৰ গজপুৰীয়া অঞ্চলত। তেওঁলোক নকছাৰীৰ ভেলেউগুৰিৰ পৰা ঘৰলৈ উভতি আহি থাকোতেই এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হয়। ঘটনাটোৱে মৰিয়নিত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনহাতে, বাতৰি লিখাৰ পৰলৈকে ধোদৰআলিৰ ওপৰত বনৰীয়া হাতীৰ জাকে অৱস্থান লৈয়েই আছে।

# বিহপুৰীয়া শংকৰদেৱ শিশু নিকেতনত মাতৃপূজন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১৬ জুন ঃ** বিহপুৰীয়া শংকৰদেৱ শিশু নিকেতন যোৱা ১১ আৰু ১২ জুনত মাতৃপূজন আৰু মাতৃ সন্মিলন অনুষ্ঠিত হয়। প্ৰথমদিনা অংকুৰৰ পৰা দ্বিতীয় শ্ৰেণীলৈ মাতৃ পূজন আৰু শিশু গীতৰ কৰ্মশালা অনুষ্ঠিত হয়। প্ৰধান আচাৰ্য ননী মাধৱ পূজাৰীয়ে আঁত ধৰা কৰ্মশালাত বন্তি প্ৰজ্বলন কৰে বিভাগ প্ৰমুখ নৱ কুমাৰ দত্তই। প্ৰশিক্ষণ প্ৰদান কৰে ক্ৰমে বগীনদী নিকেতনৰ আচাৰ্য ৰিতু সোণোৱাল আৰু পানী গাঁও নিকেতনৰ আচাৰ্য বীৰেন ভূএগ্ৰাই। দ্বিতীয় দিনাৰ কাৰ্যসূচীত তৃতীয়ৰ পৰা দশম শ্ৰেণীলৈ মাতৃপূজন অনুষ্ঠান আৰু মাতৃ সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে নিকেতন পৰিচালনা সমিতিৰ সভাপতি ললিত দত্তই। অধ্যক্ষতা কৰে মাতৃ ভাৰতীয় সভানেত্ৰী স্নিগ্ধা দেৱীয়ে। অনুষ্ঠানত লাইফ অৱ এই ড্ৰাইভাৰ, কেবিনৰ সিপাৰে কিতাপখনৰ লিখক তিনিচুকীয়াৰ ৰূপম দত্তই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে।

■ বৰষুণৰ পানীৰ ধলতে বিধ্বস্ত পথৰ অংশ

# চৌটাকিত গাঁৱলীয়া পথৰ পুৰণি হিউমপাইপৰ ওপৰতে পথ নিৰ্মাণ



**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৬ জুন ঃ** বঙাইগাঁও জিলাৰ তুলুঙীয়াৰ পৰা যোগীঘোপালৈ চাৰিশৰীয়া পথ নিৰ্মাণৰ দায়িত্বৰত সংস্থা আৰ এছ বি আই প্ৰাইভেট লিমিটেডে জিলাখনৰ চৌটাকিত গাঁৱলীয়া পথত থকা পুৰণি হিউম পাইপযুক্ত কালভাৰ্ট আঁতৰ নকৰাকৈ তাৰ ওপৰেৰে চাৰিশৰীয়া পথ নিৰ্মাণ কৰাৰ পাছত নেৰানেপেৰা বৰষুণত কৃত্ৰিম বানৰ কবলত পৰিছে অঞ্চলটো। তথ্য মতে, ১৭ নম্বৰৰ ঘাইপথ সংলগ্নকৈ চৌটাকিত নিৰ্মাণ কৰা গাঁৱলীয়া পথতে বহুওৱা হৈছিল তিনিশৰীয়া হিউমপাইপযুক্ত কালভাৰ্ট। স্মৰ্তব্য যে ৰাষ্ট্ৰীয় ঘাইপথটো চাৰিশৰীয়া পথ হিচাপে নিৰ্মাণ কৰিবলৈ লোৱাত গাঁৱলীয়া পথটোৰ হিউমপাইপ অংশ সামৰি লয়। নিৰ্মাণকাৰী সংস্থাটোৱে হিউমপাইপবোৰ আঁতৰ নকৰাকৈয়ে চাৰিশৰীয়া পথ নিৰ্মাণ কৰাত চাৰিশৰীয়া পথৰ তলতে থাকি যায় হিউমপাইপবোৰ। এনে অৱস্থাত বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণত অতিৰিক্ত পানীভাগ ওলাই যাব নোৱাৰি কৃত্ৰিম বানৰ সৃষ্টি কৰাৰ লগতে পানীৰ ধলে ৰাষ্ট্ৰীয় ঘাইপথৰ বহু অংশ খহাই নিয়ে। ইয়াৰ পাছতে চাৰিশৰীয়া পথৰ এটা অংশ যাতায়াতৰ বাবে বন্ধ কৰি দিয়া হয়। উল্লেখ্য যে গাঁৱলীয়া পথৰ হিউমপাইপৰ ওপৰতে চাৰিশৰীয়া পথ নিৰ্মাণ কৰাৰ পাছতো এন এইচ আই ডি চি এলৰ চকুতে নপৰিল নে নিৰ্মাণকাৰী সন্থাৰ অপৰিকল্পিত কামৰ লেকাম ধৰিবলৈ সাহস গোটাব নোৱাৰিলে সেয়া ৰহস্যৰ বিষয় হৈ পৰিছে। আনপিনে চাৰিশৰীয়া পথত কে'বাটাও অপৰিকল্পিতভাৱে কালভাৰ্ট নিৰ্মাণ কৰাত পথৰ কাষেৰে বৈ যোৱা কুজিয়া নৈৰ বাঢ়নী পানী ওফন্দি উঠি অপৰিকল্পিত কালভাৰ্টৰে পানী সোমোৱাত বহু গাঁও ভয়ংকৰ বানৰ কবলত পৰাই নহয় পানীৰ ধলে দুখন গাঁৱৰ সংযোগকাৰী বাঁহৰ দলং উটুৱাই নিয়ে।



*দোতমাত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা, বৃহস্পতিবাৰে।*

# তিৰু হিল্‌ছত নগাৰ আগ্ৰাসন ৰোধৰ দাবীত উপায়ুক্তক আটাছুৰ স্মাৰকপত্ৰ প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৬ জুন ঃ** নগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলত অৱস্থিত অসমৰ মাটি নগালেণ্ডে নিজৰ দখললৈ নিয়াৰ পাছতো অসম চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। মৰিয়নিৰ অসম-নগালেণ্ড সীমামূৰীয়া অঞ্চলত অৱস্থিত তিনিখনকৈ সংৰক্ষিত বনাঞ্চলৰ অধিকাংশ মাটি নিজৰ দখললৈ নিয়াৰ পাছত অৱশিষ্ট মাটিখিনিৰ ওপৰতো নজৰ দিছে। শেহতীয়াকৈ তিৰু হিল্‌ছ সংৰক্ষিত বনাঞ্চলত নগাই ব্যাপক বেদখল অব্যাহত ৰাখিছে। টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত ৰণখাম গাঁৱৰ প্ৰায় দাঁতিতে তিৰু হিল্‌ছ সংৰক্ষিত বনাঞ্চলত চলোৱা নগাৰ আগ্ৰাসনে সম্প্ৰতি গুৰুতৰ ৰূপ ধাৰণ কৰিছে। চৰকাৰী হিচাপ মতেই সংৰক্ষিত বনাঞ্চলখনৰ মুঠ ৫,৮৫৯ হেক্টৰ বনভূমিৰ প্ৰায় ৪,৯৫৮ হেক্টৰ বনভূমি ইতিমধ্যেই নগালেণ্ডে নিজৰ দখললৈ নিলে। বেদখলীকৃত বনভূমিৰ বনাঞ্চল ধ্বংস কৰি তাত নগাই বৃহৎ বৃহৎ চাহ বাগান, ৰবৰ বাগান, তামোল বাগান আদি স্থাপন কৰিছে। স্থাপন কৰিছে একাধিক নগা বস্তি। বৃহৎ বৃহৎ বনভূমিত অগ্নিসংযোগ কৰি মুকলি কৰি তাত বিভিন্ন খেতি কৰিছে। কিন্তু এই সকলোবোৰ দেখিও মৌন হৈ আছে অসম চৰকাৰ। অসমৰ মাটিৰ লগতে সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা বাৰে বাৰে বিঘ্নিত হৈ অহাৰ পাছতো অসম চৰকাৰে নিৰ্লজ্জভাৱে হাত সাবটি বহি আছে। তাৰেই সুযোগ লৈ নগালেণ্ডে ইখনৰ পাছত সিখন ঠাই নিজৰ হাতলৈ নিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতিৰ পাছতো অসম-নগালেণ্ড সীমা সমস্যাক লৈ বিশেষ মূৰ ঘমোৱা নাই ৰাজ্য চৰকাৰে। নগালেণ্ডৰ অবাধ বেদখল আৰু চৰকাৰৰ এনে আওকোণীয়া মনোভাবত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ যোৰহাট জিলা সমিতিয়ে। আজি যোৰহাট জিলাৰ উপায়ুক্তক আটাছুৰ যোৰহাট জিলা সমিতিয়ে এক স্মাৰকপত্ৰ প্ৰদান কৰি এই গুৰুতৰ সমস্যাৰ ক্ষেত্ৰত অধিক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। আটাছুৰ যোৰহাট জিলা সমিতিৰ সভাপতি ৰাজীৱ গগৈ আৰু সম্পাদক মন্টু ফুকনে স্বাক্ষৰ কৰা স্মাৰকপত্ৰত তিৰু হিল্‌ছ সংৰক্ষিত বনাঞ্চলত চলা নগাৰ আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ লগতে বিষয়টো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰি নগাই বেদখল কৰা ভূমি উচ্ছেদ কৰিবলৈও দাবী জনাইছে। তদুপৰি সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা ক্ষিপ্ৰতাৰে নিশ্চিত কৰিবলৈও দাবী জনাইছে। অন্যথা আটাছুৱে গণতান্ত্ৰিকভাৱে আন্দোলন কৰিব বুলিও সকীয়াই দিছে। আটাছুৰ যোৰহাট জিলা সমিতিৰ সম্পাদক মন্টু ফুকনে এই সন্দৰ্ভত চৰকাৰ আৰু জিলা প্ৰশাসনে সময়মতে পদক্ষেপ নোলোৱাৰ বাবেই আগ্ৰাসী মনোভাবেৰে নগাই অসমৰ মাটিত বেদখল চলাব পাৰিছে বুলি মন্তব্য কৰে। আনহাতে, এনে ঘটনাই নগা আৰু সীমামূৰীয়া অঞ্চলৰ অসমৰ ৰাইজৰ মাজত ভয়াবহ সংঘাত হোৱাৰো আশংকা ব্যক্ত কৰিছে ছাত্ৰ নেতাজনে। আনহাতে, আটাছুৱে বনাঞ্চল ধ্বংস আৰু নগাৰ আগ্ৰাসন ৰোধ কৰাৰ স্বাৰ্থত ধাৰাবাহিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সময়ে সময়ে প্ৰশাসনকো আগ্ৰাসনৰ সম্পৰ্কে অৱগত কৰি অহা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে মাজে সময়ে অভিযান চলাই যদিও সেয়া মাথোঁ দেখুৱাবলৈহে বুলি অভিযোগ কৰে আটাছুৰ নেতাজনে। আটাছুৰ যোৰহাট জিলা সমিতিৰ সম্পাদক মন্টু ফুকনে প্ৰশাসনক আহ্বান জনাই কয়, 'তিৰু হিল্‌ছ সংৰক্ষিত বনাঞ্চলত চলি থকা নগাৰ আগ্ৰাসনৰ বিৰুদ্ধে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰক, অন্যথা প্ৰতিবাদী কাৰ্যসূচীৰ সন্মুখীন হ'বলৈ সাজু থাকক।' ইয়াৰ পাছত প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে তালৈ সকলোৱে দৃষ্টি ৰাখিব।

# হোজাইত জিলা ভিত্তিক যোগ প্ৰতিযোগিতা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৬ জুন ঃ** হোজাই জিলা প্ৰশাসনৰ উদ্যোগত যোৱা ১৫ জুনত অসম চৰকাৰৰ আয়ুষ সঞ্চালকালয়ৰ নিৰ্দেশনাত হোজাই আৰোগ্য কেয়াৰ ফাউণ্ডেচনৰ সহযোগত হোজাই জিলাভিত্তিক এখন যোগ প্ৰতিযোগিতা শিবিৰ অনুষ্ঠিত কৰা হয়। এই জিলাভিত্তিক যোগ প্ৰতিযোগিতা শিবিৰত হোজাইৰ অতিৰিক্ত উপযুক্ত মানস ডেকাৰ উপস্থিতিত আৰম্ভণি কৰা হয়। হোজাই জিলা সদৰ শংকৰদেৱ নগৰৰ উপায়ুক্ত কাৰ্যালয়ৰ নৱনিৰ্মিত অডিটৰিয়াম হলত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম শাখাত তিনিবছৰ বয়সৰ পৰা ১০ বছৰলৈকে, দ্বিতীয় শাখাত ১০ বছৰৰ পৰা ১৮ বছৰলৈ, তৃতীয় শাখাত ১৮ বছৰৰ পৰা ৩৫ বছৰলৈ আৰু চতুৰ্থ শাখাত ৩৫ বছৰৰ ওপৰৰ হোজাই জিলাখনৰ পৰা চাৰিওতা শাখাত অংশগ্ৰহণ কৰে। হোজাই জিলাভিত্তিক যোগ প্ৰতিযোগিতাত চাৰিটা শাখাত ৮০ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে হোজাই আৰোগ্য কেয়াৰ ফাউণ্ডেচন কৰ্মকৰ্তাই লগতে চাৰিটা শাখাৰ পৰা চাৰিজনক ৰাজ্যিক যোগ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে নিৰ্বাচিত কৰা হ'ব বুলিও জানিব দিয়ে।

# হোজাইত ১৪৪ ধাৰা জাৰি

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৬ জুন ঃ** ৰাজহুৱা শান্তি-শৃংখলা ভংগৰ আশংকা আৰু জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি হোজাই জিলাৰ জিলা দণ্ডাধীশ অনুপম চৌধুৰীয়ে ভাৰতীয় ফৌজদাৰী দণ্ড বিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত জিলাখনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এক আদেশযোগে তৎকালে বলৱৎ হোৱা এই নিষেধাজ্ঞাসমূহ পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত জিলাখনত বাহাল থাকিব। এই আদেশৰ কাৰণ জিলা প্ৰশাসনে প্ৰকাশ কৰা নাই যদিও দেশৰ বিভিন্ন ঠাইত হোৱা কেতবোৰ ঘটনাৰ বাবে এই নিৰ্দেশ প্ৰদান কৰা হয়।

# খুমটাইত পকী খুঁটাৰ পৰিৱৰ্তে বাঁহৰ খুঁটাত পৰিবাহী তাঁৰ

■ বিদ্যুৎ বিভাগৰ হঠকাৰী কাৰ্যত শংকিত ৰাইজ



**অগ্ৰদূত বাৰ্তা**

**খুমটাই, ১৬ জুন ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত ঠেঙাল গেলেকীয়াল গাঁৱত বাঁহৰ খুঁটাত বিদ্যুৎ পৰিবাহী তাঁৰ সংলগ্ন কৰি গ্ৰাহকক বিদ্যুৎ যোগান ধৰি অহাৰ অভিযোগ স্থানীয় ৰাইজৰ। কমাৰগাঁও বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ অধীনৰ উক্ত অঞ্চলত প্ৰায় ৩৬ বছৰ পূৰ্বে তদানীন্তন অগপ চৰকাৰৰ দিনতে গাঁওবাসীয়ে বিদ্যুৎ সেৱা লাভ কৰিছিল যদিও বৰ্তমান সময়তো সেই আওপুৰণি বিদ্যুৎ পৰিবাহী তাঁৰ, পকী খুঁটাতেই বিপদ সংকুলভাৱে গাঁওবাসীয়ে বিদ্যুৎ সেৱা লাভ কৰি আছে। উল্লেখ্য যে কমাৰগাঁও বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ অধীনস্থ অঞ্চলটোত তিনিটা বিদ্যুৎ পকী খুঁটাত ফাট মেলাৰ লগতে বহু স্থানত বিদ্যুৎ পৰিবাহী তাঁৰসমূহ সেৰেঙা খুঁটাৰ বাবে ওলমি যোৱাত কিছু কিছু ঠাইত পকী খুঁটাৰ পৰিৱৰ্তে বাঁহৰ খুঁটা ব্যৱহাৰ কৰাত শংকাত ভুগিছে গাঁওবাসী। গাঁওখনৰ সদা ব্যস্ত মূল পথৰ কাষতে বাঁহৰ খুঁটাত বিদ্যুৎ সেৱা যোগান ধৰাত উক্ত পথৰে বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে কণ কণ শিশুসকল বিদ্যালয়ত অধ্যয়ন কৰিবলৈ যায়। বিভিন্ন সময়ত বাঁহৰ খুঁটা বতাহত ভাঙি বিদ্যুৎ পৰিবাহী তাঁৰসমূহ তললৈ নামি অহাত বিপদত পৰাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। আনহাতে, ৰাজ্যখনত এইকেইদিন হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত গাঁওখনৰ ৰাইজে বাঁহৰ খুঁটাত বিদ্যুৎ যোগান ধৰাত চিন্তিত হৈ পৰাৰ লগতে শীঘ্ৰেই গাঁওখনৰ বিপদ সংকুলভাৱে থকা বিদ্যুতৰ তাঁৰ, বাঁহৰ খুঁটাৰ পৰিৱৰ্তে পকী খুঁটা যোগান ধৰিবলৈ কমাৰগাঁও বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীক কাতৰ আহ্বান জনাইছে।

# গুৰুকুল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত এশ শতাংশই উত্তীৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ১৬ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে কামপুৰত উজলিল গুৰুকুল ছিনিয়ৰ চেকেণ্ডাৰী স্কুল। বিদ্যালয়খনৰ পৰা ২০জন ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰ ভিতৰত প্ৰথম বিভাগত ১২ জন, দ্বিতীয় বিভাগত সাতজন আৰু তৃতীয় বিভাগত এজন উত্তীৰ্ণ হয়। এই ২০জনৰ ভিতৰত তিনিজনে ডিষ্টিংছন আৰু ছয়জনে ষ্টাৰ মাৰ্ক লাভ কৰে। বিদ্যালয়খনৰ অধ্যক্ষ দেবাংগ বাবুল বৰাই জানিবলৈ দিয়া মতে, কামপুৰৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্দশালৈ লক্ষ্য ৰাখি বিদ্যালয়খনত উচ্চতৰ মাধ্যমিক শাখাত বিনামূলীয়াকৈ নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে।

# চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ লখিমপুৰ সমিতিৰ মুখ্যমন্ত্ৰীলৈ গণ স্বাক্ষৰিত স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৬ জুন ঃ** সদৌ অসম চৰকাৰী সন্থা এনপিএছ কৰ্মচাৰী সন্থা আৰু অসমৰ কৰ্মচাৰী সন্থা, সংঘৰ যৌথ উদ্যাগত ৰাজ্যৰ সকলো বিষয়া, শিক্ষক, আৰক্ষী, কৰ্মচাৰী, অৱসৰী কালৰ অৰ্থনৈতিক স্বাৱলম্বিতা পুৰণি পেঞ্চনাৰ যোগেদি সুৰক্ষিত নোহোৱালৈকে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ সংগ্ৰাম অব্যাহত ৰখাৰ সিদ্ধান্তই কালি সন্থাৰ লখিমপুৰ জিলা সমিতিয়ে গণ স্বাক্ষৰিত স্মাৰক পত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ১২/৬২২ জুনত অসম চৰকাৰে মুখ্যমন্ত্ৰীৰ হৈ বিত্তমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত আনুষ্ঠানিক সভাত অসম চৰকাৰৰ ইতিবাচক সন্থাই আদৰণি জনাই আজি ল'বলগীয়া অৰ্ধদিনীয়া কৰ্মবিৰতি আৰু উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ধৰ্ণাৰ কাৰ্যসূচী স্থগিত ৰাখে। স্মাৰক পত্ৰৰ প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা অনুসৰি সন্থাৰ বিভিন্ন সমস্যাৰ সমাধানৰ প্ৰতি চৰকাৰে দেখুওৱা ইতিবাচক সঁহাৰিৰ প্ৰতি কৰ্মচাৰী সমাজৰ আস্থা আৰু সন্মান অসম চৰকাৰৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব সন্থাৰ আগন্তুক কাৰ্যপন্থা।

# গড়গাঁও ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীক্ষক নৱ কৃষ্ণ মহন্তক বিদায় সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি, ১৬ জুন ঃ** নাজিৰা মহকুমাৰ শিমলুগুৰি নগৰৰ সমীপৰ ৰাউনা পথুচুণ্ডী ভৰলোৱা গাঁৱত অৱস্থিত গড়গাঁও ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীক্ষক নৱকৃষ্ণ মহন্তই যোৱা ৩১ মে'ত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাত যোৱা ১৪ জুনত ৰংপুৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে শিমলুগুৰি ৰামুগাঁওস্থিত বেচৰকাৰী কাৰিকৰী শিক্ষানুষ্ঠান ৰংপুৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত এখন বিদায় সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। প্ৰতিষ্ঠানৰ সঞ্চালক শশীধৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত গড়গাঁও ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ নৱনিযুক্ত অধীক্ষক গোবিন্দ শৰ্মা, প্ৰশিক্ষক অনুপম শইকীয়া, যোৰহাট ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰশিক্ষক ৰুবুল শৰ্মা, জ্যেষ্ঠ সহায়ক গৌৰী শংকৰ দাস, বিশিষ্ট ব্যৱসায়ী দীপ দাস, ৰংপুৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰিচালনা সমিতিৰ সভাপতি ঘনশ্যাম গগৈ, সম্পাদক ধ্ৰুৱজ্যোতি সন্দিকৈ, ৰংপুৰ ছ'চাইটিৰ সভাপতি ললিত লাহন, পৰিচালনা সঞ্চালক নিৰ্মল লাহন, সাংবাদিক জয়ন্ত বৰুৱা প্ৰমুখ্যে ভালেকেইজন ব্যক্তিয়ে অৱসৰপ্ৰাপ্ত অধীক্ষক নৱকৃষ্ণ মহন্তৰ কৰ্মজীৱন আৰু ব্যক্তিগত জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰে। ৰংপুৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ অমৰজ্যোতি মহন্তই আদৰণি ভাষণ দাঙি ধৰা সভাত অৱসৰপ্ৰাপ্ত অধীক্ষকজনক ৰংপুৰ কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ তৰফৰ পৰা গামোচা, চেলেং চাদৰ, ধৰ্মগ্ৰন্থ, সফুৰা সম্বৰ্ধনা পত্ৰৰে বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰতিষ্ঠানৰ প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থীসকলে গছপুলি, ফুলৰ থোপা, গামোচা, গ্ৰন্থৰ টোপোলা আদিৰে বিদায় সম্ভাষণ জ্ঞাপন কৰে। উল্লেখ্য যে মহন্তই এটা দশকৰো অধিক কাল গড়গাঁও ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

# ১৫৬ বেটেলিয়ন চিআৰপিএফৰ ১৮ সংখ্যক ইউনিট প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৬ জুন ঃ** আভ্যন্তৰীণ নিৰাপত্তা আৰু বিদ্ৰোহ প্ৰতিৰোধৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ বিশেষভাৱে নিৰ্ধাৰিত আটাইতকৈ পুৰণি আৰু বৃহত্তম অৰ্ধসামৰিক বাহিনীসমূহৰ ভিতৰত অন্যতম হৈছে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী। চিৰাং জিলাৰ কুকুৰমাৰীস্থিত ১৫৬ বেটেলিয়ম কেম্প বিদ্ৰোহ আৰু আইন-শৃংখলাৰ কৰ্তব্যৰ বাবে অৱস্থিত। বাহিনীটোৰ ১৫৬ নম্বৰ বেটেলিয়নৰ ১৮ সংখ্যক ইউনিট প্ৰতিষ্ঠা দিৱস কালি উদ্‌যাপন কৰা হয়। ১৫৬ নম্বৰ বেটেলিয়ন চিআৰপিএফৰ কমাণ্ডেণ্ট ওম প্ৰকাশ টোকাসে কোৱাৰ্টাৰ গাৰ্ডত চালামী গ্ৰহণ কৰি বৰ্তমানৰ বিষয়া, অধীনস্থ বিষয়া, জোৱান আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ জনায় যে ইউনিটে-২০২২ৰ উত্তৰ প্ৰদেশ, পঞ্জাৱ আৰু মণিপুৰত বিধানসভা নিৰ্বাচন সফলতাৰে অনুষ্ঠিত কৰাৰ লগতে আমাৰ এ অ' আঁৰত আইন-শৃংখলা বজাই ৰাখিছিল। এই বাহিনী পৰিবেশৰ প্ৰতি অতি সচেতন। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ, বৃক্ষৰোপণ অভিযান, জল সজাগতা অভিযান তথা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি বিভিন্ন দিৱস উদ্‌যাপন কৰা হয়। একে দিনাই জোৱানসকলৰ মাজত ভলীবল প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু অংশগ্ৰহণকাৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে কোম্পানীটোৰ সকলোৱে মেছত সংগঠিত হৈ ডাঙৰ ভোজৰো আয়োজন কৰে।

# দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক বিষ্ণু প্ৰসাদ নাথৰ বিদায় সম্বৰ্ধনা


**অগ্ৰদূত বাৰ্তা**

**দুনী, ১৬ জুন ঃ** দৰং জিলা শাৰীৰিক নিৰ্দেশক সংস্থাৰ তৰফৰ পৰা কালি ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত শাৰীৰিক নিৰ্দেশক বিষ্ণুপ্ৰসাদ নাথক বিদায় সম্বৰ্ধনা জনোৱা হয়। জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ত সংস্থাৰ সভাপতি লোহিত কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মোবাৰক হুছেইনে। আদৰণি ভাষণ পাঠ কৰে শাৰীৰিক নিৰ্দেশক নৱ কুমাৰ কলিতাই। ইয়াৰ পাছতে অৱসৰপ্ৰাপ্ত শাৰীৰিক নিৰ্দেশকজনক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থ আৰু কলমেৰে সম্বৰ্ধনা জনায়। জ্যেষ্ঠ শাৰীৰিক নিৰ্দেশকজন প্ৰথমে ধেমাজি জিলাত শাৰীৰিক নিৰ্দেশক হিচাপে যোগদান কৰি পৰৱৰ্তী সময়ত দৰঙলৈ বদলি হৈ আহে। যোৱা ৩১ মাৰ্চত ছিপাঝাৰ বি জে ছোৱালী হাইস্কুলৰ পৰা শাৰীৰিক নিৰ্দেশক হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। সভাত মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰাক্তন সম্পাদক তথা নগৰ উন্নয়ন প্ৰাধিকাৰীৰ অধ্যক্ষ প্ৰতাপ বৰদলৈক সন্থাই ফুলাম গামোচা, এটি স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি বৰদলৈয়ে বিদ্যালয়ত পাঠদানৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰত আগুৱাই যোৱাত শাৰীৰিক নিৰ্দেশকৰ বিশেষ ভূমিকা থকাৰ লগতে ৰাইজৰ লগত শাৰীৰিক নিৰ্দেশকৰ সম্পৰ্ক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি কয় আৰু ক্ৰীড়া নহ'লে পৃথিৱী জীয়াই নাথাকে বুলি কয়। সভাত দৰং জিলা ক্ৰীড়া বিষয়া লুটুৰাজ বসুমতাৰীয়ে বিদায়ী বিষ্ণু প্ৰসাদ নাথৰ ব্যক্তিত্ব আৰু ক্ৰীড়া প্ৰতিভাৰ শলাগ লয়। অৱসৰী শাৰীৰিক নিৰ্দেশক পুৰন্দৰ চমুৱা, শাৰীৰিক নিৰ্দেশক সতেশ্বৰ ডেকা, কুমুদ বৰা, মৃণাল কলিতাই বিদায়ী বিষ্ণু প্ৰসাদ নাথৰ খেলুৱৈ আৰু চাকৰি জীৱনৰ দক্ষতাক ভূয়সী প্ৰশংসাৰে নিজৰ অনুভৱ ব্যক্ত কৰে।






## ছাত্ৰ-ছাত্ৰীৰ ভাল অভ্যাস




[illegible]

## অষ্টম শ্ৰেণীৰ অসমীয়া

[illegible]

## অষ্টম শ্ৰেণীৰ অসমীয়া

[illegible]



[illegible]

## নৱম শ্ৰেণীৰ বিজ্ঞান ঃ পৰমাণুৰ গঠন

সম্ভাব্য প্ৰশ্নাৱলী ঃ–

১। [illegible]

উত্তৰ ঃ ১৮৮৬ চনত ই গ'ল্ডষ্টেইনে (E.Goldstain) [illegible]






পৰমাণুৰ [illegible]

| [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
|---|---|---|---|---|
| প্ৰ'টিয়াম | ${}^1_1H$ | 1 | 1 | 0 |
| ডয়টেৰিয়াম | ${}^2_1H$ বা D | 1 | 1 | 1 |
| ট্ৰিটিয়াম | ${}^3_1H$ বা T | 1 | 1 | 2 |

[illegible] 2, 4 [illegible] ছ'ডিয়াম (Na) [illegible] = 11 [illegible] 11 [illegible] 2.8.1 [illegible] (K+L) = 2+8 = 10

### ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি ঃ সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাৰ [illegible]

[illegible]

### যোৱা ১০ জুন,২০২২ সংখ্যাৰ শুদ্ধ উত্তৰ

[illegible]

## সানমিহলি কুইজ

[illegible]

## নৱম শ্ৰেণীৰ গণিত -৪

[illegible] 3.765 [illegible]

[illegible]

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ক'ত কি পঢ়িব পাৰি !


মৰমৰ শিক্ষাৰ্থীসকল,

[illegible] www.iliassam.nic.in [illegible]



## কেৰিয়াৰ

ড° কুলজিৎ বুঢ়াগোহাঁই



[illegible] (Stenographer & Secretarial Assistant (English)), [illegible] (Fashion Design & Technology), [illegible] (Desk Top Publishing (DTP) Operator), [illegible] (Multi Media Animation and Special Effects), [illegible] (Digital Photographer), [illegible] (Mechanic Auto Body Painting), [illegible] (Secretarial Practice (English)), [illegible] (Cosmetology), [illegible] Front Office Assistant, [illegible] (Fire Technology & Industrial Safety Management), [illegible] (Computer Operator & Programming Assistant) [illegible] (Electrician), [illegible] (Mechanic Motor Vehicle), [illegible] (Draughtsman Mechanical), [illegible] (Fitter), [illegible] (Machinist), [illegible] (Turner), [illegible] (Draughtsman Civil), [illegible] (Surveyor), [illegible] (Civil Engineering Assistant), [illegible] (Electronics Mechanic), [illegible] (Instrument Mechanic), [illegible] (Refrigeration & Air Conditioner Technician), [illegible] (Information & Communication Technology System Maintenance), [illegible] (Maintenance Mechanic Chemical Plant), [illegible] (Mechanic Agricultural Machinery) [illegible]

[illegible]
ই-মেইল- buljit@gmail.com

[illegible]

# মাৰ্ঘেৰিটাত পথ নিৰ্মাণৰ দাবীৰে উত্তাল প্ৰতিবাদ আছা-আটছাৰ



**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ১৬ জুন ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা আৰু অৰুণাচল প্ৰদেশৰ দেউমালিৰ সংযোগী পথটো দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ থকাত যমৰ যাতনা ভোগ কৰিব লগা হৈছে অঞ্চলবাসীয়ে। বিগত মাত্ৰ কেইবছৰৰ পূৰ্বে প্ৰায় ১৭ কোটি টকা ব্যয় সাপেক্ষে ১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা নিৰ্মাণ কৰা হৈছিল যদিও নিৰ্মাণ কাৰ্য একেবাৰে নিম্নমানৰ হোৱাৰ হেতুকে নিৰ্মাণৰ এবছৰৰ পাছৰ পৰাই ভাঙিবলৈ আৰম্ভ কৰি আজি চূড়ান্তভাৱে বিধ্বস্ত হৈ অহা-যোৱাৰ বাবে একেবাৰে অনুপযোগী হৈ পৰিছে। ইতিমধ্যে পথছোৱা নিৰ্মাণৰ বাবে স্থানীয় প্ৰশাসন কিম্বা বিধায়কক বহুবাৰ আবেদন-নিবেদন কৰি আহিছে যদিও আজি পৰ্যন্ত অঞ্চলবাসীয়ে কোনো ধৰণৰ সুফল পোৱা নাই। মাৰ্ঘেৰিটা, নামদাং, ডিৰক আদি বাগানৰ কোনো ৰোগীক চিকিৎসালয়লৈ নিব লগা হ'লে এম্বুলেন্সৰ কথা বাদেই, ব্যক্তিগত বাহনো পথছোৱাত থকা পুখুৰী সদৃশ গাঁতে যিকোনো মুহূৰ্ততে সংঘটিত হ'ব পৰা দুৰ্ঘটনা নুই কৰিব নোৱাৰি। শেহতীয়াকৈ উপায়বিহীন হৈ আদিবাসী ছাত্ৰ সন্থা, মাৰ্ঘেৰিটা আঞ্চলিক সমিতি, চাহ জনজাতি ছাত্ৰ সন্থা, মাৰ্ঘেৰিটা আঞ্চলিক সমিতি, স্থানীয় ৰাইজ তথা ছাত্ৰ-ছাত্ৰী ওলাই আহি মাৰ্ঘেৰিটা চাহ কলঘৰৰ ওচৰত একগোট হৈ পথ অৱৰোধ কৰি দুঘণ্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নিৰ্বাচনৰ সময়ত ৰাজনৈতিক নেতাসকল আহি পথছোৱা মেৰামতি কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি যায় কিন্তু দিন পাৰ হোৱাৰ পাছতে প্ৰতিশ্ৰুতি প্ৰদান কৰা জনপ্ৰতিনিধিয়ে ভুক্তভোগী ৰাইজলৈ পিঠি দিয়া বুলি অভিযোগ প্ৰতিবাদকীৰয়ে তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনক লৈয়ো হেতালি খেলাৰ অভিযোগ তুলিছে। আজি প্ৰতিবাদী কাৰ্যসূচীৰ যোগেদি অসম চৰকাৰ আৰু স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাক অনতিপলমে পথছোৱা নিৰ্মাণ কৰিবৰ বাবে দাবী জনাইছে আছা আৰু আটছা সমিতিৰ সভাপতি-সম্পাদকে অন্যথা অনাগত দিনত সমগ্ৰ অঞ্চলৰ ৰাইজক লগত লৈ এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলিও সকীয়াই দিয়ে।

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**চিথিলা/দোতমা, ১৬ জুন ঃ** কোকৰাঝাৰ জিলাৰ চিথিলা উচ্চ মাধ্যমিক বিদ্যালয়ত এক সভা অনুষ্ঠিত কৰি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা চিথিলাা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম স্থান দখল কৰা ১৬ জন শিক্ষাৰ্থীক ফুলাম গামোচা, মানপত্ৰ, নগদ ধনৰ লগতে এজোপাকৈ গছপুলিৰে সম্বৰ্ধনা জনায়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বীজেন্দ্ৰ নাথ বৰ্মনে। চিথিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিষ্ণুপদ শীল শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰে। সম্বৰ্ধনা সভাখনত দোতমা শিক্ষা খণ্ডৰ খণ্ড বিষয়া সৌমদম ব্ৰহ্ম, দোতমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অস্মিতা ৰেখা বৰা, কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়, চিথিলাৰ প্ৰতিষ্ঠিত ব্যৱসায়ী সুকুমাৰ দেৱনাথ, সমাজ সেৱক ৰাজু কুমাৰ বৰ্মনো উপস্থিত থাকে। উল্লেখ্য যে চিথিলাৰ প্ৰতিষ্ঠিত ব্যৱসায়ী দেৱনাথে শিক্ষাৰ্থীসকলক উদগনিমূলকভাৱে নগদ ধন দি শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ মংগল কামনা কৰে।

## গোলাঘাট লোক নিৰ্মাণ বিভাগ বিভাগীয় কৃপাধন্য ঠিকাদাৰৰ গাফিলতি

# জীয়াতু ভুগিছে কণ কণ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ জনতাই

**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ১৬ জুন ঃ** গোলাঘাট জিলা লোক নিৰ্মাণ বিভাগৰ কৃপাধন্য ঠিকাদাৰ আৰু বিভাগীয় বিষয়া বৰ্গৰ গাফিলতিত এই বাৰিষাৰ বতৰত কাকডোঙা নদী পশ্চিম মথাউৰিটোৰ কুমাৰ আৰু নপমুৱাৰ চাপৰিচুক অংশত কণ কণ ছাত্ৰ-ছাত্ৰীৰ পৰা সাধাৰণ জনতাই জীয়াতু ভুগিব লগা হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে যোৱা ২০২০-২১ বৰ্ষত ঠিকাদাৰ এম পি আগৰৱালাই কাকডোঙা নদীৰ পশ্চিম মথাউৰিটোৰ আঠখেলীয়াৰ সমীপৰ তথা নপমুৱা গাঁৱৰ অন্তৰ্গত দুই নৈ মুখ চাৰিআলিৰ পৰা কুমাৰগাঁও চাপৰি চুক পৰ্যন্ত যোৰহাট জলসম্পদ বিভাগৰ অধীনত নতুনকৈ মাটি দি নিৰ্মাণ কৰাৰ লগতে মথাউৰিটোৰ কুমাৰগাঁও অংশত এটা পূৰ্বস্থ পকী পুল নতুনকৈ নিৰ্মাণ কৰিছিল। সেই সময়তে জলসম্পদ বিভাগে মাটিৰে নিৰ্মাণ কৰা মথাউৰি অংশ ব্লক ইটাৰে পকীকৰণ কৰা হোৱাৰ আশ্বাস দিছিল।

পৰৱৰ্তী সময়ত এই মথাউৰিটোৰে সংলগ্ন আঠখেলীয়াৰ সমীপৰ বৰবৰা গড়কাপ্তানী পথৰ পৰা ধোদৰআলি পৰ্যন্ত ১০ কিলোমিটাৰ



ইতিপূৰ্বে ঠিকাদাৰ আগৰৱালাই মাটি আৰু পুলৰ কাম কৰা অংশ সামৰি সম্পূৰ্ণ পথটো গোলাঘাট লোক নিৰ্মাণ বিভাগৰ ঠিকাদাৰ জনৈক বৰুৱাক এই সম্পৰ্কে পথটো পকীকৰণৰ বাবে ঠিকাত দিয়ে। ইতিমধ্যে ঠিকাদাৰজনে এই পথত থকা কলিয়াপানী আৰু ঘিলাধাৰী নদী দলঙৰ তলৰ অংশৰ কাম কৰি মথাউৰিটোৰ ধোদৰ আলি সংযোগী স্থানৰ পৰা পকীকৰণৰ কাম আৰম্ভ কৰিছে। কিন্তু বিগত ২০২০-২১ত ঠিকাদাৰ আগৰৱালাই নতুনকৈ মাটি দিয়া অংশৰ মথাউৰিটোৰ লগত সংলগ্ন একাধিক নামঘৰ, এখন প্ৰাচীন সত্ৰ, দুখন অংগনৱাড়ী কেন্দ্ৰ তথা এল পি স্কুলৰ উপৰি সমগ্ৰ মথাউৰিটোৱেই কৃষক শ্ৰেণীৰ কৃষি পথাৰৰ পথ হৈ থকাত এই বাৰিষা বতৰত এই পথছোৱাইদি ছাত্ৰ-ছাত্ৰী, কৃষক তথা ধৰ্মীয় অনুষ্ঠানটোলৈ ৰাইজ যাতায়াত কৰিব নোৱৰা ভীষণ সমস্যাৰ সন্মুখীন হৈছে। ঠিকাদাৰ বৰুৱাই মথাউৰিটোৰ পকীকৰণৰ কাম ধোদৰআলিৰ পৰা আৰম্ভ কৰাতকৈ ২০২০-২১ত আগৰৱলাই মাটিৰ কাম সম্পূৰ্ণ কৰা অংশৰ পৰা আৰম্ভ কৰা হ'লে বৰ্তমানে দেখা দিয়া সমস্যা নহ'লহেঁতেন বুলি স্থানীয় লোকে অভিযোগ কৰিছে। বিষয়টো বিভাগীয় মহকুমাধপতি, এছ অ' মিণ্টু বৰাক জনোৱাৰ পাছতো জনতাৰ সুবিধা-অসুবিধাৰ প্ৰতি গুৰুত্ব নিদিয়াত বিশেষকৈ এক বৃহৎ অঞ্চলৰ কৃষক ৰাইজ লোক নিৰ্মাণ বিভাগ গোলাঘাট আৰু ঠিকাদাৰ বৰুৱাৰ প্ৰতি বিতুষ্ট হৈছে।

## পিতৃহীনা দুই কৃতী শিক্ষাৰ্থীৰ দায়িত্ব ল'লে সমাজকৰ্মীয়ে

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১৬ জুন ঃ** যিকোনো বাধা বিঘিনি প্ৰতিভা বিকাশত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। মনত প্ৰবল ইচ্ছাশক্তি, একাগ্ৰতা আৰু সাধনা থাকিলে সকলোৱে এদিন নিজৰ ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰে। এনে আৰ্থিক দৈন্য তথা প্ৰতিভাৱান সকলক সহায় কৰাৰ বাবেও আছে বহু হৃদয়বান লোক। এনে এক উদাহৰণ আজি পৰিলক্ষিত হ'ল কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীত। উত্তৰ গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী পুষ্প ডেকাৰ বাসভৱনত আজি শিক্ষাৰ্থীৰ অনুপ্ৰেৰণামূলক এক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে অষ্টম স্থান অধিকাৰ কৰা ঢেকিয়াজুলিৰ কৃতী ছাত্ৰী নেহা উপাধ্যায়ক ফুলাম গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জনোৱাৰ লগতে নগদ ২০ হেজাৰ টকা আগবঢ়াই সমাজকৰ্মী ডেকাই। ডেকাই ঘোষণা কৰা মতে, আৰ্থিকভাৱে অতি দুৰ্বল পৰিয়ালৰ সন্তান নেহাক পঢ়া-শুনাৰ বাবে আগন্তুক পাঁচ বছৰলৈ মাহে পাঁচ হেজাৰ টকা আৰ্থিক অনুদান আগবঢ়াব। ডেকাৰ মহানুভৱতাত কৃতজ্ঞতা প্ৰকাশ কৰি কৃতী ছাত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে তেওঁ ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হৈ সমাজৰ বাবে সেৱা আগবঢ়াব। ইফালে, একে অনুষ্ঠানতে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা উত্তৰ গুৱাহাটীৰ দক্ষিণ লেঙা গাঁৱৰ জয়ন্ত হীৰা নামৰ ছাত্ৰজনকো সম্বৰ্ধনা জনোৱাৰ লগতে ১০ হেজাৰ টকাৰ আৰ্থিক অনুদান আগবঢ়ায় ডেকাই। আৰ্থিকভাৱে অতি দুৰ্বল পৰিয়ালৰ সন্তান জয়ন্তক পঢ়া-শুনাৰ বাবে আগন্তুক পাঁচ বছৰলৈ মাহে দুহেজাৰকৈ টকাৰে সহায় কৰাৰ কথাও ঘোষণা কৰে সমাজকৰ্মীজনে।

## আপকুৰ উদ্যোগত চেপন জাতীয় বিদ্যাপীঠত গণিত-ইংৰাজী বিষয়ক বিদ্যায়তনিক কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**চেপন, ১৬ জুন ঃ** ৰাজ্যখনৰ মফচলীয় সংবাদকৰ্মীসকলৰ সংগ্ৰামী মঞ্চ 'আছাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন' (আপকু)ৰ শিৱসাগৰ জিলা সমিতি আৰু চেপন জাতীয় বিদ্যাপীঠৰ যৌথ উদ্যোগত অহা ১৮ জুনত গণিত আৰু ইংৰাজী বিষয়ক এখন বিদ্যায়তনিক কৰ্মশালা অনুষ্ঠিত হ'ব। চেপন জাতীয় বিদ্যাপীঠৰ সভাকক্ষত পুৱা ন বজাৰ পৰা আৰম্ভ হ'ব লগা স্থানীয় চেপন উচ্চ মাধ্যমিক বিদ্যালয়, ডবা তিনিআলি উচ্চ মাধ্যমিক বিদ্যালয়, ঘিলাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, হলগুৰি জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় আৰু চেপন জাতীয় বিদ্যাপীঠৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব। আপকু শিৱসাগৰ জিলা সমিতিৰ সভাপতি পদুম কুমাৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা কৰ্মশালাখন উদ্বোধন কৰিব শিৱসাগৰ আৰু চৰাইদেউ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। আনহাতে, বিদ্যায়তনিক কৰ্মশালাখনত শিৱসাগৰ জিলাৰ গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ বিষয় শিক্ষক ড° প্ৰশান্ত চুতীয়া, কটিয়ৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিষয়-শিক্ষয়িত্ৰী মনীষা বড়ো, চেপন উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰিতুৰাজ বুঢ়াগোহাঁই আৰু শংকৰদেৱ বিদ্যা মন্দিৰ, গৌৰীসাগৰৰ বিষয় শিক্ষক মিণ্টু কলিতাই ক্ৰমে ইংৰাজী আৰু গণিত বিষয়ৰ সমল ব্যক্তিৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক পাঠদান দিব। ইয়াৰ উপৰি কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত চেপন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সঞ্জীৱ বৰুৱা, ডবা তিনিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ গগৈ, ঘিলাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চৈয়দ মুজাকিৰ হুছেইন, হলগুৰি জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোপাল গগৈ আৰু চেপন জাতীয় বিদ্যাপীঠৰ প্ৰধান শিক্ষক জিতু কুমাৰ লেখাৰু সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব।

## ৰহাত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ১৬ জুন ঃ** ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দিঘলীআটিত আজি পুৱতি নিশা সংঘটিত হয় এক পথ দুৰ্ঘটনা। জাগীৰোডৰ পৰা নগাঁও অভিমুখে আহি থকা এএছ-০২ বিচি-৮৮৯২ নম্বপপ বলেৰ' পিক্‌আপ ভানখনে নিয়ন্ত্ৰণ হেৰুৱাই পথত ৰৈ থকা এএছ-০১ জেচি-৯২১৪ নম্বৰৰ ট্ৰাকখনত প্ৰচণ্ড বেগত খুন্দা মাৰে। ফলত থিতাতে মৃত্যু হয় ৰিংকুমনি নাথ (৩৪) নামৰ এজন যুৱকৰ। নিহত যুৱকজনৰ ঘৰ ৰহাৰ দীঘলদৰিত পাছত ঘটনাস্থলীত ৰহা আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ৰহাৰ দিঘলীআটিত সন্ধিয়া হোৱাৰ লগে লগেই পথৰ ওপৰত বহু ট্ৰাক ৰখাই থোৱাৰ বাবে বিগত দিনত বহু দুৰ্ঘটনাত বহুজনে প্ৰাণ হেৰুৱাবলগীয়া হৈছে যদিও ৰহা আৰক্ষীৰ এই ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই।

## বিশ্বনাথত বন্যহস্তীৰ তাণ্ডৱ

# বন্যহস্তীয়ে ঘৰ-দুৱাৰ ভাঙিলে তিনিটাকৈ দৰিদ্ৰ পৰিয়ালৰ ধানৰ ভঁড়াল, খেতি-পথাৰ বিনষ্ট

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৬ জুন ঃ** বিশ্বনাথৰ বুঢ়ীগাং পঞ্চায়তৰ অন্তৰ্গত মাজুলী গাঁৱত আজি পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে প্ৰৱেশ কৰি কে'বাটাও ঘৰ ভঙাৰ লগতে অনিষ্ট কৰিলে খেতি-বাতি আৰু ঘৰৰ সা-সামগ্ৰী। বিশ্বনাথৰ বুঢ়ীগাং পঞ্চায়তৰ অন্তৰ্গত মৰল গাঁও, উত্তৰ মৰল গাঁও, জাপৰিগুৰী, মাজুলীৰ লগতে আৰু কে'বাখনো গাঁৱত বনৰীয়া হাতীয়ে কিছুদিন ধৰি উপদ্ৰৱ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙাৰ পৰা খাদ্যৰ সন্ধানত এই বনৰীয়া হাতীৰ জাকে নিশাৰ ভাগত জনাঞ্চলত প্ৰৱেশ কৰি ঘৰ-দুৱাৰ ভঙাৰ লগতে খেতি-বাতি তহিলং কৰি আহিছে। আজি পুৱতি নিশাও একেদৰে এটা বনৰীয়া হাতীৰ প্ৰকাণ্ড জাকে উল্লেখিত গাঁওখনত প্ৰৱেশ কৰি স্থানীয় লোক শুই থকা অৱস্থাত ৰুণু নাথ, মাইনা দাস আৰু অমূল্য দাসৰ ঘৰ-দুৱাৰ ভাঙিবলৈ আৰম্ভ কৰে। কেৱল ঘৰ-দুৱাৰ ভঙাই নহয়, সমগ্ৰ বছৰ এই দৰিদ্ৰ কৃষকসকলে মূৰৰ ঘাম মাটিত পেলাই ভঁৰালত জমা কৰি ৰখা ধান পৰ্যন্ত শেষ কৰি যায় এই হাতীৰ জাকটোৱে।

## অবিৰত ভাগৱত পাঠৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মাহমৰা, ১৬ জুন ঃ** কাকতিবাৰীৰ পুতুলনগৰ বাসী ৰাইজৰ উদ্যোগত অহা ২০-২১ জুনত দুদিনীয়া কাৰ্যসূচীৰে পুতুলনগৰ পূৰ্বানজ্যোতি নামঘৰৰ প্ৰতিষ্ঠা দিৱসৰ লগতে অবিৰত ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। সেই অনুসৰি অৱনী বৰাক সভাপতি, পৱন কলিতাক কাৰ্যকৰী সভাপতি, ৰূপেন গগৈ আৰু বিপুল গগৈক উপ-সভাপতি আৰু ৰবীন বাইলুঙক সম্পাদকৰূপে এখন উদ্‌যাপন সমিতিও গঠন কৰি দিয়া হৈছে। আনহাতে, কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা ধৰ্মধ্বজা উত্তোলন, ভাগৱত ভ্ৰমণৰ পাছত ভাগৱত পাঠ আৰম্ভ হ'ব। দ্বিতীয় দিনা নাম প্ৰসংগৰে ভাগৱত পাঠৰ অনুষ্ঠানটো সামৰণি পৰিব।



*কেন্দ্ৰীয় শক্তি মন্ত্ৰীৰ বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে গোগামুখত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদ।*

## বিশ্বনাথত সুৰামত্ত স্বামীৰ নিৰ্মম প্ৰহাৰত মৃত্যু পত্নীৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৬ জুন ঃ** পাৰিবাৰিক কন্দলৰ পৰিণতিত বিশ্বনাথৰ সাকোমঠাৰ পাকা লাইনত সংঘটিত হ'ল নৃশংস হত্যাকাণ্ড। সুৰামত্ত স্বামীৰ প্ৰহাৰত নিহয় হয় পত্নী। আৰক্ষীয়ে জনোৱা মতে, যোৱা নিশা স্বামী-স্ত্ৰীৰ মাজত সামান্য কাজিয়াৰ সূত্ৰপাত ঘটে। সুৰাৰ ৰাগিত মাতাল স্বামী প্ৰদীপ মুণ্ডাই এডাল লাঠিৰে নিৰ্মমভাৱে প্ৰহাৰ কৰে পত্নীক। স্বামীৰ এই প্ৰহাৰত থিতাতে নিহত হয় পত্নী প্ৰীতি মুণ্ডা। নিশা স্বামীয়ে হত্যা কৰি ঘৰৰ চোতালতে পেলাই ৰাখিছিল পত্নীৰ মৃতদেহ। আজি পুৱা অভিযুক্ত মুণ্ডাৰ ঘৰৰ চৌহদত মৃতদেহ প্ৰত্যক্ষ কৰে স্থানীয় লোকে আৰু খবৰ দিয়ে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাক। বিশ্বনাথ আৰক্ষী থানাৰ এটা দলে উক্ত স্থানত উপস্থিত হৈ মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে অভিযুক্ত স্বামীক। সদৰ আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বিহালীলৈ প্ৰেৰণ কৰাৰ লগতে হত্যাকাৰী স্বামীক সোধা-পোছা অব্যাহত ৰাখিছে।

## বিষ্ণুপ্ৰিয়া মহিলা শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**পশ্চিম যোৰহাট, ১৬ জুন ঃ** গুৰুজনাৰ কৃষ্টিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সমাজ সংস্কৃতিৰ সংবৰ্ধন, উত্তৰণৰ লক্ষ্যৰে সাংস্কৃতিক ৰাজধানী যোৰহাট জিলাৰ মাজমজিয়াত ২০১৯ৰ পাঁচ জুলাইত জন্ম হৈছিল এক মহিলা অগ্ৰণী অনুষ্ঠান 'বিষ্ণুপ্ৰিয়া মহিলা শিল্পী সমাজ'। সময়ৰ লগে লগে বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে লক্ষ্য-উদ্দেশ্যক বুকুত বান্ধি নৱপল্লৱিত অনুষ্ঠানটো সম্প্ৰতি তৃতীয় বৰ্ষত উপনীত হোৱাৰ বাবে অহা পাঁচ জুলাইত প্ৰতিষ্ঠা দিৱস দিনজোৱা কাৰ্যসূচীৰে উদ্‌যাপনৰ আয়োজন কৰিছে। বিষ্ণুপ্ৰিয়া মহিলা শিল্পী সমাজৰ সভানেত্ৰী শান্তি চেতিয়া আৰু সম্পাদিকা জয়শ্ৰী দত্তই জানিবলৈ দিয়া মতে, পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ, শপত গ্ৰহণ অনুষ্ঠান, প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন, চিত্ৰাংকন প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা, বন্তি প্ৰজ্বলন আৰু বিষ্ণুপ্ৰিয়া মহিলা শিল্পীসকলৰ দিহানাম পৰিবেশন, ভাওনাৰ একক অভিনয় প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পাছত সন্ধিয়া সময়ত ফলাফল ঘোষণা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। ভাওনা একক অভিনয় প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা দুটাকৈ শাখাত অনুষ্ঠিত হ'ব আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা এটা শাখাত অনুষ্ঠিত হ'ব বুলি জনায়। ইচ্ছুক প্ৰতিযোগীয়ে ৮৬৩৮৭৭৪৯৮৩ আৰু ৮০১১৫০২৫৭০ নম্বৰত যোগাযোগ কৰি সবিশেষ জানিব পাৰিব।

## কঠিয়াতলিত বিজেপিৰ সাংগঠনিক সভা

# দায়িত্ব পালনত অৱহেলা কৰিলে অপসাৰণৰ হুংকাৰ বিধায়কৰ



**অগ্ৰদূত বাৰ্তা**

**কঠিয়াতলি, ১৬ জুন ঃ** দলৰ দায়িত্ব পালনত অৱহেলা কৰা কাৰ্যকৰ্তাক অপসাৰিত কৰি নতুনকৈ সক্ৰিয় সদস্যক দায়িত্ব দি হ'লেও বিজেপিক শক্তিশালী কৰাৰ আহ্বান বঢ়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ। আজি কঠিয়াতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত এই কথা দৃঢ়তাৰে প্ৰকাশ কৰি গোস্বামীয়ে কয় যে সমষ্টিটোৰ আঠখন পঞ্চায়তৰ সমূহ কৰ্মকৰ্তাৰ লগতে বুথসমূহৰ কৰ্মৰ ওপৰত দলটোৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব, সেয়ে বৰ্তমান সময়ৰ পৰাই আমি কঠোৰভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰৰ আঁচনিসমূহৰ পৰা যাতে প্ৰকৃত হিতাধিকাৰী বঞ্চিত হ'ব নোৱাৰে, তাৰ বাবে বুথ সমিতিয়ে অতি শুদ্ধভাৱে নিৰীক্ষণ কৰি দিলেহে সেয়া অনুমোদন কৰা হ'ব। দেৱনাৰিকলি, নিজকামপুৰ, তেতেলী সৰা নামবৰ লালুং গাঁও, নিজ কঠিয়াতলি, ৰাঙলু, দক্ষিণ ননৈ, কন্দলীকে লৈ সমষ্টিটোৰ মুঠ আঠখন পঞ্চায়তৰ প্ৰায় তিনি শতাধিক কৰ্মকৰ্তাই সহযোগ কৰি সভাখনত সভাপতিত্ব কৰে কঠিয়াতলি মণ্ডল বিজেপিৰ সভাপতি চন্দন বৰাই। মুখ্য অতিথিৰূপে উপস্থিত থাকে তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ।

## গোৱালপাৰা জিলা পুথিভঁৰালত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৬ জুন ঃ** গোৱালপাৰা চহৰৰ দণ্ডাধীশ কল'নীস্থিত জিলা পুথিভঁৰালত আজি হঠাতে সংঘটিত হোৱা অগ্নিকাণ্ডৰ ফলত আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। আজি দিনৰ ১-১৫ বজাত প্ৰচণ্ড ঢেৰেকনিৰ মাজতে বজ্ৰপাত হোৱাৰ সময়তে পুথিভঁৰালটোৰ ভিতৰত থকা বৈদ্যুতিক সামগ্ৰীসমূহ জ্বলি যায়। নিমিষতে পুথিভঁৰালটোৰ গোটেই কোঠাসমূহ ধোঁৱাময় হৈ পৰে। ফলত ভিতৰত থকা কৰ্মচাৰী দুজন আতংকিত হৈ আৰক্ষীক খবৰ দিয়ে। লগে লগে ঘটনাস্থলীত উপায়ুক্ত কাৰ্যালয়ৰ নাজিৰৰ লগতে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ তৎক্ষণাত জুই নিৰ্বাপিত কৰে। অৱশ্যে কথমপি ৰক্ষা পৰে চৰকাৰী পুথিভঁৰালটোত থকা হেজাৰ হেজাৰ কিতাপ।

## পৰ্বতঝোৰাত বান পৰ্যালোচনা সভা

**অগ্ৰদূত বাৰ্তা**

**কোকৰঝাৰা, ১৬ জুন ঃ** আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ত বান সম্পৰ্কীয় এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাখনত পৌৰোহিত্য কৰে কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা পৰ্বতঝোৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অনছুলা বসুমতাৰীয়ে। তেওঁ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক বান পৰিস্থিতি সম্পৰ্কত সতৰ্ক হৈ থাকি ৰাইজক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। বিশেষকৈ শিশু খাদ্যৰ লগতে গৰ্ভৱতী মহিলাৰ সুৰক্ষা, বিশুদ্ধ খোৱাপানী, বিদ্যুতৰ বিপৰীতে পোহৰৰ ব্যৱস্থা, ৰাস্তা-ঘাটৰ মেৰামতি, ঔষধ-পাতি আদি সন্দৰ্ভত মহকুমাধিপতিগৰাকীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। বানপানীৰ সময়ত পশুধনৰো বিস্তৰ ক্ষতি হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি মহকুমা পশু চিকিৎসা বিষয়াজনকো সন্তম হৈ থাকিবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায়। বানাক্ৰান্ত ৰাইজ যাতে কৃত্ৰিম নাটনিত জুৰুলা হ'ব লগা নহয় আৰু পৰ্যাপ্ত পৰিমাণে সুবিধা লাভ কৰিব পাৰে, তাৰ প্ৰতি যোগান বিভাগক তেওঁ বিশেষ নজৰ ৰাখিবলৈ পৰামৰ্শ দিয়ে। মহকুমাটোৰ বিশেষকৈ তিনি ঠাইত ছয়খন নাৱৰ ব্যৱস্থা কৰিবলৈ আজিৰ সভাত আলোচনা কৰা হয়। ইয়াৰ উপৰি বৰ্তমান যিহেতু ক'ভিড সম্পূৰ্ণ ৰূপে নিৰ্মূল হোৱা নাই, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ স্বাস্থ্য বিভাগক বিশেষভাৱে পৰামৰ্শ দিয়ে। বৰ্তমানলৈকে মহকুমাটো এটিও সাহায্য শিবিৰ স্থাপন কৰা হোৱা নাই যদিও সমাগত সময়ছোৱাত যদি নেৰানেপেৰা বৰষুণৰ ফলত পৰিস্থিতি বেয়া হয়, তেন্তে ঠায়ে ঠায়ে শিবিৰ পাতিবলৈ মহকুমা প্ৰশাসন বৰ্তমান সম্পূৰ্ণ সাজু হৈ আছে। শিবিৰৰ বাবে ইতিমধ্যে প্ৰায় ৪০ টা ঠাই চিনাক্ত কৰা হৈছে। আজিৰ সভাত উপস্থিত থাকে বগৰীবাৰীৰ চক্ৰ বিষয়া দেৱজ্যোতি গগৈ, বগৰীবাৰীৰ চক্ৰ বিষয়া (সংলগ্ন) পাঞ্জামুতি ব্ৰহ্ম, পৰ্বতঝোৰা মহকুমাৰ সহকাৰী আয়ুক্ত অজিতাভ ভৌমিক, মহকুমা চিকিৎসা বিষয়া ডাঃ ভানুৰাণী কছাৰী, স্কুলসমূহৰ উপ-পৰিদৰ্শক মংগলেশ্বৰ চৌধুৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াদ্বয় ছৰিফুল ইছলাম আহমেদ আৰু হীৰকজ্যোতি কলিতা, খাদ্য আৰু যোগান বিষয়া ধৰ্মেশ্বৰ দাস, মীন উন্নয়ন বিষয়া বডিয়ট জামানক ফকীৰ আদিকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে বুলি মহকুমা জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই জানিবলৈ দিছে।

# দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ এবছৰীয়া বৰ্ষপূৰ্তি উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**


**নামৰূপ, ১৬ জুন ঃ** এবছৰ সম্পূৰ্ণ হ'ল দিহিং পাটকাই ৰষ্ট্ৰীয় উদ্যানৰ। বিগত বৰ্ষৰ আজিৰ দিনটোতে দিহিং পাটকাই অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰাৰ কথা ৰাজপত্ৰৰ জৰিয়তে প্ৰকাশ পাইছিল। ডিব্ৰুগড় বন সংমণ্ডল, জয়পুৰ বন বিভাগ আৰু প্ৰকৃতিপ্ৰেমী সংগঠন 'আৰণ্যক'ৰ সহযোগত জয়পুৰত আজি অনুষ্ঠিত হ'ল দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান। অনুষ্ঠুপীয়াকৈ আয়োজিত এই অনুষ্ঠান জয়পুৰ দীঘলীঘাটৰ পৰা দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ মাজেদি যোৱা অৰুণাচল সংযোগী পথত পৰি থকা প্লাষ্টিকৰ বটল আদি বুটলি পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে আৰম্ভণি কৰে। ইয়াৰ পাছতে জয়পুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত গছপুলি ৰোপণ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ইয়াৰ পাছতে বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এখন মুকলি সভা। বিদ্যালয়ৰ অধ্যক্ষ ৰুণু বৰগোহাঁয়ে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখা কৰে জয়পুৰ বনাঞ্চলিক বিষয়া পুষ্পধৰ বৰগোহাঁয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা নামফাকে বৌদ্ধ বিহাৰৰ বিহাৰধ্যক্ষ জ্ঞানপাল মহাথেৰ ভান্টেই নিজৰ বক্তব্যত ক্ষোভ প্ৰকাশ কৰি কয়, 'এবছৰ পূৰ্বে যি ধামখুমীয়াৰ মাজত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানক মুকলি কৰা হৈছিল সেই উৎসাহ এবছৰতেই নোহোৱা হৈ পৰা দেখা গ'ল। জয়পুৰবাসী ৰাইজক যিদৰে এই ৰাষ্ট্ৰীয় উদ্যান খনৰ স'তে জড়িত নকৰাৰ কথা আজিৰ সভাত জয়পুৰবাসীৰ অনুপস্থিতিয়েই প্ৰমাণ কৰিছে। স্থানীয় ৰাইজক অংশগ্ৰহণ নকৰোৱাকৈ ৰাষ্ট্ৰীয় উদ্যানখন সুৰক্ষিত কৰাটো অসম্ভৱ কথা। ইফালে, আজিৰ সভাৰ আনজন বিশিষ্ট অতিথি প্ৰকৃতিবিদ মৃদুপৱন ফুকনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কাষতে থকা দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ হকে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে অতি দুখেৰে কয় যে দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ বৰ্ষপূৰ্তি উদ্‌যাপন কৰাটো ভাল কথা কিন্তু এই উদ্‌যাপনত উদ্যনখনৰ গাতে লাগি থকা জয়পুৰৰ বিভিন্ন গাঁওসমূহৰ ৰাইজক নিমন্ত্ৰণ নিদিয়া বিষয়টোৱে মনত আঘাত দিছে। তেওঁ লগতে কয় যে অন্তত এই গাঁওসমূহৰ গাওঁবুঢ়া বা গাঁওপ্ৰধানসকলক এই অনুষ্ঠানলৈ নিমন্ত্ৰণ দিয়াৰ প্ৰয়োজন আছিল। বনাঞ্চলখন ধাৰাবাহিকভাৱে ধ্বংস কৰি অহাৰ ফলত বনাঞ্চলত খাবলৈ পৰ্যাপ্ত খাদ্যৰ অভাৱ হোৱাত হাতীয়ে আহি খেতি পথাৰ নষ্ট কৰেহি। সেইবাবে এই অঞ্চলসমূহৰ ৰাইজে শ শ বিঘা মাটিত খেটি কৰিবলৈ এৰি দিলে। এই ক্ষতিগ্ৰস্ত লোকসকলৰ পুনঃসংস্থাপনৰ ব্যৱস্থা আজিলৈকে চৰকাৰে নল'লে কিন্তু আজি অন্তত সেই ক্ষতিগ্ৰস্ত লোকসকলক বা সেই অঞ্চলসমূহৰ মূল লোকসকলক ইয়াত নিমন্ত্ৰণ দি তেওঁলোকক দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ স'তে জড়িত কৰিব লাগিছিল। আন একাংশই ইয়াত মাছ ধৰি জীৱিকা অৰ্জন কৰিছিল। অভয়াৰণ্য হোৱাৰ পুছৰে পৰা সেই জীৱিকাও মুদা পৰা এই দাতিকাষৰীয়া অঞ্চলৰ লোকসকলক ৰাষ্ট্ৰীয় উদ্যানখনৰ স'তে জড়িত হৈ বিভিন্ন পথৰে জীৱিকাৰ পথ মুকলি কৰাৰ এক প্ৰয়াস হিচাপে আজি এই লোকসকলৰ অংশগ্ৰহণ অতি প্ৰয়োজনীয় আছিল। দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান হ'ল কিন্তু ন'হল পৃথক বন সংমণ্ডল, আন্তঃগাঁথনিৰ উন্নীতকৰণৰ কাম-কাজো শূন্য আৰু আজি পৰ্যন্ত ঘোষণাও নহ'ল গছ কটা কাৰ্যৰ তদন্ত। চৰকাৰক এই বিষয়ে বহুবাৰ স্মাৰকপত্ৰ দিয়া হৈছিল যদিও ৰাইজৰ সমস্যাসমূহ আওকাণ কৰিলে চৰকাৰে। গতিকে চৰকাৰ তথা বন বিভাগে ভৱিষ্যতৰ দিনত এইসমূহ সমস্যা সমাধানৰ বাবে সঠিক দিশত আগবাঢ়িব বুলি প্ৰকৃতিপ্ৰেমী মৃদুপৱন ফুকনে আশা প্ৰকাশ কৰিছে। এই সভাতেই ছাত্ৰ-ছাত্ৰীসকলক দিহিং পাটকাৰ সৌন্দৰ্য এক ভিডিঅ' ক্লিপযোগে প্ৰদৰ্শন কৰে। সভাত নাহৰকটীয়াৰ ৰাজহ চক্ৰ বিষয়া শৰৎ গগৈ, জয়পুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত কুমাৰ ৰায়, দুলীয়াজানৰ সাংবাদিক জয়ন্ত ভূএগ্ৰা, নাহৰকটীয়াৰ সাংবাদিক সীমান্ত ভাগৱতী, বন্যপ্ৰাণী ফটোগ্ৰাফাৰ দেৱজিত সোণোৱাল, বন্যপ্ৰাণী সংৰক্ষক সৌৰভ দত্তৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**ৰাষ্ট্ৰীয় উদ্যান হ'ল কিন্তু ন'হল পৃথক বন সংমণ্ডল ঃ আন্তঃগাঁথনিৰ উন্নীতকৰণৰ কাম**



### এশ-দুশ মিটাৰত সোণ লাভ কৰি দেশৰ দ্রুত তৰুণ হোৱাৰ পাছতো ৩৭ জনীয়া দলত স্থান নাপালে অসম সন্তান অম্লানে

# ৰেংকিঙৰে কমনৱেলথ গেমছৰ ভাৰতীয় ৰীলে দলত হিমা



স্টাফ ৰিপ'র্টাৰ

**গুৱাহাটী, ১৬ জুন ঃ** আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় এথলেটিকছ দলত অসমৰ হিমা দাসে ৰেংকিঙৰ সুযোগ লাভ কৰি একমাত্র মহিলা ৰেলী দলত স্থান লাভ কৰিলেও আশাহত হ'ল অম্লান বৰগোঁহাই। উল্লেখ্য যে আজি ভাৰতীয় এথলেটিকছ ফেডাৰেছনে আসন্ন কমনৱেলথ গেমছৰ বাবে ৩৭ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰিছে। ভাৰতীয় দলক নেতৃত্ব দিব অলিম্পিক স্বৰ্ণজয়ী নিৰজ চোপ্রাই। স্মৰ্তব্য যে অসমৰ দুই দৌৰবিদ হিমা দাস আৰু অম্লান বৰগোঁহায়ে কমনৱেলথ গেমছত খেলিব পাৰিব নে নাই তাক লৈ প্রশ্ন চিহ্ন আছিল। কাৰণ উভয় এথলীটে সদ্য সমাপ্ত ৬১ সংখ্যক ছিনিয়ৰ ৰাষ্ট্রীয় আন্তঃৰাজ্যিক এথলেটিকছ প্রতিযোগিতাত পদক লাভ কৰাৰ পাছতো আসন্ন কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জনৰ মাপকাঠিৰ সময় স্পৰ্শ কৰাত বিফল হৈছিল। উল্লেখ্য যে প্রতিযোগিতাত হিমা দাস আৰু অম্লান বৰগোঁহায়ে মহিলা আৰু পুৰুষৰ ১০০ মিটাৰ দৌৰত সোণ লাভ কৰি দেশৰ ভিতৰতে দ্রুততম তৰুণ হোৱাৰ গৌৰৱ লাভ কৰিছিল। কিন্তু সোণ লাভ কৰাৰ পাছতো ১০০ মিটাৰ দৌৰত এছিয়ান গেমছ, কমনৱেলথ গেমছ আৰু বিশ্ব চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হৈছিল নিৰ্ধাৰিত সময় স্পৰ্শ কৰিব নোৱাৰাৰ বাবে। ইফালে, ২০০ মিটাৰ দৌৰতো একেই ঘটনা ঘটে। হিমা দাস আৰু অম্লানৰ লক্ষ্য আছিল অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছৰ বাবে পোনপটীয়াকৈ ২০০ মিটাৰ দৌৰৰ টিকট লোৱা। কিন্তু অম্লানে ২১ ছেকেণ্ড সময় লৈ ২০০ মিটাৰ দৌৰৰ সোণ লাভ কৰে যদিও কমনৱেলথ গেমছ (২০.১৫ ছেকেণ্ড) আৰু বিশ্ব চেম্পিয়নশ্বিপ (২০.২৪ ছেকেণ্ড)লৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হয়। ইফালে, হিমাই ২৩.২৯ ছেকেণ্ড সময় লৈ ২০০ মিটাৰ দৌৰত ৰূপৰ পদকহে লাভ কৰে। উল্লেখ্য যে ২০০ মিটাৰ দৌৰত মহিলাৰ যোগ্যতাৰ মাপকাঠি হ'ল কমনৱেলথ গেমছ (২২.৭০ ছেকেণ্ড) আৰু বিশ্ব চেম্পিয়নশ্বিপ (২২.৮০ ছেকেণ্ড) আৰু এছিয়ান গেমছ (২৩.১৭ ছেকেণ্ড)। পদক লাভৰ সফলতাৰ পাছতো কাযতঃ লক্ষ্যত উপনীত হোৱাৰ ব্যৰ্থতাৰে হিমা-অম্লানে আশা কৰিছিল ৰেংকিঙৰ জড়িয়তে কমনৱেলথ গেমছৰ টিকট লাভ কৰাৰ। কিন্তু আজি হিমাই কেৱল ৰীলে দলত স্থান পোৱাৰ বিপৰীতে অম্লানৰ ভাগ্য উদয় নহ'ল। উল্লেখ্য যে অম্লানে ২০০ মিটাৰ দৌৰত এছিয়ান গেমছলৈ কিন্তু যোগ্যতা অৰ্জন কৰিছে।



### টীম ইণ্ডিয়াত স্থান লাভ কে'বাজনো নৱাগত ক্রিকেটাৰৰ

## আই পি এলৰ ব্যৰ্থতাৰ বাবেই সুযোগ হেৰুৱালে অসমৰ ৰিয়ানে



স্টাফ ৰিপ'র্টাৰ

**গুৱাহাটী, ১৬ জুন ঃ** আই পি এলৰ সামৰণি পৰাৰ লগে লগে দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে সম্প্রতি টি-২০ শৃংখলাত অৱতীৰ্ণ হৈছে ভাৰত। উল্লেখ্য যে টীম ইণ্ডিয়াৰ জ্যেষ্ঠ খেলুৱৈসকল সম্প্রতি খেলৰ পৰা আঁতৰি থকাৰ বাবে ভাৰতে চলিত শৃংখলাত যুৱ খেলুৱৈক সুযোগ দিছে। সেইসময়তে বি চি চি আয়ে ঘোষণা কৰিছে আসন্ন আয়াৰলেণ্ড ভ্রমণৰ বাবে ভাৰতীয় দলটো। এই দলৰ পৰা বাদ পৰিছে দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে খেলি থকা তিনি-চাৰিজন ক্রিকেটাৰ। বিপৰীতে আয়াৰলেণ্ড ভ্রমণত টীম ইণ্ডিয়াত স্থান পাইছে আই পি এলত ভাল প্রদৰ্শন কৰা ক্রিকেটাৰে। এনে পৰিপ্রেক্ষিতত চৰ্চালৈ আহিছে অসমৰ ক্রিকেটাৰ ৰিয়ান পৰাগ আৰু আই পি এলত তেওঁৰ প্রদৰ্শন বিষয়টোও। যিটো সময়ত ভাৰতীয় ক্রিকেটত বহু যুৱ প্রতিভাৰ উন্মেষ ঘটিছে তেনেস্থলত আই পি এলৰ যোগেদি লাইমলাইটলৈ অহা ৰিয়ানে ৰাজস্থান ৰয়েলছে সুযোগ দিয়াৰ পাছতো নিজৰ ব্যৰ্থতাৰে টীম ইণ্ডিয়াৰ ড্রেছিং ৰূমত প্রৱেশৰ এনে সুৱৰ্ণ সুযোগ কাৰ্যতঃ হেৰুৱালে। এই বিষয়টো লৈ বোধোদয় হৈছে ৰিয়ানৰো। এই মুহূৰ্তত ভাৰতীয় দলত স্থান পোৱাৰ যোগ্য নহয় বুলি নিজেই মন্তব্য কৰিছে অসম সন্তান ৰিয়ানে। উল্লেখ্য যে সামগ্রিকভাৱে সদ্যসমাপ্ত আই পি এলত উন্নত প্রদৰ্শন দেখুৱালৈ সক্ষম হোৱা নাছিল ৰিয়ানে। ১৭ খন মেচৰ ১৪ টা ইনিংছত ১৮৩ ৰান। 'যদি মই দলক ছয়-সাতখন মেচত জয়ী কৰাব পাৰিলো হয়, তেন্তে সেয়া মোৰ বাবে ভাল হ'লহেতেন। অন্তত টীম ইণ্ডিয়াৰ সম্ভাব্য তালিকাত মোৰ নামটো থাকিলহেতেন। কিন্তু এই মুহূৰ্তত মই ইয়াৰ বাবে যোগ্য নহয়। আহিবলগীয়া ছিজনত মই অধিক আত্মবিশ্বাসেৰে খেলিম।' ৰিয়ানে ব্যক্ত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসমৰ আবু নেচিম আহমেদেও টীম ইণ্ডিয়াত প্রৱেশৰ এনে সুযোগ হেৰুৱাইছিল। বাংলাদেশ ভ্রমণৰ সময়ত ভাৰতে কেবাজনো নৱাগত ক্রিকেটাৰক সুযোগ দিছিল। কিন্তু দুলীপ ট্রফীৰ এখন মেচত পূব মণ্ডলৰ মূখ্য পেচ বলাৰ হোৱাৰ পাছতো উইকেট দখল কৰাটো দূৰৰে কথা প্রথম ইনিংছত ১৩ টাকৈ ৱাইড বল দিয়াৰ বাবেই তেতিয়াৰ পূব মণ্ডলৰ নিৰ্বাচক ৰাজা ভেংকটে আবুক অনেক চেষ্টা-ইচ্ছা কৰিয়ো ভাৰতীয় দলত স্থান দিব নোৱাৰিলে।

### চতুৰ্থ টি-২০ ত জয়লাভ কৰি শৃংখলা দখলৰ লক্ষ্য দক্ষিণ আফ্রিকাৰ

## আজি ৰাজকোটত ভাৰতৰ আন এক অগ্নিপৰীক্ষা



**ৰাজকোট, ১৬ জুন ঃ** ভাৰত দক্ষিণ আফ্রিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ চতুৰ্থখন মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ভাৰতে তৃতীয়খন মেচত ৪৮ ৰাণত জয়লাভ কৰি ২-১ ৰ ব্যৱধানৰে প্রত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছে। কিন্তু কাইলৈ দলে আন এক মৰণপণ অগ্নিপৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। উল্লেখ্য যে প্রথম দুখন মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখীন হোৱা টীম ইণ্ডিয়াই তৃতীয় মেচত ১৭৯-৫ ৰাণত ইনিংছ সামৰে। প্রত্যুত্তৰত দক্ষিণ আফ্রিকাই ১৯.১ অভাৰত ১৩১-১০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্রথম দুখনত পৰাস্ত হৈ শৃংখলা হেৰুওৱাৰ সন্ধিক্ষণত উপনীত হোৱা ভাৰতীয় দলৰ বাবে বাকী থকা তিনিওখন মেচে মৰণপণ হৈ পৰিছিল। বিশাখাপট্টনমত আছিল প্রথমটো অগ্নিপৰীক্ষা। এতিয়া কাইলৈ ৰাজকোটত আৰু অহা ১৯ জুনত বাংগালুৰুত শৃংখলাৰ অন্তিম দুখন মেচ অনুষ্ঠিত হ'ব, যি ভাৰতৰ বাবে দুটা অগ্নিপৰীক্ষা। উল্লেখ্য যে কটকত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত দক্ষিণ আফ্রিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্রগতি লৈছিল। পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত ১৪৮ ৰাণ কৰে। প্রত্যুত্তৰত দক্ষিণ আফ্রিকাই ১৮.২ অভাৰতে ছটা উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে নতুন দিল্লীত হোৱা শৃংখলাৰ প্রথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্রিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে।

## আন্তঃজিলা শক্তি উত্তোলনত ভাৰতী সোণোৱালৰ সোণ



অগ্রদূত বাৰ্তা

**দুলীয়াজান, ১৬ জুন ঃ** নগাঁও শক্তি উত্তোলন সন্থাৰ উদ্যোগত নগাঁৱৰ জিলা পুথি ভৰাঁলত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃজিলা শক্তি উত্তোলন চেম্পিয়নশ্বিপত মহিলাৰ ৭৬ কিলোগ্রাম শাখাত দুলীয়াজানৰ ভাৰতী সোণোৱাল গগৈয়ে সোনৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে । এই সফলতাৰ বাবে তেও অহা অক্টোবৰত নাগপুৰত অনুষ্ঠিত হ'ব লগীয়া ৰাষ্ট্রীয় শক্তি উত্তোলন প্রতিযোগিতাত অংশ গ্রহন কৰাৰ যোগ্যতাও অৰ্জন কৰে। উল্লেখ্য যে দুলীয়াজানৰ ডিৰিয়াল গাঁৱৰ নিবাসী তথা দুটি সন্তানৰ মাতৃ ভাৰতী সোণোৱাল গগৈ ভাৰতীয় ডাক সেৱাৰ এগৰাকী কৰ্মচাৰী । এই সফলতাত দুলীয়াজানৰ ক্রীড়াপ্রেমীয়ে ভাৰতীক আন্তৰিক অভিনন্দন জনাইছে।

### আই পি এলত কৰা প্রদৰ্শনৰ বাবে পুৰস্কাৰ লাভ

## ভাৰতীয় দলৰ অধিনায়ক পদ লাভ কৰিলে হাৰ্দিক পাণ্ডিয়াই



**নতুন দিল্লী, ১৬ জুন ঃ** আই পি এলত গুজৰাট দলক নেতৃত্ব দি চেম্পিয়ন কৰোৱাৰ লগতে পেছাদাৰী ক্রিকেট লীগখনত আগবঢ়োৱা চমকপ্রদ প্রদৰ্শনৰ মূল্য পালে ভাৰতীয় দলৰ তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। উল্লেখ্য যে আসন্ন আয়াৰলেণ্ড ভ্রমণৰ বাবে ভাৰতীয় দল ঘোষণা কৰিছে বি চি চি আয়ে। দুখনীয়া টি-২০ শৃংখলাটোৰ বাবে ঘোষিত ভাৰতীয় দলটোৰ নেতৃত্বৰ দায়িত্ব দিয়া হৈছে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াক। স্মৰ্তব্য যে পাণ্ডিয়াই প্রথমবাৰৰ বাবে ভাৰতৰ জাতীয় দলক নেতৃত্ব দিব। চলিত দক্ষিণ আফ্রিকা টি-২০ শৃংখলাত পাণ্ডিয়াই ভাৰতীয় দলৰ সহ-অধিনায়কৰ দায়িত্ব চম্ভালি আছে। স্বাভাৱিকতে আই পি এলত নিজৰ অধিনায়ক হিচাপে দাঙি ধৰা যোগ্যতাৰ স্বীকৃতি লাভ কৰিছে টীম ইণ্ডিয়াক নেতৃত্ব দিয়াৰ দায়িত্ব লাভ কৰিছে পাণ্ডিয়াই। উল্লেখ্য যে শেহতীয়াকৈ আই পি এলৰ ১৫ সংখ্যক সংস্কৰণত পাণ্ডিয়াই নৱাগত দল গুজৰাট টাইটানছৰ অধিনায়ক হিচাপে ঈৰ্ষণীয় সফলতা লাভ কৰিছিল। প্রথমবাৰৰ বাবে আই পি এলত অৱতীৰ্ণ হৈয়ে পাণ্ডিয়াৰ নেতৃত্বত গুজৰাটে জয় কৰিছিল আই পি এল খিতাপ। উল্লেখ্য যে আয়াৰলেণ্ড ভ্রমণত টীম ইণ্ডিয়াই ঘৰুৱা দলটোৰ বিৰুদ্ধে ২৬ আৰু ২৮ জুনত ডাবলিনত দুখন টি-২০ মেচত অংশ ল'ব।

## যোগাসন ক্রীড়া প্রতিযোগিতাৰ আয়োজন

অগ্রদূত বাৰ্তা

**বেবেজীয়া, ১৬ জুন ঃ** নগাঁও জিলা যোগ সন্থাই অসম যোগ সংস্থাৰ সৌজন্যত আৰু জিলা আইন সেৱা প্রাধিকাৰী, আই এন অ' সূৰ্য ফাউণ্ডেচন, জিলা ক্রীড়া বিষয়াৰ কাৰ্যালয়, এন ৱাই কে,অসম যোগ বিজ্ঞান মহাবিদ্যালয়,এন ই চি টি আদিৰ সহযোগত নেহৰু যুৱ কেন্দ্র,নগাঁৱৰ সভাগৃহত অহা ১৯ জুনত দিনযোৱা কাৰ্যসূচীৰে নগাঁও জিলা ভিত্তিত এখনি যোগাসন ক্রীড়া প্রতিযোগিতাৰ আয়োজন কৰিছে। কেৱল ছয় আৰু আঠ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালী তথা ৫০-৬০ বছৰ আৰু ৬০ বছৰ বয়সৰ উৰ্ধৰ পুৰুষ-মহিলাৰ বাবে মুকলি থকা এই প্রতিযোগিতাত যোগাসন ক্রীড়াৰ ইভেণ্টহে অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিৰ সভানেত্রী মঞ্জুলা লস্কৰ আৰু সম্পাদিকা ৰ'জী দেৱী ফুকনে জানিবলৈ দিছে। উল্লেখিত সংগঠনসমূহৰ উদ্যোগতে নেহৰু যুৱ কেন্দ্র,নগাঁৱৰ সভাগৃহত অহা ২১জুনত দিনযোৱাকৈ অষ্টম আন্তঃৰাষ্ট্রীয় যোগ দিৱসত কমন যোগ প্রট'কল কাৰ্যসূচীৰ লগতে বঁটা বিতৰণী সভা আৰু এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হৈছে বুলি অসম যোগ সংস্থাৰ সম্পাদক প্রভাত চন্দ্র বৰাই লগতে জনাইছে।



হিমাচলত চলি থকা ভাৰোত্তোলনৰ খেলো ইণ্ডিয়াত মীৰাবাঈ


### ভাৰতীয় দলত স্থান পালে ৰাহুল ত্রিপাঠীয়ে

## আঘাত মুক্ত হৈ টীম ইণ্ডিয়ালৈ প্রত্যাৱৰ্তন সূৰ্যকুমাৰ যাদবৰ



**নতুন দিল্লী, ১৬ জুন ঃ** ভাৰতীয় ক্রিকেট দলে অহা ২৬ আৰু ২৮ জুনত ডাবলিনত দুখন টি-২০ মেচত অংশ ল'ব ঘৰুৱা দল আয়াৰলেণ্ডৰ বিৰুদ্ধে। আয়াৰলেণ্ড ভ্রমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে মহাৰাষ্ট্রৰ বেটাৰ ৰাহুল ত্রিপাঠীক প্রথমবাৰৰ বাবে জাতীয় দললৈ আমন্ত্রণ কৰা হৈছে। ঘৰুৱা ক্রিকেটৰ লগতে আই পি এলতো ধাৰাবাহিকভাৱে সুন্দৰ প্রদৰ্শন আগবঢ়াই অহাৰ পাছত অৱশেষত জাতীয় দলৰ দ্বাৰ মুকলি হ'ল ত্রিপাঠীৰ বাবে। বিশেষকৈ চলিত চিজনৰ আই পি এলত ত্রিপাঠীয়ে চমকপ্রদ প্রদৰ্শন আগবঢ়াইছিল। ইয়াৰ পিছতো দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে টি-২০ শৃংখলাত তেওঁক বাচনি নকৰাৰ বাবে নিৰ্বাচকক সমালোচনাৰ লক্ষ্য কৰিছিল ক্রিকেট অনুৰাগী সকলে। ইফালে, আঘাতৰ পৰা সুস্থ হৈ উঠাৰ পিছত দললৈ উভতি আহিছে মধ্যক্রমৰ বেটাৰ সূৰ্যকুমাৰ যাদৱ। যাদৱৰ লগতে সঞ্জু চেমছনৰো দললৈ প্রত্যাৱৰ্তন ঘটিছে। উল্লেখ্য যে আই পি এলৰ পিছতে ঘোষিত দক্ষিণ আফ্রিকা শৃংখলাৰ বাবে ভাৰতীয় দলত চেমচনক স্থান নিদিয়াৰ বাবেও ক্রিকেট অনুৰাগী সকল অসন্তুষ্ট হৈছিল। ইফালে, ঘোষিত ভাৰতীয় দলটোৰ নেতৃত্বৰ দায়িত্ব দিয়া হৈছে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াক।

## ভাৰোত্তোলনত অসমৰ পঞ্চমীৰ ৰূপৰ পদক



**গুৱহাটী, ১৬ জুন ঃ** অসমৰ পঞ্চমী সোণোৱালে হিমাচলত চলি থকা ভাৰোত্তোলনৰ খেলো ইণ্ডিয়াৰ মহিলাৰ ৪৯ কিলোগ্রাম শাখাত ৰূপৰ পদক লাভ কৰিছে। তেওঁ স্নেচত ৬৩ আৰু ক্লিন এণ্ড জাৰ্কত ৮০ মুঠ ১৪৩ কেজি উত্তোলন কৰে। উল্লেখ্য যে অসমৰ ভাৰোত্তোলকে সদ্য সমাপ্ত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্রীড়াত চমকপ্রদ প্রদৰ্শন কৰি চাৰিটা পদক অৰ্জন কৰিছিল। অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্রাম শাখাত সোণ লাভ কৰি ৰাজ্যক গৌৰৱময় সফলতা দিয়ে। আনহাতে, অসমৰ ত্রিদীপ বৰুৱাই ৮১ কিলোগ্রাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্রবাল প্রতিম গগৈয়েও ল'ৰা ৭৩ কিলোগ্রাম শাখাত ব্রঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, ছোৱালীৰ ৪০ কেলোগ্রাম শাখাত অসমৰ ৰেখামণি গগৈয়ে ব্রঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। অসমৰ ভাৰোত্তোলকৰ এই ধাৰাবাহিক সফলতাত অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামীয়ে খেলুৱৈৰ প্রদৰ্শনত আনন্দিত হোৱাৰ লগতে খেলুৱৈৰ প্রদৰ্শনৰ বাবে শুভেচ্ছা জনাইছে।

### জ্যেষ্ঠ খেলুৱৈৰ জিৰণিৰ সুযোগত নৱাগতক দলত স্থান দিলে বি চি চি আয়ে

## আয়াৰলেণ্ড ভ্রমণৰ বাবে ভাৰতীয় ক্রিকেট দল ঘোষণা

**নতুন দিল্লী, ১৬ জুন ঃ** আসন্ন আয়াৰলেণ্ড ভ্রমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্রমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। আনহাতে ঘোষিত দলটোত ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে। ইফালে, চলিত দক্ষিণ আফ্রিকা শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বত থকা উইকেটকীপাৰ বেটাৰ ঋষভ পণ্টক আয়াৰলেণ্ড ভ্রমণৰ বাবে দলত স্থান দিয়া হোৱা নাই। কাৰণ পণ্ট এই সময়ছোৱাত ইংলেণ্ডৰ বিৰুদ্ধে টেষ্টৰ বাবে ভাৰতীয় দলৰ অংশ হিচাপে থাকিব। পণ্টৰ লগতে লোকেশ ৰাহুল আৰু শ্রেয়াছ আয়াৰকো ইংলেণ্ড ভ্রমণৰত ভাৰতীয় দলত স্থান দিয়াৰ বাবে আয়াৰলেণ্ডৰ বিৰুদ্ধে শৃংখলাত উপলব্ধ নহ'ব। কিন্তু চলিত দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে শৃংখলাত প্রথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙকো আয়াৰলেণ্ড ভ্রমণৰ বাবে দলত ৰখা হৈছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্রমণৰ বাবে দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ঘোষিত ভাৰতীয় দলটো ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্রিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্র চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্ষল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।



শ্রীলংকাৰ বিৰুদ্ধে খেলা দ্বিতীয় মেচত অষ্ট্রেলিয়া।




# মহাৰগৰ আৰু স্মাৰ্ট চিটী

**হঠাৎ** কোনেও খবৰ নোপোৱাকৈ এটা ডাঙৰ কাণ্ড ঘটি গ'ল। এটা নহয়, কে'বাটাও কাণ্ডই ঘটিছে, আমাৰ ৰাইজেহে কিবা বৰ বেছি একো পাত্তা দিয়া নাই। ইমানদিনে সকলোৰে কৈ আছিল—স্মাৰ্ট চিটী লাগে, স্মাৰ্ট চিটী লাগে। এইকেইটা দিনত কিমান যে স্মাৰ্ট বনি গ'ল গুৱাহাটীখন! পৃথিৱীৰ এনে কোনখন চিটী আছে, যাৰ ৰাস্তাত একেলগে একে সময়তে বাছ চলে, গাড়ী চলে, স্কুটী চলে, নাও চলে, কলৰ ভূৰ চলে। ইমান বেছি স্মাৰ্ট চিটী কেৱল গুৱাহাটীয়ে আছে। গুৱাহাটীৰ বাহিৰে বেলেগ এখনো নাই। গুৱাহাটীৰ মানুহবোৰো এইকেইটা দিনত কম স্মাৰ্ট হৈছে নেকি? ইমানদিনে সকলোৱে ভাবি আছিল যে গুৱাহাটীৰ মানুহবোৰ বৰ আৰামী। গাড়ীত উঠি ঘূৰি ফুৰিব জানে। কিন্তু নহয়, এইবাৰ গুৱাহাটীয়াই আটাইকে দেখুৱাই দিছে যে তেওঁলোকে সাঁতুৰিবও জানে। কলৰ ভূৰত উঠি ইখন ঠাইৰ পৰা সিখন ঠাইলৈ অহা-যোৱা কৰিব পাৰে। বেলেগ জাগাৰ মানুহে অতদিনে ভাবিছিল যে গুৱাহাটীয়াই ডানলপ নহ'লে শুব নোৱাৰে, এ চি নচলিলে চলিব নোৱাৰে। কিন্তু এইবাৰ স্কুল ঘৰত থাকি, মজিয়াত শুই গুৱাহাটীৰ মানুহে প্ৰমাণ কৰি দিছে কিমান স্মাৰ্ট তেওঁলোক। এই স্মাৰ্টনেছৰ তুলনা বৰ্তমান ইউক্ৰেইনৰ জনতাৰ লগতহে কৰিব পাৰি। ইউক্ৰেইনত যেনিবা পানী নাই, বোমা আছে। তথাপি য'তে-ত'তে পলাই-মেলি থাকি ইউক্ৰেইনীয়ে যি স্মাৰ্টনেছ দেখুৱাইছে, যি ফাইটিং মুড দেখুৱাইছে, সেয়া নিঃসন্দেহে গুৱাহাটীয়াৰ লগত তুলনা কৰিব পাৰি। আজিৰ তাৰিখত গুৱাহাটীৰ মানুহে কেৱল নিজৰ স্মাৰ্টনেছেই প্ৰকাশ কৰা নাই, নিজৰ স্কীল বা দক্ষতাও প্ৰকাশ কৰিছে। আজি যদি গুৱাহাটীয়াক মহাসাগৰৰ বুকুত বিছনা পাৰি শুবলৈ দিয়া যায়, তেওঁলোকে শুই দিব। সাত সাগৰ তেৰ নদী যদি সাঁতুৰি পাৰ হ'বলৈ কোৱা হয়, তেওঁলোকে পাৰ হৈ যাব। এই স্মাৰ্টনেছ বেলেগ চিটীৰ মানুহে দেখুৱাব নোৱাৰে। সেইবাবে বিৰল প্ৰতিভাধৰ পুৰুষবোৰক যেনেকৈ মহাপুৰুষ বোলা হয়, একেদৰে গুৱাহাটীৰ মানুহবোৰো আজি কেৱল এইখন দেশৰ নাগৰিক হৈ থকা নাই, মহানাগৰিকত পৰিণত হৈছে। কেৱল স্মাৰ্ট বা স্কীল্ডেই নহয়, তেওঁলোক যে একো একোগৰাকী আপোচবিহীন যোদ্ধা, সেয়াও প্ৰমাণ কৰি দিছে এই মহানাগৰিকসকলে। মাটি আৰু ভেটি ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকে অলপো আপোচ নকৰে। মহাভাৰতত দুৰ্যোধনে কি কৈছিল পাণ্ডৱক? এটা বেজীৰ সমান মাটিও নিদিওঁ। একেদৰে আমাৰ গুৱাহাটীৰ মানুহেও পোনছাটে কৈ দিয়ে— এটা নলাৰ সমান মাটিও নিদিওঁ। লাগিলে কঁকাললৈকে ডুবি থাকিম, বুকুলৈকে ডুবি থাকিম, তথাপি নলাৰ সমান মাটিও এৰি নিদিওঁ! ইমানেই স্মাৰ্ট আমাৰ মহানাগৰিকসকল!



গুৱাহাটীত থকা মানুহখিনি যিহেতু ইমান স্মাৰ্ট হৈছে, গতিকে গুৱাহাটীখন স্মাৰ্ট চিটী নোহোৱাকৈ কেনেকৈ থাকিব পাৰে? এই ক্ষেত্ৰত আমাৰ চৰকাৰৰো যথেষ্ট অৰিহণা আছে। মানে গুৱাহাটীখনক স্মাৰ্ট চিটী বনোৱাত তেওঁলোকৰ অৰিহণা সদায় মনত থাকি যাব। এইবাৰ জিএমচিৰ ভোটৰ সময়তে তেওঁলোকে কথা দিছিল—ঘৰে ঘৰে পানী যোগান ধৰা হ'ব। তেওঁলোকে কথা ৰাখিলে। ঘৰে ঘৰে পানী যোগান ধৰিলে। কোনোবাই ক'ব পাৰে যে যোগান ধৰোতে পানী অলপ বেছি হ'ল। ইমান বেছি হ'ল যে ৰাস্তালৈকেও পানী বৈ আহিল। বেছিকৈ যোগান ধৰাটোতো দোষ হ'ব নোৱাৰে। কমকৈ যোগান ধৰাটোহে বেয়া কথা। আজি ঘৰে ঘৰে পানী যোগান ধৰা হৈছে। চুৰি-ডকাইতিৰ দৰে অপৰাধবোৰো নাইকিয়া কৰা হৈছে। এবুকু পানীত উটি-ভাহি কোনেওতো চুৰি বা ডকাইতি কৰিব যাব নোৱাৰে। ইমানদিনে হেল্থ কনচিয়াছ মহানাগৰিকে স্পীডত খোজহে কাঢ়িছিল। তেওঁলোকক সাঁতুৰিবলৈ বাধ্য কৰোৱা হৈছে। কিয়নো খোজ কঢ়াতকৈও সাঁতোৰাটো বেছি ভাল ব্যায়াম। বহুতে কয় যে এইখন চৰকাৰে কেৱল ধনী ধনী মানুহৰ কথাহে ভাবে। এই ধাৰণাক ভুল প্ৰতিপন্ন কৰি এইখন চৰকাৰে খাটি খোৱা ৰিক্সাৱালাবোৰক এবাৰতে দুশ-তিনিশ টকা ইনকাম কৰাৰ ৰাস্তা ক্লিয়েৰ কৰি দিছে। এইটো বেলেগ কথা যে স্মাৰ্ট চিটী বুলি ঘোষণা কৰা মহানগৰ আজি কেৱল মহাসাগৰেই নহয়, দেছৰ বেলেগ চিটীবোৰৰ কাৰণে মহাৰগৰত পৰিণত হৈছে।

# হোজাইত ২০ লাখটকীয়া বিল্ডিং থকা লোকৰ ঘৰত নিৰ্মাণ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাসগৃহ

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৬ জুন ঃ** চৰকাৰে দুৰ্নীতিমুক্ত অসম গঢ়াৰ চেষ্টা অব্যাহত ৰাখিছে যদিও একাংশ পঞ্চায়ত তথা দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীয়ে এতিয়াও মুকলিভাৱে চলাই আছে দুৰ্নীতি আৰু লুণ্ঠনৰাজ। একাংশ পঞ্চায়ত প্ৰতিনিধিয়ে ধনৰ বিনিময়ত শ শ ঘৰ আবণ্টন দিছে প্ৰভাৱশালী ধনী শ্ৰেণীৰৰ লোকক। হোজাইৰ যমুনামুখ সমষ্টিৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত নীলবাগান পঞ্চায়তৰ মেথিগাঁৱত (হালেহৰ) সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। গাঁওখনৰ এজন লোকৰ ২০ লাখটকীয়া পকী ঘৰ থকাৰ পাছতো পঞ্চায়তৰ জৰিয়তে লাভ কৰিলে চৰকাৰী বাসগৃহ। হোজাইৰ উপায়ুক্তক স্থানীয় ৰাইজে দাখিল কৰা অভিযোগ মতে, লোকজন কে'বাখনো চাৰিচকীয়া বাহনৰ গৰাকী। শ্বৰিফ উদ্দিন নামৰ এই লোকজনৰ বিৰুদ্ধে উপায়ুক্তক ৰাইজে দিছে লিখিত অভিযোগ। অভিযোগ মতে, শ্বৰীফ উদ্দিনৰ ২০ লাখ টকাৰ বিল্ডিং আৰু চাৰিচকীয়া গাড়ী থকাৰ পাছতো তেওঁ লাভ কৰিছে চৰকাৰী বাসগৃহ। ইতিমধ্যে বাসগৃহৰ কামো সম্পূৰ্ণ হৈছে। গাঁও পঞ্চায়তত বহু দৰিদ্ৰ লোক এটা চৰকাৰী বাসগৃহৰ পৰা বঞ্চিত হোৱাৰ বিপৰীতে শ্বৰীফ উদ্দিনৰ দৰে লাখটকীয়া ব্যৱসায়ীয়ে কিদৰে চৰকাৰী গৃহ লাভ কৰিলে তাকে লৈ সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

পাইলটৰ উপস্থিত বুদ্ধি আৰু চূড়ান্ত তৎপৰতাত মাজ আকাশত এক বীভৎস দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিল দুখন যাত্ৰীবাহী বিমান। ৩৫ হেজাৰ ফুট উচ্চতাত মুখামুখি হৈ পৰা বিমান দুখনক কথমপি ৰক্ষা কৰে এখন বিমানৰ পাইলটে। চলিত সপ্তাহতে শ্ৰীলংকাৰ চৰকাৰী বিমানসংস্থা আৰু ব্ৰিটিছ এয়াৰৱেজৰ বিমান দুখন ৩৫ হেজাৰ ফুট উচ্চতাত পৰস্পৰৰ দিশে আহিছিল। বিমান দুখনৰ মাজৰ দূৰত্ব ১৫ কিলোমিটাৰলৈ কমি আহিছিল।



## এটিচিৰ নিৰ্দেশ নামানি অন্তিম ক্ষণত দুৰ্ঘটনা এৰুৱালে পাইলটে

# ৩৫ হেজাৰ ফুট উচ্চতাত মুখামুখি দুখন বিমান

**নিউজ ব্যুৰ'**

**কলম্বো, ১৬ জুন ঃ** পাইলটৰ উপস্থিত বুদ্ধি আৰু চূড়ান্ত তৎপৰতাত মাজ আকাশত এক বীভৎস দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিল দুখন যাত্ৰীবাহী বিমান। ৩৫ হেজাৰ ফুট উচ্চতাত মুখামুখি হৈ পৰা বিমান দুখনক কথমপি ৰক্ষা কৰে এখন বিমানৰ পাইলটে। চলিত সপ্তাহতে শ্ৰীলংকাৰ চৰকাৰী বিমানসংস্থা আৰু ব্ৰিটিছ এয়াৰৱেজৰ বিমান দুখন ৩৫ হেজাৰ ফুট উচ্চতাত পৰস্পৰৰ দিশে আহিছিল। বিমান দুখনৰ মাজৰ দূৰত্ব ১৫ কিলোমিটাৰলৈ কমি আহিছিল। সামান্য সময়ৰ হেৰফেৰ হোৱা হ'লেই দুয়োখন বিমান নিশ্চিহ্ন হোৱাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছিল। যদিও শ্ৰীলংকাৰ বিমানখনৰ পাইলটৰ দৃঢ়তাৰ বাবে এই ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত নহ'ল। আকাশত মুখামুখি সংঘৰ্ষ ৰোধ কৰাত কমেও পাঁচশ যাত্ৰীৰ প্ৰাণৰক্ষা পৰে।

যোৱা সোমবাৰে ইংলণ্ডৰ হিথ্ৰ' বিমানকোঠৰ পৰা ২৭৫জন যাত্ৰী লৈ শ্ৰীলংকাৰ কলম্বোৰ দিশে উৰা মাৰিছিল ইউএল-৫০৪ বিমানখনে। তুৰস্কৰ আকাশসীমাত প্ৰৱেশ কৰাৰ সময়ত শ্ৰীলংকাৰ বিমানখন আছিল ৩৩ হেজাৰ ফুট উচ্চতাত। আংকাৰাৰ এয়াৰ ট্ৰেফিক কন্ট্ৰোল (এটিচি)ৰ তৰফৰ পৰা শ্ৰীলংকাৰ বিমানখনক ৩৫ হেজাৰ ফুট উচ্চতালৈ উঠাৰ নিৰ্দেশ দিয়া হয়। ইফালে, একেসময়তে বিপৰীত দিশৰ পৰা ৩৫ হেজাৰ ফুট উচ্চতাত ২৫০জন যাত্ৰী লৈ আগুৱাই আহিছিল ব্ৰিটিছ এয়াৰৱেজৰ এখন বিমান। দুয়োখন বিমানৰ মাজত তেতিয়া মাত্ৰ ১৫ কিলোমিটাৰৰ ব্যৱধান। ইপিনে, এটিচিৰ তৰফৰ পৰা ক্ৰমাগতভাৱে শ্ৰীলংকাৰ বিমানখনক ৩৫ হেজাৰ ফুট উচ্চতালৈ উঠি যোৱাৰ নিৰ্দেশ দি আছে। সেই সময়কে ককপিটত বহি থকা শ্ৰীলংকাৰ বিমানৰ পাইলটে বুজিব পাৰিলে যে এটিচিৰ নিৰ্দেশ মানিলেই দুৰ্ঘটনা অৱশ্যম্ভাৱী। গতিকে তেওঁ এটিচিৰ নিৰ্দেশ অমান্য কৰি ৩৩ হেজাৰ ফুট উচ্চতাতে বিমানখন উৰাই নিয়ে। সামান্য ব্যৱধানৰ বাবে পাইলটজনে দুৰ্ঘটনা ৰোধ কৰিবলৈ সক্ষম হ'ল।

ইফালে, কথাটো বুজিবলৈ আংকাৰাৰ এটিচিৰ কিছু সময়ৰ প্ৰয়োজন হয়। অৱশ্যে সমগ্ৰ ঘটনা অৱগত হোৱাৰ পাছত এটিচি কৰ্তৃপক্ষই শ্ৰীলংকাৰ বিমানখনৰ পাইলটসকলক ধন্যবাদ জনায়। আনহাতে, নিৰাপদে বিমান লৈ কলম্বোৰ বন্দৰনায়েক আন্তৰ্জাতিক বিমানকোঠত অৱতৰণ কৰাৰ পাছত ইউএল-৫০৪ৰ পাইলটসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।




# ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ 'বাবলি' আৰু নাই

**গুৱাহাটী, ১৬ জুন ঃ** দেশৰ আগশাৰীৰ জৈৱ বৈচিত্ৰ্য গৱেষণা আৰু সংৰক্ষণকাৰী সংগঠন আৰণ্যকে কালি তেওঁলোকৰ চোৰাংচিকাৰী বিৰোধী কে-৯ কুকুৰ দলৰ গুৰুত্বপূৰ্ণ সদস্য বাবলিক হেৰুৱায়। বাবলি আছিল এগৰাকী সু-প্ৰশিক্ষিত মাইকী বেলজিয়ান মেলিন'ইছ প্ৰজাতিৰ কুকুৰ। ২০১৮ৰ ১১ আগষ্টৰ পৰা অসমৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যানত নিয়োজিত এই সু-প্ৰশিক্ষিত কুকুৰটো আৰণ্যকৰ এক বহুমূলীয়া ফ্ৰন্টলাইন সংগী আছিল।

২০১৪ৰ পৰা আৰণ্যকৰ কে-৯ ডগ স্কোৱাডৰ স'তে জড়িত থকাৰ সময়ছোৱাত বাবলিয়ে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু টাইগাৰ ৰিজাৰ্ভত চোৰাংচিকাৰী বিৰোধী অভিযানত যথেষ্ট সহায় কৰিছিল।

'আমি, আৰণ্যকৰ পৰিয়ালৰ সকলোৱে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত নিয়োজিত হৈ থকা আমাৰ কে-৯ ইউনিটৰ অন্যতম সু-প্ৰশিক্ষিত সদস্য বাবলিক হেৰুওৱাত গভীৰ শোক প্ৰকাশ কৰিছো। অসুস্থতাৰ বাবে আজি পুৱা ৮-৪০ বজাত তাই শেষ নিশ্বাস ত্যাগ কৰে।' আৰণ্যকৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ বিভৱ কুমাৰ তালুকদাৰে এইদৰে কয়। ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ আশে-পাশে সামগ্ৰিকভাৱে বন্যপ্ৰাণী অপৰাধ প্ৰশমনৰ বাবে চৰকাৰী সংস্থাসমূহৰ প্ৰচেষ্টাক পৰিপূৰক হিচাপে বাবলিৰ অৱদান সদায় স্মৰণ কৰা হ'ব বুলি আৰণ্যকৰ আন এগৰাকী বিষয়াই উল্লেখ কৰে।



চোৰাং চিকাৰ আৰু অন্যান্য বন্যপ্ৰাণী অপৰাধৰ ক্ষেত্ৰত প্ৰমাণ সংগ্ৰহ অতি বৈজ্ঞানিক, পদ্ধতিগত আৰু গুৰুত্বপূৰ্ণ বিষয়। এই ক্ষেত্ৰত কে-৯ ডগ স্কোৱাড আৰণ্যকৰ লগতে অসম তথা উত্তৰ-পূব ভাৰতৰ অন্যান্য প্ৰান্তৰ বন্যপ্ৰাণী সুৰক্ষা সংস্থাসমূহৰ গৌৰৱৰ বিষয় হৈ আহিছে।

# বগৰী খেতিৰে স্বাৱলম্বিতাৰ পথ মুকলি কৰিলে আজ্ঞাঠুৰীৰ উদীয়মান যুৱকে



অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৬ জুন ঃ যি সময়ত শিক্ষিত নিবনুৱা যুৱকসকলে চৰকাৰী চাকৰিৰ পাছত দৌৰি হাবাথুৰি খাই জীৱন যুঁজৰ দৌৰত হতাশাত ভুগিছে সেই সময়তে আজ্ঞাঠুৰীৰ বাপধন আলী নামৰ শিক্ষিত যুৱক এজনে বগৰী খেতিৰে স্বাৱলম্বীতাৰ পথ প্ৰশস্ত কৰি যুৱ প্ৰজন্মৰ বাবে আদৰ্শ প্ৰতীক হৈ থিয় দিছে। তেওঁ নিজৰ সাত বিঘা মাটিত তিনিশজোপা কাশ্মীৰী বগৰীৰ পুলি ৰোপণ কৰি লালন-পালন কৰি আছে। তিনিতা প্ৰজাতিৰ এই কাশ্মীৰি বগৰীৰ পুলিয়ে সময়ত বগৰীৰ এক বৃহৎ বজাৰ দখল কৰি আৰ্থিকভাৱে সকাহ দিব বুলি কয়।

তেওঁৰ মতে, একোজোপা পুৰ্ণ প্ৰাপ্ত বগৰী গছে এবাৰত ৩০ৰ পৰা ৪০ কেজিলৈ বগৰী উৎপাদন কৰে। সেই হিচাপত তিনিশ জোপা বগৰীয়ে বছৰি প্ৰায় ছয় লাখ টকাৰ বজাৰ দখল কৰিব। যাৰ ফলত তেওঁ সফল খেতিয়ক হিচাপে আত্ম প্ৰকাশ কৰিব বুলি আশাবাদী। পাছলৈ ইয়াৰ পৰিমাণ ৬০ বিঘালৈ সম্প্ৰসাৰণ কৰাৰ সম্ভাৱনা আছে। বগৰীৰ লগতে ঠায়ে ঠায়ে মালভোগ কল, উন্নত মানৰ আম, লিচু, জামু গছ ৰোপণ কৰিছে। এই গছবোৰেও সময়ত ফচল উৎপাদন কৰি স্থানীয় বজাৰ দখল কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁৰ মতে বৰ্তমানৰ সময়ত যি হাৰত শিক্ষিত নিবনুৱা বৃদ্ধি হৈছে তাৰ অনুপাতে চৰকাৰে কৰ্ম সংস্থাপন দিয়াত ব্যৰ্থ হৈছে। সেয়ে বৃত্তিমুখি আঁচনিৰে বিভিন্ন কামৰ মাজেৰে স্বাৱলম্বী হোৱাৰ পথ অসমত বহুত আছে বুলি মন্তব্য কৰে। লাগে মাথোঁ কৰ্মস্পৃহা সঠিক মাৰ্গ দৰ্শন আৰু কামৰ দক্ষতা।

কোনো ধৰণৰ ঋণ বা চৰকাৰী সাহায্য নোলোৱাকৈ আৰম্ভ কৰা বগৰী খেতিত বাপধনে দিনটোৰ অধিকাংশ সময় অতিবাহিত কৰে। পাছলৈ এই খেতি অধিক হাৰত সম্প্ৰাৰিত হ'লে ১০-১৫জন নিবনুৱাকো সংস্থাপন দিবলৈ সক্ষম হ'ব বুলি কয়। বাপধনৰ এই আদৰ্শ স্বৰূপ সাহসী পদক্ষেপক অঞ্চলটোৰ ৰাইজে ভূয়সী প্ৰশংসা কৰাৰ লগতে অভিনন্দন জনায়।

# প্ৰৱল বৰষুণত বৃহৎ ক্ষতি শুৱালকুছিৰ বস্ত্ৰ শিল্প

অগ্ৰদূত বাৰ্তা


**শুৱালকুছি, ১৬ জুন ঃ** বিগত এসপ্তাহ ধৰি দি থকা প্ৰৱল বৰষুণৰ প্ৰভাৱত বিস্তৰ ক্ষতি হৈছে শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ। নেৰানেপেৰা বৰষুণত শিপিনীসকলে তাঁত বব নোৱাৰাৰ ফলত বস্ত্ৰ উৎপাদন বন্ধ হোৱাৰ লগতে বেচা-কিনাও বন্ধ হৈ পৰে। বৰষুণত তাঁতশালৰ বাতি সেমেকি উঠাত তাঁতশাল বব নোৱাৰে শিপিনীয়ে। সেমেকা বতৰত তাঁতৰ সূতাৰ নমনীয়তা বাঢ়ি যায়। ফলত সূতাবোৰ অধিক হাৰত ছিঙি যায়। এই সময়ৰ উৎপাদন অতি নিম্নমানৰ হয় বাবে শিপিনীয়ে শাল বোৱা বন্ধ ৰাখিব লগা হয়। বিশেষকৈ মুগা আৰু টচৰ সুতা বৰষুণৰ বতৰত অধিক হাৰত নমনীয়তা বৃদ্ধি হয়। কাজেই সেমেকা বতৰ মুগা আৰু টচৰ বাবে অনুকূল নহয়। একেৰাহে এসপ্তাহ ধৰি দিয়া প্ৰৱল বৰষুণে তাঁতশালৰ ক্ষতিৰ লগতে বজাৰতো প্ৰভাৱ পৰিছে। সিমিত উৎপাদনে বজাৰৰ চাহিদা পূৰণ কৰিব পৰা নাই। ফলত বজাৰত প্ৰয়োজন মতে বেচা-কিনা নোহোৱাত শিপিনী-যোগালি বোৱনী-কাটনীসকলৰ দুবেলা দুমুঠি খোৱাক লৈ চিন্তা কৰিবলগীয়া হৈছে। প্ৰতিদিন শুৱালকুছিৰ তাঁতশালত প্ৰায় চাৰি কিলো দীঘ-বাণী সূতাৰ প্ৰয়োজন। সমান্তৰালকৈ মিনা কৰা গুণা সূতা, ৰঙীণ সূতাৰ প্ৰয়োজন। নেৰানেপেৰা বৰষুণে তাঁতশালৰ সামগ্ৰীৰ বিক্ৰী বন্ধ হৈ পৰাত সামগ্ৰী বিক্ৰী কৰা দোকানবোৰো অচলাৱস্থা। মুঠতে বৰষুণৰ প্ৰকোপত শুৱালকুছীয়া শিপিনীৰ দুৰ্দশা কুলাই পাচিয়ে নধৰা হৈছে।



# উমৰাংছ'ৰ খানদং জলবিদ্যুৎ প্ৰকল্পৰ বানে নিশ্চিহ্ন কৰিব বহু গাঁও

## চপৰাই চপৰাই কপিলী নদীৰ গৰাখহনীয়া

হামৰেণ, ১৬ জুন ঃ আজি পুৱাৰে পৰা পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাৰ ঘাইপথ সম্পূৰ্ণৰূপে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। জলমগ্ন বহু গাঁও। বন্ধ শিক্ষানুষ্ঠান। সমগ্ৰ ৰাজ্যৰ লগতে আজি কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰীয়া জিলা কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা-হাছাও জিলাতো নেৰানেপেৰা ৰবষুণৰ ফলত সৃষ্টি হোৱা বানৰ তাণ্ডৱ আৰু ভূমিস্খলনে এক প্ৰকাৰে পাহাৰীয়া ৰাইজৰ জন জীৱনক ভীতিগ্ৰস্ত কৰি তুলিছে। বন্ধ হৈ পৰিল জিলাখনৰ বহু সৰু-সুৰা পথকে ধৰি ঘাই সংযোগী পথসমূহ। এই প্ৰৱল বৃষ্টিপাতত সৃষ্টি হোৱা বানে সম্প্ৰতি বুৰাই পেলাইছে পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ দাস গাঁও, শিলডুবি, বগৰিঘাট, খান্দাজান, দেৱামুখ, হাতীমাৰা, বিথুং চাপৰি, সাতগাঁও, ভেলাপাৰা, টুম্প্ৰেং, মুগাচং, তৰাডুবি, নাম তৰাডুবিকে আদি কৰি বিস্তৃত অঞ্চল। ফলত ক্ষতি হৈছে শ শ হেক্টৰ কৃষিভূমিত থকা নানা খেতি-শস্যৰ উপৰি বানত বুৰ গৈ বিনষ্ট হৈছে কুমলীয়া কঠীয়া। ইয়াৰ উপৰি বিনষ্ট হৈছে শ শ হেক্টৰ কুঁহিয়াৰ বাৰী। বানৰ প্ৰৱল সোঁতত খহনীয়াত জাহ গ'ল কপিলীপুৰীয়া ৰাইজৰ শ শ হেক্টৰ ভূমি। এক প্ৰকাৰৰ প্ৰকৃতিক দুৰ্যোগে



কপিলীপৰীয়া ৰাইজৰ লগতে পাহাৰীয়া জিলা ডিমা-হাছাও জিলাবাসীৰ যেন এক প্ৰকৃতিৰ অভিশাপ হ'ল। বিগত কিছুদিনৰ আগত সংঘটিত হৈ যোৱা দুই পাৰ্বত্য জিলাবাসীৰ দুখে কুলাই পাচিয়ে নধৰা অৱস্থা মাৰ নৌযাওঁতে আকৌ দ্বিতীয়টোৰ প্ৰৱল গৰাখনীয়া আৰু ভূমিস্খলনেৰে বৰুণ দেৱতাই যেন এই দুই পাৰ্বত্যবাসীক এক প্ৰকাৰে জীয়াতু ভোগাইছে। ইপিনে, প্ৰৱল বৰষুণত সৃষ্টি হোৱা বানে পশ্চিম কাৰ্বি আংলং প্ৰায় সহস্ৰাধিক বাসগৃহ আৰু বাৰী বুৰাই পেলাইছে। ক্ষতি হৈছে বহু পশুধন। সম্প্ৰতি ওখ ওখ স্থানত পশুধন আৰু মানুহ একেলগে সহবাস কৰিব লগা হৈছে। ইপিনে, ডিমা-হাছাও জিলাৰ উমৰাংছ'ৰ খানদং জলবিদ্যুৎ প্ৰকল্পৰ আটাইকেইটা বান্ধৰ পানী এৰি দিয়াৰ ফলত সৃষ্টি হোৱা প্ৰৱল বানে ৰাইজক আতংকময় পৰিৱেশে বিৰাজ কৰিছে। ইপিনে, উমৰাংছ'ৰ খানদং জলবিদ্যুৎ প্ৰকল্পৰ প্ৰৱল বানৰ সোঁতে এফালৰ পৰা নিশ্চিহ্ন কৰি পেলাব নেকি সেয়া লৈ ৰাইজৰ মনত উদয় হৈছে বহু প্ৰশ্ন। বহু শিক্ষানুষ্ঠান সম্প্ৰতি বানৰ কবলত। বন্ধ হৈ পৰিছে শিক্ষানুষ্ঠান। বাতৰি যুগুতোৱাৰ পৰলৈকে কপিলী নৈৰ প্ৰৱল সোঁতে বিপদ সীমা চেৰাই গৈ ন ন অঞ্চলৰ লগতে বুৰ গৈছে আৰু বহু ন ন গাওঁ ।

# মৰিগাঁৱত ১০৭ বছৰীয়া বৃদ্ধাৰ মৃত্যু ঃ অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক প্ৰকাশ

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৬ জুন ঃ মৰিগাঁও জিলাৰ শুকদল সৰুবৰিৰ শ্ৰীশ্ৰী দীঘলী সত্ৰৰ ধৰ্মপ্ৰাণা মহিলা মিত্যবিন্দা দেব্যা মহন্তৰ ১৪ জুনত পুৱা ৫-৫০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। ১০৭ বছৰীয়া বৃদ্ধাগৰাকীৰ মৃত্যুৰ বাতৰি সদৰী হোৱাৰ লগে লগে অঞ্চলটোত শোকৰ ছাঁ পৰে। উল্লেখ্য যে ১৯১৫ৰ ১৬ আগষ্টত জন্মগ্ৰহণ কৰা বৃদ্ধাগৰাকীয়ে মৃত্যুৰ আগলৈকে শুকদল আঞ্চলিক শংকৰ মন্দিৰৰ নামতীৰূপে ৰাইজৰ মাজত জনপ্ৰিয়ৰ উপৰি চশমা নোলোৱাকৈ তাঁত বোৱাৰ লগতে বিভিন্ন গ্ৰন্থ আদি পঢ়িব পৰাকৈ দৃষ্টিশক্তিৰ গৰাকী আছিল। তেওঁৰ দীৰ্ঘদিনীয়া জীৱনত কোনোকালেই চিকিৎসালয়ত ভৰ্তি হৈ নোপোৱা বৃদ্ধাগৰাকীয়ে পুৱা মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ বাসগৃহত বহু গুণমুগ্ধই আহি নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ উপৰি আত্মাৰ চিৰশান্তি কামনা কৰে। ১০৭ বছৰীয়া বৃদ্ধাগৰাকীয়ে মৃত্যুৰ সময়ত দুই পুত্ৰ, চাৰি জীয়ৰী, নাতি-নাতিনীকে ধৰি এখন ভৰপূৰ সংসাৰৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।



# মৰণোত্তৰ দেহদান কৰি ছিপাঝাৰৰ এগৰাকী সাধাৰণ মহিলাই অসাধাৰণ দৃষ্টান্ত এৰি গ'ল

## খৰ্গেশ্বৰী নাথৰ বিয়োগত ইলোৰা বিজ্ঞান মঞ্চৰ শোক আৰু শ্ৰদ্ধাঞ্জলি



**গুৱাহাটী, ১৬ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰ-নায়কপাৰা অঞ্চলৰ খৰ্গেশ্বৰী নাথ (৭৯) এগৰাকী হোজা-সৰল সাধাৰণ মহিলা। দৰিদ্ৰ পৰিয়ালৰ মহিলাগৰাকী শিক্ষা-দীক্ষাৰ পিনৰ পৰাও আগবঢ়া নহয়। গাঁৱতে নামঘৰত সমজুৱাকৈ পুথি পঢ়ে, নাম ধৰে। সমাজত সৰবৰহী, সামাজিক কামত আগৰণুৱা। গ্ৰাম্য জীৱনৰ লগত সংপৃক্ত মহিলাগৰাকী মানৱহিতৈষী বুলি পৰিচিত। স্বামী পূৰ্বতে ঢুকাইছে। কন্যাক বিয়া দিয়াৰ পাছত জী-জোঁৱাই বেলেগে থাকে। একমাত্ৰ পুত্ৰ ভোগৰাম নাথে স্কুলত নতুনকৈ শিক্ষকতা আৰম্ভ কৰিছে। এইগৰাকী খৰ্গেশ্বৰী নাথৰ ১৫ জুনত পুৱাতে নিজ ঘৰত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত মহিলাগৰাকী কিছুদিনৰ পৰা অসুস্থ হৈ আছিল। কিন্তু মৃত্যুৰ পাছত চিকিৎসা বিজ্ঞানৰ উন্নয়ন আৰু মানৱ মংগলৰ বাবে এই সাধাৰণ মহিলাগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ মৰণোত্তৰ দেহদান কৰি গাঁৱলীয়া সমাজতো এক অসাধাৰণ দৃষ্টান্ত এৰি গ'ল। গাই গ'ল মৃত্যুঞ্জয়ী জীৱনৰ জয়গান।

অৰ্ধ শিক্ষিত অথচ যুক্তিবাদী আৰু বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী খৰ্গেশ্বৰী নাথৰ বিয়োগত ইলোৰা বিজ্ঞান মঞ্চই গভীৰ শোক প্ৰকাশ কৰিছে আৰু মানৱহিতৈষী মহিলাগৰাকীৰ প্ৰতি নিৱেদন কৰিছে শ্ৰদ্ধা। মঞ্চই তেওঁৰ শোকসন্তপ্ত পুত্ৰ আৰু পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। উল্লেখ্য যে খৰ্গেশ্বৰী নাথে মৃত্যুৰ আগতে ২০১৯তে বিজ্ঞান মঞ্চৰ দৰং জিলা সমিতিৰ জৰিয়তে মৰণোত্তৰ দেহদানৰ শেষ ইচ্ছা পত্ৰত স্বাক্ষৰ কৰি গৈছিল। তেওঁৰ পুত্ৰ ভোগৰাম নাথেও মৰণোত্তৰ দেহদানৰ ইচ্ছাপত্ৰত স্বাক্ষৰ কৰি থৈছে।

খৰ্গেশ্বৰী নাথৰ শেষ ইচ্ছাৰ প্ৰতি সন্মান জনাই কালি গুৱাহাটী মেডিকেল কলেজ কৰ্তৃপক্ষৰ হাতত তেওঁৰ মৰণোত্তৰ দেহ অৰ্পণ কৰা হয়। এই ক্ষেত্ৰত তেওঁৰ পুত্ৰ আৰু পৰিয়ালৰ লগতে জিএমচিৰ উপাধ্যক্ষ তথা ইলোৰা বিজ্ঞান মঞ্চৰ কাৰ্যকৰী সভাপতি ডাঃ জয়দেৱ শৰ্মা আৰু এনাটমী বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ সত্যজিত মিত্ৰৰ উদ্যোগ আৰু সহযোগিতা আছিল প্ৰশংসনীয়। এনাটমী বিভাগৰ শিক্ষক-কৰ্মচাৰী, পুত্ৰ ভোগৰাম নাথ, বিজ্ঞান মঞ্চৰ দৰং জিলাৰ অন্যতম কৰ্মকৰ্তা গুণেশ্বৰ নাথ প্ৰমুখ্যে ব্যক্তিসকলৰ উপস্থিতিত মৰণোত্তৰ দেহদান সুকলমে সম্পন্ন হ'য়।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com